www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

মানুহৰ মন সদায় একে ঠাইতেই থাকে। কিন্তু এই মন বোলা অতি শক্তিশালী বস্তুটোৱে স্বৰ্গক নৰক আৰু নৰকক স্বৰ্গ কৰি তোলে। - কবিজন মিল্টন

# অসম বাৰ্তা


ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ২৬৪ ❐ মঙ্গলবাৰ ❐ ২৩ ডিচেম্বৰ, ২০২৫ চন ❐ ৮ পুহ, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 264 ❐ Tuesday ❐ 23rd December, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

❐ কেন্দ্ৰীয় শক্তিমন্ত্ৰীয়ে আজি ভাৰ্চুৱেলী আংশিকভাৱে উদ্বোধনৰ সম্ভাৱনা ❐

# এন এইচ পী চী NHPC ত আৰম্ভ হ'ল বাণিজ্যিক বিজুলী উৎপাদন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২২ ডিচেম্বৰ ঃ** দেশৰ সৰ্ববৃহৎ জলবিদ্যুৎ প্ৰকল্প হিচাপে পৰিচিত নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ (Subansiri Lower Hydroelectric Project) দ্বিতীয় ইউনিটৰ পৰা বাণিজ্যিকভাৱে বিজুলী উৎপাদন আৰম্ভ হয় মাজনিশাৰ পৰা। এই প্ৰকল্পটো অসম আৰু অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্তী গেৰুকামুখত অৱস্থিত। ৰাষ্ট্ৰায়ত্ত কোম্পানী নেচনেল হাইড্ৰ'ইলেক্ট্ৰিক পাৱাৰ কৰ্প'ৰেচন (NHPC)য়ে এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে এই কথা জনাইছে। দ্বিতীয় ইউনিটটোৰ ক্ষমতা ২৫০ মেগাৱাট। » ৬ পৃষ্ঠাত



## জুবিন গাৰ্গৰ মৃত্যু গোচৰত অভিযুক্তসকলৰ ভাৰ্চুৱেল শুনানি সম্পন্ন



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২২ ডিচেম্বৰ ঃ** অসমৰ প্ৰিয় সংগীতশিল্পী তথা সাংস্কৃতিক আইকন জুবিন গাৰ্গৰ মৃত্যু গোচৰত সোমবাৰে গোচৰৰ সাতগৰাকী অভিযুক্তক ভাৰ্চুৱেলী আদালতত হাজিৰ কৰোৱা হয়। » ৬ পৃষ্ঠাত

সীমান্তত সতৰ্কতা বৃদ্ধি, মুখ্যমন্ত্ৰীৰ উদ্বেগ

## বাংলাদেশত নতুন অশান্তিৰ মাজতে অসম 'হাই এলাৰ্ট'

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২২ ডিচেম্বৰ ঃ** চুবুৰীয়া বাংলাদেশত শেহতীয়াকৈ সৃষ্টি হোৱা উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ ওপৰত অসম চৰকাৰে তীক্ষ্ণ দৃষ্টি ৰাখিছে আৰু ৰাজ্যখনক 'হাই এলাৰ্ট'ত ৰখা হৈছে। বিশেষকৈ » ৬ পৃষ্ঠাত

## 'A for Assam' নহয়, 'A for Adani আৰু Ambani'

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২২ ডিচেম্বৰ ঃ** বিগত কেইদিনমানত বিজেপি নেতাসকলে সভা-সমিতিত অসমৰ উন্নয়নৰ কথা কৈ 'A for Apple' নহয়, » ৬ পৃষ্ঠাত

❐ অগ্নিসংযোগৰ ঘটনাৰ পাছত প্ৰতিক্ৰিয়া তুলিৰামৰ ❐

## উচ্ছেদৰ জাননী দিয়া হৈছিল, কিন্তু আদালতৰ বাধা আছিল



**নিউজ ডেস্ক, অসম বাৰ্তা, ২২ ডিচেম্বৰ ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি অঞ্চলত সংৰক্ষিত চৰণীয়া ভূমিৰ পৰা অনা-কাৰ্বি লোকক উচ্ছেদৰ দাবীত চলি থকা প্ৰতিবাদৰ মাজতে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ (KAAC) মুখ্য কাৰ্যবাহী সদস্য (CEM) তুলিৰাম ৰংহাংৰ বাসগৃহত অগ্নিসংযোগৰ ঘটনাৰ পাছত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে তুলিৰামে। তেওঁ এই ঘটনাক ভুল বুজাবুজিৰ ফল বুলি অভিহিত » ৬ পৃষ্ঠাত

পথ অৱৰোধ কৰি প্ৰতিবাদ কৰা সহস্ৰাধিক জনতাৰ ওপৰত পুনৰ দমনমূলক নীতিৰে গুলীচালনা আৰক্ষীৰ

## আন্দোলনকাৰীৰ কালৰূপ; তুলিৰাম ৰংহাঙৰ পুৰণি বাসগৃহত অগ্নিসংযোগ

গণতান্ত্ৰিক প্ৰতিবাদক অৱমাননাৰ চূড়ান্ত পৰিণতি



**নিউজ ডেস্ক, অসম বাৰ্তা, ২২ ডিচেম্বৰ ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি অঞ্চলত চলি থকা প্ৰতিবাদী আন্দোলন অধিক উত্তাল হৈ পৰিছে। পেছাদাৰী চৰণীয়া সংৰক্ষিত ভূমি (PGR) আৰু গাঁও চৰণীয়া সংৰক্ষিত ভূমি (VGR)ৰ পৰা অবৈধ বসতি উচ্ছেদৰ দাবীত চলি থকা এই আন্দোলনৰ মাজতে প্ৰতিবাদকাৰীসকলে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ » ৬ পৃষ্ঠাত

৩৬ খন সত্ৰৰ বিপৰীতে ঠন ধৰি উঠিছে ৬৪টা গীৰ্জা

## খ্ৰীষ্টমাৰ্চৰ আগে-আগে মাজুলীত ব্যাপক হাৰত বাঢ়িছে খ্ৰীষ্টধৰ্মীয় প্ৰচাৰ

খ্ৰীষ্টধৰ্মী কিতাপ বিতৰণেৰে ধৰ্মান্তকৰণৰ চেষ্টা



**অসম বাৰ্তা, মাজুলী, ২২ ডিচেম্বৰ ঃ** মাজুলীত ব্যাপক হাৰত খ্ৰীষ্ট ধৰ্মী লোকৰ সংখ্যা বৃদ্ধি পোৱা, ধৰ্ম প্ৰচাৰকৰ ভূমিকাত মাজুলীৰ প্ৰান্তে প্ৰান্তে খ্ৰীষ্টধৰ্মীয় কিতাপ বিতৰক লোকৰ সংখ্যা বৃদ্ধিৰ পাছতো হিন্দুৰ নাম লৈ শাসন দখল কৰা চৰকাৰখনে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাটো দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰে হিন্দু ৰাষ্ট্ৰ দাবী সমিতিৰ অধ্যক্ষ » ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ পদক্ষেপত ৰহা সমষ্টিৰ ৰাইজে উন্নয়নৰ বাট দেখা পাইছে ঃ বিধায়ক শশীকান্ত দাস

## সমাগত নিৰ্বাচন; বিধায়ক শশীকান্ত দাসৰ ৯টাকৈ পথৰ আধাৰশিলা স্থাপন



**অসম বাৰ্তা, নগাঁও, ২২ ডিচেম্বৰ ঃ** "মুখ্যমন্ত্ৰী পকীপথ নিৰ্মাণ আঁচনি"ৰ অধীনত আজি নৱগঠিত ৰহা সমষ্টিৰ অন্তৰ্গত ৯টাকৈ » ৬ পৃষ্ঠাত

▪ গৰজি উঠি জলজীৱন মিছনৰ বিফলতা আৰু দুৰ্নীতিৰ বিৰুদ্ধে ▪

## ধেমাজিত গৌৰৱ গগৈৰ নেতৃত্বত কংগ্ৰেছৰ তীব্ৰ প্ৰতিবাদ



**নিউজ ডেস্ক, অসম বাৰ্তা, ২২ ডিচেম্বৰ ঃ** বিজেপি চৰকাৰৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ অন্যতম ধ্বজাবাহী আঁচনি 'জলজীৱন মিছন'ৰ ব্যাপক বিফলতা আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগত হোৱা কোটি কোটি টকাৰ দুৰ্নীতিৰ বিৰুদ্ধে অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈৰ নেতৃত্বত ধে » ৬ পৃষ্ঠাত

## কাছাৰত খহনীয়া প্ৰতিৰোধী প্ৰকল্পকে ধৰি কেইবাটাও আধাৰশিলা স্থাপন জলসম্পদ মন্ত্ৰী পীযূষ হাজৰীকাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২২ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰীকাই আজি কাছাৰ জিলাৰ লক্ষ্মীপুৰ আৰু সোনাই বিধানসভা সমষ্টিত একাধিক উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি স্থানীয় ৰাইজৰ মাজত চ » ৬ পৃষ্ঠাত

১.৪৫ লাখতকৈও অধিক নিযুক্তি পূৰ্ণ হোৱাৰ দাবী

## ৩,৪২০ গৰাকী যুৱক-যুৱতীক স্বাস্থ্যখণ্ডত নিযুক্তি পত্ৰ প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২২ ডিচেম্বৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সোমবাৰে খানাপাৰাস্থিত সৰ্বানন্দ সিংহ ক্ৰীড়া পৰিষদত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ বিভিন্ন কাৰিকৰী আৰু অ-কাৰিকৰী পদত নিৰ্বাচিত » ৬ পৃষ্ঠাত




## ভাৰত এখন হিন্দু ৰাষ্ট্ৰ, ইয়াৰ বাবে সাংবিধানিক অনুমোদনৰ প্ৰয়োজন নাইঃ মোহন ভাগৱত

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২২ ডিচেম্বৰ ঃ** ভাৰত এখন "হিন্দু ৰাষ্ট্ৰ" বুলি উল্লেখ কৰি ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ(RSS)ৰ মুৰব্বী মোহন ভাগৱতে কয় যে ইয়াৰ বাবে কোনো সাংবিধানিক » ৬ পৃষ্ঠাত

২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৰিব মুকলি

## বটদ্ৰৱা প্ৰকল্পত উপস্থিত হৈ প্ৰকল্পৰ বুজ ল'লে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই

বটদ্ৰৱা থানক বিশ্বমানৰ আধ্যাত্মিক-সাংস্কৃতিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰকল্পৰ উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতি



**নিউজ ডেস্ক, অসম বাৰ্তা, ২২ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ বটদ্ৰৱাত অৱস্থিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান থানক বিশ্বমানৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু পৰ্যটন কেন্দ্ৰ হিচাপে বিকশিত কৰাৰ লক্ষ্যৰে অসম চৰকাৰে গ্ৰহণ কৰা অভিলাষী » ৬ পৃষ্ঠাত

আপোনাৰ পুৰণি বেংক একাউণ্টৰ পাহৰি যোৱা ধন?



আৰবিআইয়ে আপোনাৰ বেংক একাউণ্টৰপৰা পুৰণি ধন উদ্ধাৰ কৰাত আপোনাক সহায় কৰিব।

আপোনাৰ বেংকত নিষ্ক্ৰিয় হৈ থকা একাউণ্টৰ (2 বছৰৰপৰা 10বছৰলৈকে নিষ্ক্ৰিয়) ধন / দাবী নকৰা জমাধন (10 বছৰৰ পিছত) আৰবিআইৰ ডিইএ পুঁজিলৈ স্থানান্তৰ কৰা হয়। আপুনি বা আপোনাৰ আইনী উত্তৰাধিকাৰীয়ে যিকোনো সময়তে এই ধনৰ দাবী কৰিব পাৰে।

আপোনাৰ ধন দাবী কৰিবলৈ 3 টা সহজ পদক্ষেপ

1. আপোনাৰ বেংকৰ যিকোনো শাখালৈ যাওক, যদিও সেয়া আপোনাৰ নিয়মীয়া শাখা নহয়
2. কে ৱাই চি তথ্যৰ সৈতে এখন প্ৰপত্ৰ জমা দিয়ক (আধাৰ, পাছপৰ্ট, ভোটাৰ আই ডি বা ড্ৰাইভিং লাইচেন্স)
3. সত্যাপনৰ পিছত, আপোনাৰ ধন সুতৰ সৈতে লাভ কৰক, যদি আছে

আপোনাৰ দাবী নকৰা জমা ধন বিচাৰিবলৈ

আপোনাৰ বেংকৰ ৱেবছাইটত সন্ধান কৰক বা বৰ্তমান 30টা বেংক সামৰি লোৱা আৰ বি আইৰ UDGAM পৰ্টেল (https://udgam.rbi.org.in) পৰীক্ষা কৰক ।

2025 চনৰ অক্টোবৰৰ পৰা ডিচেম্বৰলৈকে দেশৰ সকলো জিলাতে চলি থকা সম্পত্তিৰ বিশেষ শিবিৰসমূহ চাওক




অধিক বিৱৰণৰ বাবে, https://rbikehtahai.rbi.org.in চাওক
মতামতৰ বাবে, rbikehtahai@rbi.org.in লৈ লিখক
QR কোডটো স্কেন কৰক
অফিচিয়েল হোৱাটচএপ নম্বৰ 99990 41935

জনস্বাৰ্থত জাৰী কৰা হৈছে
भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA
www.rbi.org.in

# মাজুলী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সাতদিনীয়া বিশেষ শিবিৰৰ সফল সামৰণি



**অসম বাৰ্তা, উজনী মাজুলী, ২১ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মাজুলী মহাবিদ্যালয় গোটৰ উদ্যোগত মহাবিদ্যালয়ৰ নিকটৱৰ্তী ২নং মৰিটুনী মিচিং গাঁৱত যোৱা ১৫ ডিচেম্বৰৰ পৰা অনুষ্ঠিত সাতদিনীয়া বিশেষ শিবিৰ কাৰ্যসূচীৰ আজি সামৰণি পৰে। মহাবিদ্যালয়ৰ মুঠ ১১১ গৰাকী স্বেচ্ছাসেৱকে অংশগ্ৰহণ কৰা এই বিশেষ কাৰ্যসূচী অন্তিম দিনা পুৱা যোগাসন অনুশীলন কৰাৰ পাছত ২নং মৰিটুনী গাঁৱত এক সমূহীয়া চাফাই কাৰ্যসূচী ৰূপায়ণ কৰে। বিয়লি অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সমাৱৰ্তন সভাৰ আঁত ধৰে ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ স্বেচ্ছাসেৱিকা মমী দলেয়ে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্যক্ৰম বিষয়া তথা অধ্যাপক ড° অৰূপ বুঢ়াগোহাঁয়ে। মূল সভাৰ সৈতে সংগতি ৰাখি অংশগ্ৰহণকাৰী স্বেচ্ছাসেৱকসকলৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক অনুষ্ঠানত বক্তৃতা প্ৰদান কৰে মহাবিদ্যালয় অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা আৰু ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ সমন্বয়ক দেৱজ্যতি খাটনিয়াৰে। মাজুলী মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, অধ্যাপিকা ড° জুলী গগৈ, সুদৰ্শনা ফুকন, ২ নং মৰিটুনী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ডিম্বেশ্বৰ ৰেগন, সহকাৰী শিক্ষয়িত্ৰী অঞ্জলি বৰা লগতে ২ নং মৰিটুনী গাঁওবাসী উপস্থিত থাকি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উল্লেখ্য, মাজুলী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া অধ্যাপক ড° অৰূপ বুঢ়াগোহাঁই, উদ্ভিদ বিজ্ঞান বিভাগৰ ড° জুলী গগৈ আৰু শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপিকা সুদৰ্শনা ফুকনৰ নেতৃত্বত মহাবিদ্যালয়ৰ ১১১ জনীয়া স্বেচ্ছাসেৱক দলটোৱে যোৱা সাতটা দিন ২ নং মৰিটুনী মিচিং গাঁৱত বিভিন্ন কাৰ্যসূচী হাতত লয়। প্ৰথম দিনা পতাকা উত্তোলনেৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কাৰ্যসূচীৰ মুকলি কৰাৰ পিছতে বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা তথা সজাগতা সভা আদি পৰ্যায়ক্ৰমে অনুষ্ঠিত কৰা হয়। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ এই বৰ্ষৰ মূল বিষয় 'যুৱসমাজৰ বাবে বহনক্ষম জীৱিকা আৰু দক্ষতাৰ বিকাশ'ৰ সৈতে ৰাইজক সম্পৰ্কিত কৰাৰ প্ৰতি লক্ষ্য ৰাখি গাঁওখনৰ মূল পথৰ দাঁতিত বহুকেইটা বাঁহৰ সজা নিৰ্মাণ কৰাৰ লগতে গাঁৱৰ হৰিমন্দিৰ প্ৰাংগণ পৰিষ্কাৰ কৰা হয়। দ্বিতীয় দিনা প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগনত 'কাঠফুলা খেতিৰ যোগেদি স্বাৱলম্বন' শীৰ্ষক আলোচনাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে মাজুলীৰ এজন আদৰ্শ কৃষক মনোজ দাস। তৃতীয় দিনা 'কৰ্মস্থানত মহিলাৰ যৌন আতিশয্য আৰু ইয়াৰ প্ৰতিকাৰ' শীৰ্ষক বক্তৃতা প্ৰদান কৰে অৰ্থনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা ড° ৰূপজ্যোতি বৰাই, চতুৰ্থ দিনা 'কুঃসংস্কাৰ, অন্ধবিশ্বাস, বাল্য-বিবাহ তথা স্বাস্থ্য আৰু পৰিচ্ছন্নতা' শীৰ্ষক সজাগতা সভাত সমল ব্যক্তি হিচপে উপস্থিত থাকি বক্তব্য দাঙি ধৰে মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° অনুপ কুমাৰ দলেয়ে। পঞ্চম দিনা গাঁওবাসীক অগ্নিনিৰ্বাপনৰ বিভিন্ন কলা-কৌশল বিষয়ে গড়মূৰ পীতাম্বৰদেৱ গোস্বামী মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰৱক্তা তথা অগ্নি আৰু সুৰক্ষা অভিযান্ত্ৰিক কেন্দ্ৰীয় শিক্ষা প্ৰতিষ্ঠান, মাজুলীৰ অধ্যক্ষ ৰমেশ চন্দ্ৰ শইকীয়া আৰু প্ৰদৰ্শনকাৰী বিষয়া মানৱ গগৈয়ে বিতংভাৱে দৃষ্টিপাত কৰে। ষষ্ঠদিনা 'আচাৰ প্ৰস্তুতকৰণৰ জৰিয়তে কিদৰে স্বাৱলম্বী হ'ব পাৰি' এই বিষয়ে বক্তৃতা প্ৰদান কৰে উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° জুলী গগৈয়ে। আজি সপ্তমটো দিনত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱকসকলে গাঁওখনত এটি আৰ্থ-সামাজিক জৰীপ চলোৱাৰ লগতে ৰাস্তাৰ দাঁতিত গছপুলি ৰোপণ, ২ নং মৰিটুনী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিতকৰণ, বিদ্যালয়খনৰ চৌহদ পৰিষ্কাৰকৰণ আৰু নিজৰ গাঁওখন বা অঞ্চলটো সদায় পৰিষ্কাৰ কৰি ৰাখিবলৈ স্থানীয় ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টি কৰা আদি কাৰ্যসূচী ৰূপায়ণ কৰে।

# অসম সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত, মাজুলী সাংস্কৃতিক কেন্দ্ৰ আৰু নাটঘৰ মাজুলীৰ সহযোগত মাজুলীত পযেকজোৰা অংকীয়া নাটৰ কৰ্মশালা শুভাৰম্ভ



**অসম বাৰ্তা, মাজুলী, ২১ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত মাজুলী সাংস্কৃতিক কেন্দ্ৰ আৰু নাটঘৰ মাজুলীৰ সহযোগত আজিৰে পৰা ৪ জানুৱাৰী, ২০২৬ লৈকে পোন্ধৰ দিনীয়া কাৰ্যসূচীৰেউ শংকৰদেৱৰ অপূৰ্ব সৃষ্টি অংকীয়া ভাওনাৰ ওপৰত এখনি কৰ্মশালা অনুষ্ঠিত কৰা হৈছে। সাৰজান ন-সত্ৰৰ নামঘৰত অনুষ্ঠিত আৰু সংগীত নাটক অকাডেমী বঁটা প্ৰাপক ভৱেন বৰবায়নৰ তত্ত্বাৱধানত আৰম্ভ হোৱা অংকীয়া ভাওনা কৰ্মশালাখনি বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে সত্ৰীয়া সংস্কৃতিৰ সাধক সংগীত নাটক অকাডেমী বঁটা প্ৰাপক যোগেন দত্ত বৰবায়নে। নাটঘৰ মাজুলীৰ সঞ্চালক ভাস্কৰ জ্যোতি বৰাই আঁতধৰা কৰ্মশালাখনিৰ শুভ উদ্বোধন কৰি শ্ৰদ্ধাৰ যোগেন দত্ত বৰবায়নে অংকীয়া ভাওনাৰ প্ৰাসংগিকতাৰ কথা দোহাৰি জাতি বৰ্ণ নিৰ্বিশেষে সামাজিক ভিত্তিত অনুষ্ঠিত কৰিবলৈ লোৱা কৰ্মশালাখনিৰ পদক্ষেপক আদৰণী জনায়। কৰ্মশালাখনিৰ শুভাৰম্ভণি অনুষ্ঠানত উপস্থিত থকা মাজুলী সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া দিপিমনি শইকীয়াই তেওঁৰ ভাষণ প্ৰসংগত গুৰুজনাৰ অনবদ্য অৱদান অংকীয়া ভাওনাৰ এই কৰ্মশালাই নৱপ্ৰজন্মক যে বিশেষভাৱে সমৃদ্ধ কৰিব সেই সম্পৰ্কে মত পোষণ কৰে। মাজুলী সাংস্কৃতিক কেন্দ্ৰৰ প্ৰশিক্ষক জনাৰ্দন ভূএগই সাম্প্ৰতিক অসমীয়া সমাজত অংকীয়া ভাওনাৰ মহত্ত্ব সম্পৰ্কে ব্যাখ্যা দাঙি ধৰে। মাজুলীৰ কেইবাগৰাকীও আমন্ত্ৰিত বিশিষ্ট ব্যক্তিকে প্ৰমুখ্য কৰি সত্ৰখনৰ জ্যেষ্ঠ ব্যক্তি ক্ৰমে - নিত্যানন্দ শইকীয়া, কমল বৰা, গোবিন্দ ভূএগ, অৰূপ শইকীয়া, সাংস্কৃতিক কেন্দ্ৰৰ বিষয়া তিলেশ্বৰ বৰা, সত্ৰীয়া সংস্কৃতিৰ চৰ্চাকাৰী নাৰায়ণ ভৰালী, সত্ৰখনৰ বৈষ্ণৱ-আয়তীসকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা অংকীয়া ভাওনা কৰ্মশালাখনি সাৰজান ন-সত্ৰত অনুষ্ঠিত কৰাৰ পদক্ষেপক সত্ৰখনৰ বিশিষ্ট ব্যক্তি মাণিক বৰুৱাই আদৰণী জনোৱাৰ লগতে কৰ্মশালাখনিত সত্ৰ পৰিচলনা সমিতিৰ তৰফৰ পৰা সহায়-সহযোগিতা আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে। কৰ্মশালাখনৰ উদ্দেশ্য সম্পৰ্কে ব্যাখ্যা দাঙি ধৰি ভাস্কৰ জ্যোতি বৰাই নাটঘৰ মাজুলীয়ে ভৱিষ্যতৰ দিনত কলা-সংস্কৃতিক সমাজৰ সৈতে সম্পৰ্কিত কৰি একোটা প্ৰজন্মক কিদৰে আগবঢ়ায় লৈ যাব সেই পৰিকল্পনা সম্পৰ্কে অৱগত কৰে। কৰ্মশালাখনিত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলে উপস্থিত ৰাইজৰ আগত সমূহীয়াভাৱে আশীৰ্বাদ গ্ৰহণ কৰাৰ পাছতেই কৰ্মশালাখনিৰ শেষত শংকৰদেৱৰ অপূৰ্ব নাটসমূহৰ অন্যতম "পাৰিজাত হৰণ" নাটখনি প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা প্ৰদৰ্শন কৰা হ'ব বুলি নাটঘৰ মাজুলীৰ সম্পাদক গৌতম শইকীয়াই জানিবলৈ দিয়ে।

# ৫৫ নং ধিঙ বিধানসভা সমষ্টিত কংগ্ৰেছ দলৰ ব্যাপক তৎপৰতা



**অসম বাৰ্তা, বটদ্ৰৱা, ২১ ডিচেম্বৰ ঃ** কটহগুৰিত অনুষ্ঠিত হোৱা সভাত সবল ভাৱে উচ্ছাৰিত হৈছে অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদিকা আনোৱাৰা চুলতানা বেগমৰ নাম। এ আই ডি এফৰ দখলত থকা ৫৫ নং ধিং সমষ্টিত পুনৰুত্থান হ'ব পাৰে কংগ্ৰেছ। ধিং সমষ্টিত অব্যাহত কংগ্ৰেছৰ নেত্ৰী তথা টুকটুকী জিলা পৰিষদৰ প্ৰাক্তন সদস্যা আনোৱাৰা চুলতানা বেগমৰ শক্তিশালী নিৰ্বাচনী প্ৰচাৰ অভিযান। ধিং সমষ্টিৰ পঞ্চায়তে -পঞ্চায়তে অব্যাহত আছে আনোৱাৰা চুলতানা বেগমৰ শক্তিশালী প্ৰচাৰ অভিযান। যোৱা এক সপ্তাহ ধৰি সমষ্টিটোৰ অন্তৰ্গত কেইবাখনো গাঁৱত ভোটাৰৰ ঘৰে-ঘৰে গৈ ভোটাৰৰ লগত মত বিনিময় কৰে অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদিকা আনোৱাৰা চুলতানা বেগমে। আজি সমষ্টিটোৰ অন্তৰ্গত কটহগুৰিত বেগমৰ বাসগৃহত এখন সভা অনুষ্ঠিত হৈ যায়। সভাখনত একাংশ কংগ্ৰেছ কৰ্মীৰ মুখত সবল ভাৱে উচ্চাৰিত হয় আনোৱাৰা চুলতানা বেগমৰ নাম। আজি অনুষ্ঠিত হোৱা সভাখনত সমষ্টিটোৰ প্ৰায় পঞ্চায়তৰ মণ্ডল কংগ্ৰেছ আৰু যুৱ কংগ্ৰেছৰ সক্ৰীয় কৰ্মী সকল উপস্থিত আছিল। নেত্ৰী আনোৱাৰা চুলতানা বেগমে ধিং সমষ্টিত কংগ্ৰেছ দলৰ ভেটি অধিক মজবুত আৰু শক্তিশালী কৰাৰ লক্ষ্যৰে এক সপ্তাহ ধৰি দিনে-নিশাই এনেদৰে আপ্ৰাণ চেষ্টা অব্যাহত ৰাখিছে। কেৱল এয়াইনহয়, আগন্তুক ২০২৬চনৰ বিধানসভা নিৰ্বাচনত ধিং সমষ্টিৰ পৰা প্ৰাৰ্থিত্বৰ আবেদন জনায় নিজকে এজন শক্তিশালী প্ৰাৰ্থিত্বি প্ৰত্যাশী হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছে। আনোৱাৰা চুলতানা বেগমে সমান্তৰালভাৱে ধিং সমষ্টিৰ কংগ্ৰেছ দলৰ একাংশ নেতা কৰ্মীয়ে বিচাৰিছে আগন্তুক ২৬ৰ নিৰ্বাচনত আনোৱাৰা চুলতানা বেগমৰ দৰে এজন যোগ্য প্ৰাৰ্থীক।

## ৰূপহীহাটত ড্ৰাগছসহ গ্ৰেপ্তাৰ এক

**অসম বাৰ্তা, ৰূপহীহাট, ২১ ডিচেম্বৰ ঃ** ৰূপহীহাটত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। ৰূপহীহাট আৰক্ষী খানাৰ বিষয়া সুৰুয দত্তই আজি আবেলি এক গোপন সূত্ৰৰ পম খেদি ফাকলিত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই। আৰক্ষীৰ অভিযানত এটা চাবোনৰ বাকচভৰ্তি ড্ৰাগছসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰীজন হল কাঞ্চনপুৰৰ শুকুৰ আলী। শুকুৰ আলীয়ে ড্ৰাগছখিনি ফাকলিৰ পৰা গুণাবাৰী লৈ বিক্ৰী কৰিবলৈ লৈ যোৱাৰ সময়তে ৰূপহীহাট আৰক্ষীৰ জালত পৰে। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ১০.৯৩ গ্ৰাম। ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত সৰবৰাহকাৰীটোক জেৰা অব্যাহত ৰাখিছে।

# উপেন ৰাভা হাকাচামলৈ 'বৰভাগ-ৰত্ন' চানাৰাম কলিতা সোঁৱৰণী বঁটা

**অসম বাৰ্তা, নগাঁও, ২১ ডিচেম্বৰ ঃ** নলবাৰী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, লোক সংস্কৃতিৰ এগৰাকী নিষ্ঠাৎ সাধক তথা সঁচা অৰ্থতে সমাজ প্ৰাণ সাহিত্যিক, বৰভাগ কলেজৰ অৱসৰী অধ্যাপক প্ৰয়াত চানাৰাম কলিতাৰ নামত প্ৰৱৰ্তন কৰা 'বৰভাগ-ৰত্ন' চানাৰাম কলিতা সোঁৱৰণী বঁটা, ২০২৫ বৰ্ষৰ বাবে আগবঢ়োৱা হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক তথা ভাষা-সাহিত্য-সংস্কৃতিৰ বৰেণ্য গৱেষক পণ্ডিত উপেন ৰাভা হাকাচামলৈ। বৰভাগ-ৰত্ন চানাৰাম কলিতা স্মৃতি ৰক্ষা সমিতিৰ সভাপতি ড° পূৰ্ণ ভট্টাচাৰ্য আৰু সম্পাদক ড° মিলন নেওগে এক প্ৰেছ বিজ্ঞপ্তি যোগে এই কথা জানিবলৈ দিছে। অহা ১০ জানুৱাৰীত অসম সাহিত্য সভাৰ ভাগৱতী প্ৰসাদ বৰুৱা ভৱনস্থিত নেহা আগৰৱালা সভাগৃহত বিয়লি ২-৩০বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া সভাত এই বঁটা উপেন ৰাভা হাকাচামক স্মৃতি ৰক্ষা সমিতিৰ হৈ প্ৰদান কৰিব অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট চিন্তাবিদ আৰু লেখক ড° ধ্ৰুৱজ্যোতি বৰাই। উক্ত অনুষ্ঠানতে ড° বৰাই "নামনি অসমৰ ইতিহাস ঃ প্ৰশ্ন কৰাৰ সময়" শীৰ্ষক স্মাৰক বক্তৃতা প্ৰদান কৰিব। বৃহত্তৰ নলবাৰী অঞ্চলৰ অৱহেলিত লোকসংস্কৃতিৰ সমল আৰু ইতিহাসক জীৱনজোৰা সাধনাৰে বিচাৰি বুটলি প্ৰচাৰ কৰাৰ সমান্তৰালভাৱে সাহিত্য সভা আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ নলবাৰী জিলাৰ সভাপতিৰ দায়িত্ব লৈ সাহিত্য-সমাজ সাংগঠনতো গভীৰ দায়বদ্ধতাৰে আত্মনিয়োগ কৰা প্ৰয়াত চানাৰাম কলিতাই বহু সুযোগ সুবিধা পায়ো আপোন ঠাই বৰভাগ এৰি গুৱাহাটীলৈ নাহিল। বৰভাগৰ দৰে ভিতৰুৱা অঞ্চলত থাকিয়েই সাহিত্য চৰ্চা কৰা কলিতাৰ প্ৰকাশিত গ্ৰন্থৰ সংখ্যা প্ৰায় কুৰিখন। কনকলতাৰ সৈতে ১৯৪২ৰ গণ সংগ্ৰামত শ্বহিদ হোৱা মুকুন্দ কাকতি যে বৰভাগ অঞ্চলৰে ব্যক্তি এই কথাও জনচক্ষুৰ সন্মুখলৈ আনিছিল চানাৰাম কলিতাই। এই গৰাকী বৰেণ্য ব্যক্তিৰ স্মৃতি ৰক্ষাৰ বাবেই ২০২৫ বৰ্ষত বৰভাগ-ৰত্ন চানাৰাম কলিতা স্মৃতি ৰক্ষা সমিতি গঠন হয় যদিও ছেপ্টেম্বৰ মাহৰ পৰা অসমৰ পৰিৱেশ শোকাকুল হৈ থকাৰ বাবে ২০২৫ বৰ্ষৰ বাবে বঁটা প্ৰদান অনুষ্ঠানটি ২০২৬ বৰ্ষৰ ১০ জানুৱাৰীলৈ নিবলগীয়া হ'ল। প্ৰেছ বিজ্ঞপ্তিটোৰ জৰিয়তে স্মৃতি ৰক্ষা সমিতিয়ে উক্ত অনুষ্ঠানটোলৈ সকলোকে আদৰণি জনাইছে।

# জাগীৰোডৰ বিশিষ্ট সমাজকৰ্মী জগমোহন কাকতিৰ বিয়োগ

**অসমবাৰ্তা, ধৰমতুল, ২১ ডিচেম্বৰ ঃ** জাগীৰোডৰ নিজৰাপাৰ নিবাসী বিশিষ্ট জ্যেষ্ঠ নাগৰিক তথা সমাজকৰ্মী জগমোহন কাকতিৰ (৮০) বাৰ্ধক্যজনিত কাৰণত যোৱা ২০ ডিচেম্বৰ (২০-১২-২০২৫) ৰাতি ৩ঃ৩০ বজাত পৰলোকপ্ৰাপ্তি ঘটে। ১৯৪৫ চনৰ ১ মাৰ্চত জন্মগ্ৰহণ কৰা কাকতিদেৱ এগৰাকী অতি অমায়িক স্বভাৱৰ আৰু জনপ্ৰিয় ব্যক্তি আছিল। জাগীৰোডৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থকাৰ উপৰিও তেওঁ অসম সাহিত্য সভাৰ জাগীৰোড শাখাৰ সৈতেও সক্ৰিয়ভাৱে জড়িত আছিল। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে-লগে সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে। বিভিন্ন অনুষ্ঠানৰ প্ৰতিনিধি তথা গুণমুগ্ধসকলে তেওঁৰ বাসগৃহত উপস্থিত হৈ নশ্বৰ দেহত ফুলাম গামোচা আৰু পুষ্পৰে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী শকুন্তলা কাকতি, দুই পুত্ৰ জুন্তি কাকতি আৰু নগেন্দ্ৰ কাকতি, দুই বোৱাৰী দেৱজানী বৰদলৈ আৰু দেৱাহুতি ডেকা, নাতিনী মায়াংশী কাকতিসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ বিয়োগত অঞ্চলটোৰ এক অপূৰণীয় ক্ষতি হ'ল বুলি সকলোৱে গভীৰ শোক প্ৰকাশ কৰিছে।

আধ্যাত্মিক চৰ্চা, ভাওনা আৰু সাংস্কৃতিক সমাৰোহেৰে পাঁচদিনীয়া আয়োজন

# আমগুৰিত ২৪ ডিচেম্বৰ পৰা সন্ত সমাৰোহ-২ সন্দৰ্ভত সংবাদমেল

**অসম বাৰ্তা, আমগুৰি, ২১ ডিচেম্বৰ ঃ** আমগুৰি অঞ্চলৰ আধ্যাত্মিক চৰ্চাৰ বৃহৎ অনুষ্ঠান সন্ত সমাৰোহ-২ উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। আঞ্চলিক আধ্যাত্মিক উত্তৰণ সমিতিৰ উদ্যোগত আৰু এৰৈকেশখন গাঁৱৰ ৰাইজৰ সহযোগত অহা ২৪ ডিচেম্বৰৰ পৰা ২৮ ডিচেম্বৰ, ২০২৫ লৈ ভূএগহাটৰ শিৰোমনি সমন্বয় ক্ষেত্ৰত এই সন্ত সম্মিলন-২ আৰু সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত আজি অনুষ্ঠিত এখন সংবাদ মেলত আধ্যাত্মিক উত্তৰণ সমিতিৰ সম্পাদক অভিস্পিত শইকীয়াই সমাৰোহৰ বিস্তৃত কাৰ্যসূচীৰ বিষয়ে অৱগত কৰে। শইকীয়াই সংবাদমেল সম্বোধন কৰি কয় যে, সমাৰোহ সফল ৰূপে অনুষ্ঠিত কৰাৰ মানসেৰে ইতিমধ্যে প্ৰফুল্ল নেওগক সভাপতি, কৃষ্ণ কান্ত ভূএগক কাৰ্যকৰী সভাপতি আৰু সঞ্জীৱ কুমাৰ শইকীয়াক মুখ্য সম্পাদক হিচাপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। ইতিমধ্যে ঘোষিত কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন, দিহানাম সমাৰোহ, ভাওনা সমাৰোহ, ছাত্ৰ-ছাত্ৰীৰ মাজত আলোচনা সত্ৰ, স্মৃতি গ্ৰন্থ উন্মোচন আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। ভাওনা সমাৰোহত পৌৰাণিক আৰ্হিত মুঠ কেইবাখনো নাট মঞ্চস্থ হ'ব। ইয়াৰ ভিতৰত আছে- কালীয় দমন (পৰিচালকঃ উদয় দত্ত), কন্দলি বৃক্ষৰ জন্ম ৰহস্য, দুৰ্বাসা ঋষিৰ গৰ্ব খৰ্ব (সুদৰ্শন সাংস্কৃতিক গোষ্ঠী, নিলখ, ধেমাজী), ভাতৃবধূ (অৱতাৰ নাট্য গোষ্ঠী, গোলাঘাট), পাৰিজাত হৰণ (শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়), বৃহন্নলাৰ গান্ধীৱ ধাৰণ (শংকৰ গুৰু সাংস্কৃতিক গোষ্ঠী, কোঁৱৰপুৰ), শ্ৰীৰাম চন্দ্ৰৰ বৈকুণ্ঠ যাত্ৰা (বিষ্ণুপ্ৰিয়া সাংস্কৃতিক গোষ্ঠী) আৰু কুমৰ হৰণ, হৰিহৰ যুদ্ধ (স্থানীয় চেমনীয়া সকলৰ দ্বাৰা)। ইয়াৰ উপৰিও সমাৰোহত নাগাৰা নাম, সংগীত নাটক অকাডেমী স্বীকৃত মেইটেই পোং কলাকেন্দ্ৰৰ শিল্পীসকলৰ মনিপুৰী নৃত্য, কুইজ প্ৰতিযোগিতা, আই নাম আদি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই পাঁচদিনীয়া সমাৰোহে আমগুৰি অঞ্চলত আধ্যাত্মিক আৰু সাংস্কৃতিক পৰিৱেশ অধিক সমৃদ্ধ কৰিব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে।

# মাজুলীত 'সাংসদ খেল মহোৎসৱ' মাজুলী মাৰাথন সম্পন্ন

**অসম বাৰ্তা, মাজুলী, ২১ ডিচেম্বৰ ঃ** 'যুৱ শক্তিৰ উৎকৰ্ষ সাধনৰ লক্ষ্যৰে ফিট ইণ্ডিয়া অধীনত আজি সাংসদ খেল মহোৎসৱ মাজুলী মাৰাথন অনুষ্ঠিত হয়। সেই উপলক্ষে মাজুলী মাৰাথন পতাকা জোকাৰি শুভ উদ্বোধন কৰে ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাঘেৰিটাই। খেল উদ্বোধন কৰি সাংসদ পবিত্ৰ মাঘেৰিটাই সংবাদ মাধ্যমৰ আগত কয়, মাজুলী সাংস্কৃতিক আৰু আধ্যাত্মিক ভাবে যিদৰে চহকী সেইদৰেই ক্ৰীড়া ক্ষেত্ৰতো আগবঢ়া। সমগ্ৰ যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত চাৰিখন জিলাৰ ক্ৰীড়ামোদী ৰাইজ তথা ক্ৰীড়াবিদ সকলৰ সহযোগিতাৰ আমি সাংসদ ক্ৰীড়া মহোৎসৱ আৰম্ভ কৰিছোঁ। মোৰ সৌভাগ্য যে স্থানীয় সংসদৰ দৰে অন্যান্য উন্নয়নমূলক কামৰ লগতে ক্ৰীড়াৰ ক্ষেত্ৰতো সেৱা আগবঢ়াবলৈ সক্ষম হৈছোঁ। আমি চাৰিখন জিলাৰ দহটা সমষ্টি সামৰি এই ক্ৰীড়া মহোৎসৱ আৰম্ভ




কৰিছোঁ। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অনুপ্ৰেৰণাৰে আমি কৃতজ্ঞ আৰু আমি খুবেই আশাবাদী সমগ্ৰ লোকসভা ভিত্তিত আমি "জিলা মাজুলী মাৰাথন" আৰম্ভ কৰিছোঁ তাত কেৱল অসমৰ পৰাই নহয় দেশৰ ভিন ভিন প্ৰান্তৰ খেলুৱৈ আহি অংশগ্ৰহণ কৰিছে। এই চেগতে মাজুলীৰ বিধায়ক ভুবন গাম, ক্ৰীড়া প্ৰেমী ৰাইজ, আৰক্ষী প্ৰশাসন আদি সকলোৱে সহযোগিতাক আন্তৰিকতাৰে শলাগ লয়। আজি মাজুলী মাৰথান তিনিটা ভাগত অনুষ্ঠিত হয়। ইয়াৰ ভিতৰত হাফ মাৰাথন ২১.১ কিঃমিঃ, মাজুলী অপেন ১০ কিঃমিঃ আৰু গ্ৰেট মাজুলী ৰান ৫ কিঃ মিঃ। ২১ কিঃ মিঃ দৌৰত ছোৱালীৰ শাখাত ঝাৰখাণ্ডৰ অনিতা দাস প্ৰথম, অবলিন মণ্ডল দ্বিতীয়, ৰূপালী মণ্ডল তৃতীয়, ৰূপামণি পগাগ চতুৰ্থ, মাৰাতা ওৰাং পঞ্চম স্থান লাভ কৰে। একেদৰেই লৰাৰ শাখাত নাগালেণ্ডৰ নাহঁতেই এন ৰাংনাও প্ৰথম, ব্ৰজেন টাই দ্বিতীয়, তিখেশ্বৰ পেগু তৃতীয়, অঞ্জু পেগু চতুৰ্থ, ৰমেন চিন্তেই পঞ্চম স্থান লাভ কৰে। আজিৰ ২১ কিঃ মিঃ দৌৰ প্ৰতিযোগিতাৰ উল্লেখযোগ্য সফলতা বুলি দৰ্শক আৰু ক্ৰীড়া প্ৰেমী সকলে উজ্জ্বল ভৱিষ্যত কামনা কৰি আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে যোৰহাটৰ ৯ বছৰীয়া কণমানি জ্যোতিষ্মা শইকীয়াক। জ্যোতিষ্মাই আন আন দৌৰবিদৰ দৰে দুৰান্তভাৱে দৌৰি একেৰাহে ২১ কি: মি দৌৰ সম্পূৰ্ণ কৰি একপ্ৰকাৰ অভিলেখ স্থাপন কৰিবলৈ সক্ষম হয়। মাজুলীৰ এগৰাকী জ্যেষ্ঠ আৰু বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰতাপ বৰুৱা আঁত ধৰা উদ্বোধনী অনুষ্ঠানত সাংসদ গৰাকীৰ লগত মাজুলী জিলা আয়ুক্ত ৰাতুল পাঠক, জ্যেষ্ঠ আৰক্ষী অধীক্ষক হুৰেন তকবি, যোৰহাট জিলা বিজেপি সভাপতি শান্তনু পূজাৰী, মাজুলী জিলা বিজেপি সভাপতি দীপক গোস্বামী, সমাজকৰ্মী মনোজ বৰা, বীৰেন শইকীয়া আদি বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে।

অসহায় অৱস্থাত উদ্ধাৰ এগৰাকী বৃদ্ধা আইতাক দুই মুছলমান যুৱকৰ

# ধৰ্মৰ সীমা অতিক্ৰম কৰি মানৱতাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিলে অভয়াপুৰীৰ দুই মুছলমান যুৱকে



**অসম বাৰ্তা, অভয়াপুৰী, ২১ ডিচেম্বৰ ঃ** শুকুৰবাৰে লেংটিছিঙাৰ সমীপৰ ডুমেৰগুৰীৰ জগদীশ দাস নামৰ ব্যক্তিজনৰ ঘৰৰ সন্মুখত কোনো অচিনাক্ত ব্যক্তিয়ে এখন ই-ৰিক্সাৰে পেলাই থৈ যায় এগৰাকী বৃদ্ধাক। এই ঘটনাৰ খবৰ লেংটিছিঙা থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ পৰা পোৱাৰ পিছতে বাতৰিৰ বাবে ঘটনাস্থলীত উপস্থিত হৈ বৃদ্ধাগৰাকীক লগ কৰে সাংবাদিক ইনামুল আহমেদ আৰু নাছিৰ উদ্দিনে। লগতে সহায়ৰ হাত আগবঢ়ায় শিক্ষক ড° ছিৰখাত হুছেইনে। বৃদ্ধা আইতা গৰাকীক সোধ-পোচৰ পাছত জনা গ'ল বৃদ্ধাগৰাকীৰ নাম শান্তি বালা গোস্বামী। তেওঁৰ কোনো আত্মীয়-স্বজন নাই বুলি প্ৰকাশ কৰে আইতা গৰাকী। তেনে অৱস্থাত মানবীয় দৃষ্টিকোণৰ পৰা অভয়াপুৰীৰ বয়োজ্যেষ্ঠ আশ্ৰমৰ সৈতে যোগাযোগ কৰে সাংবাদিক ইনামুল আহমেদ আৰু নাছিৰ উদ্দিনে। আশ্ৰম কৰ্তৃপক্ষৰ হৈ সাংবাদিক বিনোদ বিহাৰী নাথৰ সঁহাৰি পোৱাৰ পিছত আইতা শান্তি বালা গোস্বামীক সুৰক্ষিতভাৱে অভয়াপুৰীৰ বয়োজ্যেষ্ঠ আশ্ৰমলৈ উদ্ধাৰ কৰি লৈ আনে সাংবাদিকদ্বয়ে। পিছত আশ্ৰমত বৃদ্ধা আইতা গৰাকীৰ থকাৰ উপযুক্ত ব্যৱস্থা কৰি দিয়া হয়। এই ঘটনাই পুনৰ এবাৰ প্ৰমাণ কৰিলে- মানৱতা সকলো ধৰ্মৰ উৰ্ধত। সমাজৰ এই ধৰণৰ সহযোগিতাই অসহায় লোকসকলৰ জীৱনলৈ কঢ়িয়াই আনে নতুন আশাৰ পোহৰ। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বেও সাংবাদিক ইনামুল আহমেদ, বিনোদ বিহাৰী নাথ সকলৰ সহযোগত শিক্ষক ড° ছিৰখাত হুছেইনে পথৰ দাঁতিৰ পৰা পৰিত্যক্ত অৱস্থাত এগৰাকী আইতাক উদ্ধাৰ কৰি অভয়াপুৰীৰ বয়োজ্যেষ্ঠ আশ্ৰমত ৰাখি পিছলৈ সামাজিক মাধ্যমৰ সহায়ত নিজৰ পৰিয়ালৰ হাতত চমজাই দিছিল। সাংবাদিক ইনামুল আহমেদ আৰু নাছিৰ উদ্দিনৰ এনে মহানুভৱতা আৰু মানবীয়তাৰ বাবে সকলোৱে ভূয়সী প্ৰশংসা কৰিছে।

## ৰাষ্ট্ৰপতি চাহবুদ্দিনৰ পুত্তলিকা দাহ কৰি আমছুৰ তীব্ৰ হুংকাৰ

# বাংলাদেশত হিন্দু যুৱকক নৃশংস হত্যাৰ বিৰুদ্ধে বঙাইগাঁৱত উত্তাল প্ৰতিবাদ



**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ২১ ডিচেম্বৰ ঃ** চুবুৰীয়া দেশ বাংলাদেশত সংখ্যালঘু হিন্দু ধৰ্মাৱলম্বী লোকৰ ওপৰত চলোৱা নিৰ্মম নিৰ্যাতন আৰু হত্যাকাণ্ডৰ বিৰুদ্ধে আজি বঙাইগাঁও জিলাত এক তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলাখনৰ ৰাখালডুবি অঞ্চলৰ ডাউকীঝাৰত সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা (AAMSU)ৰ বঙাইগাঁও জিলা সমিতিৰ উদ্যোগত এই প্ৰতিবাদ সাব্যস্ত কৰা হয়। প্ৰতিবাদকাৰীসকলে যোৱা ১৮ ডিচেম্বৰত বাংলাদেশত দীপু চন্দ্ৰ দাস নামৰ এজন সংখ্যালঘু হিন্দু ব্যক্তিক নিৰ্মমভাৱে ৰাজপথৰ গছত বান্ধি হত্যা কৰা ঘটনাক তীব্ৰ ভাষাৰে নিন্দা জনায়। এই নৃশংস হত্যাকাণ্ডৰ প্ৰতিবাদত আৰু বাংলাদেশ চৰকাৰৰ ব্যৰ্থতাৰ বিৰুদ্ধে ক্ষোভ উজাৰি আমছুৰ কৰ্মীসকলে বাংলাদেশৰ ৰাষ্ট্ৰপতি মহম্মদ চাহবুদ্দিনৰ পুত্তলিকা দাহ কৰে। সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থাৰ বঙাইগাঁও জিলা সমিতিৰ সভাপতি চান্দাম হুছেইনৰ নেতৃত্বত চলা এই প্ৰতিবাদী কাৰ্যসূচীত শতাধিক কৰ্মীয়ে অংশগ্ৰহণ কৰি আকাশ-বতাহ কঁপাই 'বাংলাদেশ চৰকাৰ মুৰ্দাবাদ', 'সংখ্যালঘুৰ ওপৰত অত্যাচাৰ বন্ধ কৰক' আদি বিভিন্ন শ্ল'গান দিয়ে। সংবাদ মাধ্যমৰ আগত সভাপতি চান্দাম হুছেইনে কয় যে মানৱতাক ভৰিৰে মোহাৰি চলোৱা এনে ধৰণৰ বৰ্বৰ কাণ্ড কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। তেওঁ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এই ঘটনাৰ তদন্ত কৰি দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়।

# চামগুৰিত বিজেপিৰ গড়াজান সংখ্যালঘু মৰ্চাৰ সভাপতি আনিচুজ জামানক আনুষ্ঠানিকভাৱে দায়িত্ব অৰ্পণ



**অসম বাৰ্তা, ৰূপহীহাট, ২১ ডিচেম্বৰ ঃ** ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই ৰাজনৈতিক দলসমূহে নিজৰ নিজৰ ভেটি শক্তিশালী কৰিবলৈ উঠিপৰি লাগিছে। তাৰ ব্যতিক্ৰম নহয় বিজেপি দল। আজি চামগুৰি সমষ্টিৰ অন্তৰ্গত গড়াজান মণ্ডলৰ সংখ্যালঘু মৰ্চাৰ সভাপতি আনিচুজ জামানক আনুষ্ঠানিক ভাৱে গধুৰ দায়িত্ব অৰ্পণ কৰে। ভাৰতীয় জনতা পাৰ্টীৰ ভাতৃ সংগঠন সংখ্যালঘু মৰ্চাৰ ভেটি শক্তিশালী কৰাৰ উদ্দেশ্যে এই সভা অনুষ্ঠিত হয়। যিহেতু কে চামগুৰি সমষ্টিটোত সংখ্যালঘু ভোটাৰে প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব। বিজেপিয়ে ২০২৬ৰ বিধানসভা নিৰ্বাচনত চামগুৰি দখলৰ বাবে বিজেপিৰ সংখ্যালঘু নেতা সকলে নিৰ্বাচনী কুচকাৱাজ আৰম্ভ কৰিছে। আজিৰ সভাত উপস্থিত থাকে নগাঁও জিলাৰ ভাৰতীয় জনতা পাৰ্টী সংখ্যালঘু মৰ্চাৰ সভাপতি নুৰুদ্দিন আহমেদ, ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সদস্য তথা চামগুৰি সমষ্টিৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী যুৱ নেতা নাজিৰ হুছেইন। নগাঁও জিলাৰ সাধাৰণ সম্পাদক জিতু বৰাৰ লগতে বিজেপি দলৰ কৰ্মকৰ্তা সকল।

# পুৰণি বন্ধুবৰ্গৰ সৈতে ক্ৰিকেট খেলি আনন্দ ল'লে কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰহঁত

**অসম বাৰ্তা, ধনশিৰি, ২১ ডিচেম্বৰ ঃ** নিজ ঘৰুৱা ঠাইত পুৰণি বন্ধুবৰ্গৰ সৈতে ক্ৰিকেট খেলি সময় কটালে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰগোহাঁয়ে। দেওবাৰে সৰুপথাৰ নগৰৰ ৰাজহুৱা খেলপথাৰত নটসূৰ্য্য ক্লাবৰ উদ্যোগত হিয়াৰ আমঠু জুবিন গাৰ্গৰ স্মৃতিত এখনি প্ৰীতি ক্ৰিকেট খেল অনুষ্ঠিত হয়। ক্ৰিকেট খেলখন নটসূৰ্য্য ক্লাব, টিআৰচি ক্লাব আৰু পদুমনি ক্লাবৰ মাজত অনুষ্ঠিত হয়। খেলৰ আৰম্ভণিতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰগোঁহাই আৰু সৰুপথাৰ সমজিলা প্ৰশাসনৰ সীমান্ত দণ্ডাধীশ প্ৰিয়মজ্যোতি ফুকনে শ্ৰদ্ধাঞ্জলি জনাই আৰু প্ৰিয়মজ্যোতি ফুকনে সকলো খেলুৱৈক শুভেচ্ছা প্ৰদান কৰি খেলখনৰ শুভ উদ্বোধন কৰে। প্ৰীতি খেলখনৰ চূড়ান্ত খেলখন টিআৰচি ক্লাব আৰু নটসূৰ্য




ক্লাবৰ মাজত অনুষ্ঠিত হয় আৰু নটসূৰ্য ক্লাবে প্ৰথমে বেটিং কৰি ৯৫ৰাণৰ টাৰ্গেট বান্ধি দিয়ে। পৰৱৰ্তী সময়ত টিআৰচি ক্লাবে দুৰ্দান্ত খেল প্ৰদৰ্শন কৰি ৫ উইকেটত জয় লাভ কৰে। কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰই নিজ টেঙাহোলা গাঁৱৰ টিআৰচি ক্লাবৰ হৈ উক্ত প্ৰীতি খেলখন খেলে আৰু জয় লাভ কৰিবলৈ সক্ষম হয়। খেলৰ শেষত শিল্পী গৰাকীয়ে কয় আমি সকলোৱেই প্ৰায়েই ক্ৰিকেট খেলোঁ। সৰুপথাৰ ৰাজহুৱা খেলপথাৰখনৰ লগত আমাৰ সকলোৰে বহুত পুৰণি স্মৃতি জড়িত হৈ আছে। সেয়েহে আমি সকলোৱে জিকিম বুলি নহয় বন্ধুসুলভ মনেৰে খেলখন খেলিলোঁ। আগন্তুক দিনত আৰু এনেধৰণৰ খেল অনুষ্ঠিত হওক আৰু সকলো পুৰণি টীম সমূহ ওলাই আহি নিজৰ মাজত খেলসমূহ হওক খুউব ভাল লাগিব বুলি তেওঁ মন্তব্য আগবঢ়াই। শেষত বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয় আৰু হৰা জিকা সকলো দলৰ খেলুৱৈ সকলে আনন্দ-উল্লাস কৰে।

# চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত বক্তৃতা প্ৰতিযোগিতা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২১ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ৰ মিলনজ্যোতি সংঘৰ উদ্যোগত তথা সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত অনুষ্ঠিত চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত বক্তৃতা প্ৰতিযোগিতাত "কিতাপ নপঢ়া জাতিক গামোচাই বচাব নোৱাৰে"- শীৰ্ষক বিষয়বস্তুলৈ অনুষ্ঠিত কৰা বক্তৃতা প্ৰতিযোগিতাত বিভিন্ন বিদ্যালয়'মহাবিদ্যালয়ৰ প্ৰতিযোগীসকলে সন্মুখত নিজৰ বক্তব্য, চিন্তা, আৰু মতামত এক সুশৃঙ্খল আৰু আকৰ্ষণীয় ধৰণে ডাঙি ধৰে। মিলন জ্যোতি সংঘৰ সদস্য শেখৰ ৰঞ্জন দাসৰ পত্নী শীলা দাসৰ সোঁৱৰণিত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত হোৱা বক্তৃতা প্ৰতিযোগিতাত বিচাৰকৰ আসন অলংকৃত কৰে ডিব্ৰুগড়ৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হৃদয় চৌধুৰী, চল্ট ব্ৰুক একাডেমীৰ ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক চন্দন পাঠকে। অনুষ্ঠানত মিলন জ্যোতি সংঘৰ সভাপতি অমিয় হাজৰিকা- কুশল কোঁৱৰ, গোবিন চাংমাইকে প্ৰমুখ্য কৰি বহুকেইগৰাকী সন্মানীয় ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে এনে ধৰণৰ বক্তৃতা প্ৰতিযোগিতাই অসমীয়া জাতিক বিশ্বৰ বুকুত শক্তিশালীভাৱে প্ৰতিষ্ঠা কৰাৰ যাত্ৰাত সফলতা অৰ্জন কৰিব।

অঞ্চলজুৰি শোকৰ ছাঁ

# আমগুৰি পৌৰসভাৰ প্ৰাক্তন ৱাৰ্ড সদস্যা সুমিত্ৰা গগৈৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, আমগুৰি, ২১ ডিচেম্বৰ ঃ** আমগুৰি পৌৰসভাৰ এলেকাধীন ১নং ৱাৰ্ড নিৱাসী তথা পৌৰসভাৰ প্ৰাক্তন ৱাৰ্ড সদস্যা সুমিত্ৰা গগৈ(৬৮)ৰ আজি পুৱতি নিশা বাধক্যজনিত কাৰণত নিজা বাসগৃহত মৃত্যু হয়। ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ এগৰাকী জ্যেষ্ঠ কৰ্মী সুমিত্ৰা গগৈৰ মৃত্যুত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰিছে। সৰবৰহী গগৈয়ে মৃত্যুৰ সময়ত স্বামী, দুজন পুত্ৰ-বোৱাৰী, এগৰাকী জী-জোঁৱাই, নাতি-নাতিনী সহ বহু আত্মীয়ডক ইহ সংসাৰত এৰি থৈ যায়। জ্যেষ্ঠ কংগ্ৰেছ কৰ্মী তথা প্ৰাক্তন ৱাৰ্ড সদস্যা গৰাকীৰ মৃত্যুত বিধায়ক দেৱব্ৰত শইকীয়া, আমগুৰি নগৰ ব্লক কংগ্ৰেছ কমিটি, শিৱসাগৰ জিলা কংগ্ৰেছ, আমগুৰি পৌৰসভা আদিয়ে শোক প্ৰকাশ কৰি পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# দিল্লীত আম্বেদকাৰ নেচনেল ফেল'শ্বিপ বঁটা-২০২৫ৰে সন্মানিত হাঁহচৰাৰ সমাজহিতৈষী মনোমালা হাজৰিকা

**অসম বাৰ্তা, আমগুৰি, ২১ ডিচেম্বৰ ঃ** নতুন দিল্লীৰ সৰ্বভাৰতীয় সাহিত্য আৰু সামাজিক সংস্থা দলিত সাহিত্য একাডেমিৰ উদ্যোগত অনুষ্ঠিত ৪১ সংখ্যক বাৰ্ষিক সাহিত্য আৰু সাংস্কৃতিক সমাৰোহ যোৱা ১১ আৰু ১২ ডিচেম্বৰ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে সফলতাৰে সম্পন্ন হয়। দিল্লীৰ বুৰাৰী বাইপাচৰ কাযত অৱস্থিত পঞ্চশীল আশ্ৰমৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই সমাৰোহত দেশৰ বিভিন্ন ৰাজ্যৰ সাহিত্যিক, সমাজকৰ্মী আৰু বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিয়ে অনুষ্ঠানটোক অত্যন্ত গাম্ভীৰ্যপূৰ্ণ কৰি তোলে। দলিত সাহিত্য একাডেমিৰ ৰাষ্ট্ৰীয় সভাপতি ড° এচ পি সুমনাক্ষৰ অধ্যক্ষতাত সমাৰোহখনি অনুষ্ঠিত হয়। অনুষ্ঠানত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সত্য নাৰায়ণ জাতিয়া, সংঘপ্ৰিয়া গৌতমকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। এই উপলক্ষে দেশৰ ১৩খন ৰাজ্যৰ সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ উল্লেখযোগ্য অৱদান আগবঢ়োৱা একাধিক ব্যক্তিক সন্মানজনক "আম্বেদকাৰ নেচনেল ফেল'শ্বিপ বঁটা-২০২৫" প্ৰদান কৰা হয়। এই বঁটা লাভ কৰা সকলৰ ভিতৰত অসমৰ যোৰহাট জিলাৰ হাঁহচৰা চাৰিআলি নিবাসী মনোমালা হাজৰিকাও অন্যতম। অসম চৰকাৰৰ এগৰাকী শিক্ষয়িত্ৰী হোৱাৰ লগতে তেখেত এগৰাকী ৰাজ্যিক পৰ্যায়ৰ খেলুৱৈ, কণ্ঠশিল্পী আৰু সমাজহিতৈষী মহিলা হিচাপেও পৰিচিত। সমাজলৈ আগবঢ়োৱা তেখেতৰ বহুমুখী সামাজিক অৱদানৰ স্বীকৃতি স্বৰূপে দলিত সাহিত্য একাডেমিয়ে তেখেতলৈ এই সন্মান আগবঢ়ায়। মনোমালা হাজৰিকাৰ এই সফলতাত অসমৰ লগতে যোৰহাট জিলাৰ বিভিন্ন সামাজিক, সাহিত্যিক আৰু সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে বহু শুভাকাংক্ষীয়ে তেখেতক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। বঁটা গ্ৰহণৰ পাছত মনোমালা হাজৰিকাই দলিত সাহিত্য একাডেমিক এই সন্মান প্ৰদান কৰাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে আগন্তুক দিনত সমাজসেৱামূলক কাম-কাজত অধিক দায়িত্ববোধেৰে আগবাঢ়িবলৈ অনুপ্ৰেৰণা লাভ কৰিছে বুলি মত প্ৰকাশ কৰে।

গাৰ্ডৱালৰ ওপৰেৰে পুনৰ সাদনৰ যো-জা

# মুখ্যমন্ত্ৰীৰ সমষ্টিত প্ৰশাসনৰ নিৰ্দেশ অমান্য অসাধু চক্ৰৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২১ ডিচেম্বৰ ঃ** উত্তৰ গুৱাহাটীত বালি মাফিয়াই পুনৰ নৈৰাজ্যৰ সৃষ্টি কৰিছে। নৈৰ বালিমাটি সাদনৰ নামত জলসম্পদ বিভাগে কেইবা কোটি ব্যয়ৰে নিৰ্মাণ কৰা গাৰ্ডৱালৰ ওপৰেৰে পুনৰ এটা অসাধু চক্ৰই সাদনৰ প্ৰস্তুতি চলাবলৈ ধৰিছে। ইয়াকলৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে সচেতন ৰাইজৰ মাজত। চলিত বৰ্ষতে নিৰ্মাণ সমাপ্ত হোৱা উত্তৰ গুৱাহাটী নগৰৰ মধ্যমখণ্ড পাৰঘাটৰ পৰা শিলসাঁকোলৈ প্ৰায় ২ কিল'মিটাৰ দৈৰ্ঘ্যৰ এই গাৰ্ডৱাল নিৰ্মাণৰ পিছতে নৈৰ বালি সাদন চক্ৰই তিনি স্থানত সাদনৰ বাবে গাৰ্ডৱালৰ ওপৰত মাটি পেলাই সাজু কৰিছিল। এই গাৰ্ডৱালৰ গেৰাণ্টি যিহেতু এবছৰলৈ নিৰ্ধাৰণ কৰা হৈছিল সেইহেতুকে ঠিকাদাৰে কামৰূপ আয়ুক্তক এই বেআইনী কাৰ্যৰ বিৰুদ্ধে অভিযোগ দি কাম বন্ধ কৰিবলৈ আবেদন জনাইছিল। জলসম্পদ বিভাগৰ এই গাৰ্ডৱালৰ ক্ষতিৰ আশংকাত বিভাগীয়ভাৱেও কামৰূপ আয়ুক্তক অভিযোগ দাখিল কৰিছিল। সেইমৰ্মে এমাহ পুৰ্বে বেআইনী তিনি সাদন বন্ধ কৰিবলৈ কামৰূপ প্ৰশাসনে নিৰ্দেশ দিয়ে। প্ৰশাসনে অভিযোগৰ চৰজমিন তদন্ত কৰি অবৈধ বালি সাদন ধ্বংস কৰি কঠোৰ সকিয়নি দিয়ে সাদনৰ গৰাকীক। পিছে এমাহ নহওতেই পুনৰ অসাধু চক্ৰটোৱে চৰকাৰী নিৰ্দেশ একাশৰীয়া কৰি পুনৰ সাদনৰ বাবে গাৰ্ডৱালৰ ওপৰত মাটি পেলাবলৈ আৰম্ভ কৰিছে। চৰকাৰী সম্পত্তি ধ্বংস কৰি এইদৰে সাদন খোলা তথা মাটি পেলোৱাকলৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা অনুসৰি এই কাৰ্যত বন বিভাগৰ লোকে বাধা দিবলৈ আহিও বিফল হৈছে। বিভাগীয় বিষয়া কৰ্মচাৰীয়ে বাধা প্ৰদান কৰিব আহিলে তেওঁলোকক দিছপুৰীয়াৰ ভাবুকি প্ৰদান কৰি বালি মাফিয়াই অপদস্থ কৰাৰো বু বা চলিছে। এতিয়া উত্তৰ গুৱাহাটীত একাংশ বন ও বালি মাফিয়াই দিছপুৰীয়াৰ নাম লৈ নিজকে সৰ্বেসৰ্বা ভাবি পাহাৰৰ ৰঙামাটিৰ পৰা নদীৰ বালিমাটি আদি সম্পূৰ্ণ অবৈধভাৱে খনন ও পৰিবহণ কৰিবলৈ উদগ্ৰীব হৈ পৰিছে। যাৰ বাবে সচেতন মহলৰ লগতে স্থানীয় দল-সংগঠনে এই সকল মাফিয়াক নিয়ন্ত্ৰণ কৰিবলৈ স্থানীয় বিধায়ক তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ইয়াৰ ওপৰত হস্তক্ষেপ বিচৰাৰ লগতে কামৰূপ জিলা প্ৰশাসনক সাদন বন্ধ কৰাৰ উপৰিও উত্তৰ গুৱাহাটী অঞ্চলত বন ও বালি মাফিয়াই চলাই থকা অবৈধ কাৰ্যকলাপ সমূহো বন্ধ কৰাৰ দাবী উত্থাপন কৰিছে। এতিয়া এইসমূহ কথা সংবাদ মাধ্যমৰ জৰিয়তে জ্ঞাত হোৱাৰ পিছত প্ৰশাসন ও মুখ্যমন্ত্ৰীয়ে ইয়াৰ ওপৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব নে ইয়াৰ ওপৰত কোনোধৰণৰ কঠোৰ পদক্ষেপ গ্ৰহণ নকৰি এইসকল মাফিয়াক উৎসাহিত কৰিব তাৰেই ওপৰত দৃষ্টি নিবদ্ধ ৰাখিছে দল-সংগঠনৰ লগতে সচেতন মহলে।

# ইউপিএলত চেলেঞ্জাৰ চিচি নলবাৰী চেম্পিয়ন

**অসম বাৰ্তা, টংলা, ২১ ডিচেম্বৰ ঃ** ওদালগুৰি ইউপিএল(UPL) খেল পৰিচালনা সমিতিৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা তৃতীয় সংস্কৰণ ওদালগুৰি প্ৰীমিয়াৰ লীগৰ আজিৰ চূড়ান্ত খেলখন চেলেঞ্জাৰ চিচি নলবাৰী বনাম ইটাখোলা ক্ৰিকেট ক্লাবৰ মাজত অনুষ্ঠিত হয়। খেলখনত নলবাৰীয়ে ইটাখোলাক ছয় উইকেটত পৰাস্ত কৰে। আজিৰ চূড়ান্ত খেলখন উদ্বোধন কৰে বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য ড° নিলোৎ স্বৰ্গীয়াৰীয়ে। টছত জিকি প্ৰথমে বেট ধৰি ইটাখোলাই নিৰ্দ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১৭ ৰান সংগ্ৰহ কৰে। নলবাৰীৰ প্ৰদীপ সৰকাৰ আৰু দ্বিপজ্যোতি বৰুৱাই তিনিটাকৈ উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত বেট ধৰি নলবাৰীয়ে ১৪.৫ অভাৰত চাৰিটা উইকেট পতনেৰে জয়ৰ লক্ষ্যত উপনীত হয়। আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে নলবাৰীৰ প্ৰদীপ সৰকাৰে, প্ৰতিযোগিতাখনিৰ শ্ৰেষ্ঠ




খেলুৱৈৰ সন্মান লাভ কৰে নৱজ্যোতি ক্ৰিকেট ক্লাবৰ জাকাৰিয়া ৱাহিদে, অৰেঞ্জ কেপ লাভ কৰে ঢেকীয়াজুলিৰ শ্ৰাৱন কুমাৰ খাউণ্ডে, পাৰ্পল কেপ লাভ কৰে নলবাৰীৰ দ্বিপজ্যোতি বৰুৱাই। বিজেতা দলক ট্ৰফীসহ নগদ ৩০ হাজাৰ টকা প্ৰদান কৰে জিলা বিজেপিৰ সভাপতি তথা বিটিচিৰ পাৰিষদ অজয় কুমাৰ হাজৰিকা আৰু সুজিৎ সৰকাৰে। বিজয়ী দলক ট্ৰফীসহ নগদ ৬০ হাজাৰ টকা প্ৰদান কৰে জিলা আয়ুক্ত পুলক পাটগিৰি, জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক পদ্মনাভ বৰুৱা, ওদালগুৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মনোজ্জ্বল গগৈয়ে।

জল জীৱন মিছন বৰ্তমান জয়ন্তৰ জেপত মানিলৈহে ৰূপান্তৰ হৈছে

# নগাঁৱত কংগ্ৰেছ কৰ্মীৰ প্ৰতিবাদ

## জল জীৱন মিছনৰ বিফলতা আৰু দুৰ্নীতিৰ বিৰুদ্ধে কংগ্ৰেছ কৰ্মীৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, নগাঁও, ২১ ডিচেম্বৰ ঃ** নগাঁও জিলা কংগ্ৰেছ কমিতিৰ উদ্যোগত আৰু পাখিমৰীয়া ব্লক কংগ্ৰেছ আৰু ৰহা ব্লক কংগ্ৰেছৰ সহযোগত আজি এক প্ৰতিবাদী কাৰ্যসূচীৰ ৰূপায়ণ কৰা হয়। প্ৰতিবাদী কাৰ্যসূচীটিৰ মূল উদ্দেশ্য আছিল বৰ্তমানৰ ভাৰত চৰকাৰৰ অধিনস্থ তথা ৰাজ্যৰ বিজেপি চৰকাৰৰ এক অভিলাষী আঁচনি হ'ল জল জীৱন মিছন। ইয়াৰ মূল শ্ল'গান আছিল "হৰ ঘৰ জল"। এটুপি বিশুদ্ধ খোৱা পানীৰ বাবে হাহাকাৰ কৰি থকা ৰাজ্যৰ লাখ লাখ দৰিদ্ৰ জনতাৰ বাবে বাবে এটুপি বিশুদ্ধ খোৱাপানী চৰকাৰখনে যোগান ধৰাটো। কিন্তু ৰাজ্যৰ বিয়াগোম জনস্বাস্থ্য কাৰীকৰি বিভাগলৈ কেন্দ্ৰীয় চৰকাৰে মুকলাই দিয়া জল জীৱনৰ মিছনৰ নামত অহা টকা ক'ত গ'ল কাৰ পকেটত সুমাল ইয়াৰ হিচাপ কৰিবলৈ যে এতিয়া কোনো নাই। কংগ্ৰেছ কৰ্মী সকলৰ প্ৰতিবাদত আজি সকলোৱে মাজত এটাই কথা যে জনস্বাস্থ্য কাৰীকৰি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অসমত জল জীৱন মিছন সফল কৰাত সম্পূৰ্ণ




ৰূপে ব্যৰ্থ হৈছে। জয়ন্ত মল্লৰ কাম নাই। জল জীৱন মিছনৰ ঠিকাদাৰে কাম সম্পূৰ্ণ কৰাৰ পিচতো জল জীৱন মিছনৰ নলীৰে গৃহস্থৰ ঘৰলৈ বিশুদ্ধ খোৱা নাই আহি নপৰে। জল জীৱন মিছন এতিয়া "জয়ন্ত জেপত মানি" শীৰ্ষক বাণীলৈহে পৰিনত হৈছে। তাৰ বাহিৰে একো নহল জল জীৱন মিছনৰ কাম। কেন্দ্ৰীয় চৰকাৰে জল জীৱন মিছনৰ বাবে ১৮হাজাৰ কোটি টকাৰো অধিক টকা আৱন্তন দিয়াৰ পাছতো কিয় অসমত জলজীৱন মিছনে সুফল নাপালে বোলে আজি কংগ্ৰেছ কৰ্মী সকল জাঙুৰ খাই উঠে। জলজীৱন মিছনৰ বিফলতা আৰু দুৰ্নীতিৰ বাবে বিভিন্ন শ্ল'গান দি প্ৰতিবাদ সাব্যস্ত কৰে আজি উপস্থিত কংগ্ৰেছ কৰ্মী সকলে। আজিৰ এই প্ৰতিবাদত নগাঁও জিলা কংগ্ৰেছ কমিতিৰ সাধাৰণ সম্পাদক উৎপল বনিয়া, যুৱ নেতা ড° অসীম কুমাৰ দাস, সুৰজিৎ দাস, জ্যোতিপ্ৰসাদ শইকীয়াকে প্ৰমুখ্যে কৰি জিলা কংগ্ৰেছৰ বিষয়ববীয়া সকল, পাখিমৰীয়া আৰু ৰহা ব্লক কংগ্ৰেছৰ বিষয়ববীয়া সকলৰ লগতে বহু কংগ্ৰেছ কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# গোহাঁইবাৰী ফুটবল প্ৰতিযোগিতাত গেলেকী স্প'ৰ্টছ একাডেমীৰ খিতাপ দখল

**অসম বাৰ্তা, গেলেকী, ২১ ডিচেম্বৰ ঃ** মিছাজান গোহাঁইবাৰী খেলপথাৰত অনুষ্ঠিত প্ৰয়াত ভাগ্যজ্যোতি বড়া সোঁৱৰণি ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত মেচত গেলেকী স্প'ৰ্টছ একাডেমীয়ে বিজয়ী খিতাপ দখল কৰিবলৈ সক্ষম হৈছে। অনুষ্ঠিত প্ৰতিযোগিতাৰ চূড়ান্ত মেচত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই টিফুক জুনিয়ৰ ফুটবল একাদশ বনাম গেলেকী স্প'ৰ্টছ একাডেমী একাদশে। এই চূড়ান্ত মেচত গেলেকী স্প'ৰ্টছ একাডেমী একাদশে টিফুক জুনিয়ৰ ফুটবল একাদশক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি চূড়ান্ত বিজয়ী খিতাপ দখল কৰিবলৈ সক্ষম হয়। এই খিতাপ দখলে গেলেকী স্প'ৰ্টছ একাডেমীৰ প্ৰশিক্ষণৰত খেলুৱৈসকলক অধিক উৎসাহিত কৰিব। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয় টিফুক ফুটবল একাদশ দলৰ খেলুৱৈ অৰিন্দম কুৰ্মী আৰু চূড়ান্ত মেচৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয় গেলেকী স্প'ৰ্টছ একাডেমীৰ খেলুৱৈ চাহিল পাঙগিঙ। আনহতে ফাইনেল মেচৰ শ্ৰেষ্ঠ গ'ল ৰক্ষকৰ সন্মান লাভ কৰে টিফুক জুনিয়ৰ ফুটবল একাদশৰ গ'ল ৰক্ষক হেমন কৈৰী। আজিৰ এই চূড়ান্ত মেচখন উপভোগ কৰিবলৈ স্থানীয় শ-শ লোকৰ সমাগম ঘটে গোহাঁইবাৰী খেলপথাৰত।

# দোতমাত "দাওহাৰু মুংখ্লং ট্ৰফী" ফুটবল চূড়ান্ত খেল

**অসম বাৰ্তা, দোতমা, ২১ ডিচেম্বৰ ঃ** দোতমাত প্ৰতিবছৰৰ দৰে ২০২৫ৰ ২৭ সংখ্যক "দাওহাৰু মুংখ্লং ট্ৰফী" ফুটবল চূড়ান্ত খেলখন আজি অনুষ্ঠিত হয়। খেলখনত মুখ্য অতিথি হিচাপে বিটিচি প্ৰধান শ্ৰীযুত হাগ্ৰামা




মহিলাৰী ডাঙৰীয়া উপস্থিত থাকে আৰু লগতে বিটিচিৰ ইএম, এমচিএলএৰ লগতে বহুতো বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। আজিৰ চূড়ান্ত খেলখনত ফেৰেঙ্গা ক্লাবে বিজয়ী দল হিচাপে ট্ৰফী লাভ কৰে। আয়োজক সমিতিয়ে জনোৱা মতে ১০-১২-২০২৫ তাৰিখৰ পৰা আৰম্ভ হৈ আজি চূড়ান্ত খেলখন অনুষ্ঠিত হয়। এই ঐতিহ্যবাহী ক্ৰীড়া প্ৰতিযোগিতাই কেৱল খেলুৱৈসকলৰ প্ৰতিভাই নহয়, বৰঞ্চ সমগ্ৰ অঞ্চলটোৰ একতা, শৃংখলা আৰু উদ্যমকো প্ৰতিফলিত কৰে। এনে ক্ৰীড়া প্ৰতিযোগিতাই যুৱসমাজক সুস্থ জীৱনশৈলী, দলগত ভাবনা আৰু নেতৃত্বৰ গুণেৰে সমৃদ্ধ কৰে। খেলপথাৰৰ প্ৰতিটো দৌৰ, প্ৰতিটো গ'ল আৰু প্ৰতিটো পৰিশ্ৰমে যুৱপ্ৰজন্মক শিকায়-সংঘৰ্ষেই সফলতাৰ মূল চাবিকাঠি। এই "দাওহাৰু মুংখ্লং ট্ৰফী" হৈছে কোকৰাঝাৰ জিলাৰ দোতমাত অনুষ্ঠিত হোৱা এক বাৰ্ষিক ফুটবল প্ৰতিযোগিতা। এই ফুটবল প্ৰতিযোগিতাখন প্ৰতি বছৰে বড়োলেণ্ড আন্দোলনত আত্মবলিদান দিয়া বড়ো শ্বহীদসকলৰ স্মৃতিত আয়োজন কৰা হয়। এই খেলখন দোতমা আঞ্চলিক ক্ৰীড়া সন্থা চমুকৈ DASAই আয়োজন কৰে। অসমৰ লগতে পশ্চিমবংগ, মেঘালয়, মধ্যপ্ৰদেশ, ছিকিম আদি বিভিন্ন ৰাজ্যৰ দলসমূহে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

# বকোৰ বৰুৱা বামুণবড়ী ইংৰাজী মাধ্যম বিদ্যালয় বাৰ্ষিক বিদ্যালয় সপ্তাহৰ আজি সামৰণি অনুষ্ঠান

**অসম বাৰ্তা, বকো, ২১ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ বকোৰ বৰুৱা বামুণবড়ী ইংৰাজী মাধ্যম বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ গীত মাত, নৃত্যৰে মুখৰিত বিদ্যালয় প্ৰাংগনত। বৰুৱাৰ বামুণবড়ীৰ এখন ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ত যোৱা ১৫ ডিচেম্বৰৰ পৰা আয়োজন কৰা হয় বিদ্যালয় সপ্তাহ। আজি বিদ্যালয় সপ্তাহ অনুষ্ঠানৰ আছিল অন্তিমটো দিন। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা বিদ্যালয় চৌহদৰ পৰা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। পিছত কণ কণ ছাত্ৰ ছাত্ৰীৰ মাজত নাট প্ৰদৰ্শন, দলীয় নৃত্য প্ৰতিযোগিতা আয়োজন কৰে। লগতে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি শ্ৰেষ্ঠতা পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ছাত্ৰ ছাত্ৰীৰ মাজত বঁটা বিতৰণ কৰা হয়। উল্লেখ্য, ৬ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বিদ্যালয় সপ্তাহ অনুষ্ঠানৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অধিবক্তা আব্দুল মান্নাফ চৌধুৰী, নিৰ্দিষ্ট বক্তা ৰূপে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য নগৰমল স্বৰ্গীয়াৰীৰ লগতে বহুসংখ্যক আমন্ত্ৰিত অতিথি। ইফালে সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠানত বিশেষ আকৰ্ষণ হিচাপে মিচ প্ৰীতি আৰু প্ৰিয়মে সংগীতানুষ্ঠান পৰিবেশন কৰিব বুলি জনায় বিদ্যালয়খনৰ পৰিচালন সঞ্চালক ইয়াৰ আলী আহমেদে।

# প্ৰেমহৰাত দেও কুবেৰ শলিতা লগোৱা সঁকাম আয়োজনৰ উদ্দেশ্যে ৰাজহুৱা সভা

**অসম বাৰ্তা, ধনশিৰি, ২১ ডিচেম্বৰ ঃ** বিগত বছৰৰ দৰে এইবাৰো চুতীয়া যুৱ সন্মিলন ধনশিৰি জিলা সমিতিৰ উদ্যোগত চুতীয়া জাতিৰ পৰম্পৰাগত দেও কুবেৰ শলিতা লগোৱা সকাম ভাগি আয়োজনৰ মনস্থ কৰিছে। আজি সেই উদ্দেশ্য আগত ৰাখি প্ৰেমহৰা পঞ্চায়তৰ অন্তৰ্গত সৰু লাংথা গাঁৱৰ প্ৰগতি বীৰপাল সমন্বয় ক্ষেত্ৰত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। চুতীয়া যুৱ সন্মিলন ধনশিৰি জিলা সমিতিৰ সাধাৰণ সম্পাদক দিম্পু বৰাই আঁত ধৰা সভাখনত সভাপতিত্ব কৰে ককাৰ্যকৰী সভাপতি টিকেন্দ্ৰজিৎ বৰাই। উক্ত সভাত শলিতা লগোৱা সকাম ভাগি আয়োজন সম্পৰ্কত ৰাইজৰ মতামত গ্ৰহণকে ধৰি বিভিন্ন কথা-বতৰা আলোচনা হয়। আনহাতে উক্ত সভাৰ মজিয়াতে দেও কুবেৰ শলিতা লগোৱা সকাম ভাগি আয়োজনৰ বাবে সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° প্ৰেমকান্ত বৰাক সভাপতি আৰু ধ্ৰুৱজিত শইকীয়াক সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰে। দেও কুবেৰ শলিতা লগোৱা সকামভাগিৰ লগত সঙ্গতি ৰাখি চুতীয়া যুৱ সন্মিলনে প্ৰগতি বীৰপাল সমন্বয় ক্ষেত্ৰত বিভিন্ন প্ৰতিযোগিতা, সাংস্কৃতিক সমাৰোহ আৰু মুকলি সভাকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ অনুষ্ঠান আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সভাখনত বিশিষ্ট শিক্ষাবিদ নৰেন চুতীয়া, সমাজকৰ্মী জীৱন চুতীয়া, অধ্যাপক ড° প্ৰেমকান্ত বৰা, অধ্যাপক অগ্নি ছেত্ৰীকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি আৰু স্থানীয় ৰাইজ তথা চুতীয়া যুৱ সন্মিলনৰ কেইবাখনো আঞ্চলিকৰ বিষয়ববীয়া উপস্থিত থাকে।

# মাজুলীত ৰাষ্ট্ৰীয় গণিত দিৱস উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ২২ ডিচেম্বৰ ঃ** আজি অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদৰ অন্তৰ্গত উজনি মাজুলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত ৰাষ্ট্ৰীয় গণিত দিৱস উলহ মালহেৰে উদ্‌যাপন কৰা হয়। উজনি মাজুলীৰ ৰতনপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ত শতাধিক ছাত্ৰ ছাত্ৰীৰ মাজত গণিত দিৱসৰ তাৎপৰ্যৰ ওপৰত ব্যাখ্যা দাঙি ধৰে বিজ্ঞান শিক্ষক তথা বিশিষ্ট পৰিবেশ কৰ্মী সুনীল কুমাৰ বৰাই। প্ৰশ্ন উত্তৰ শিতানত বৰা দেৱে গণিতৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মনোযোগ বৃদ্ধি কৰা পৰিলক্ষিত হয় এই কাৰ্যসূচীত। গণিত শিক্ষক অমৰজ্যোতি বৰাই বিভিন্ন কৌশলেৰে গণিতৰ আৰ্হি প্ৰস্তুতৰ ওপৰত হাতে-কামে ছাত্ৰ ছাত্ৰীক দেখুৱাই ছাত্ৰ-ছাত্ৰীৰ মনোযোগ বঢ়াই তুলিছে আজিৰ কাৰ্যসূচীত। উজনি মাজুলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক জয়ন্ত মাধৱ কলিতাই সমগ্ৰ কাৰ্যসূচী আঁত ধৰি আগুৱাই নিয়ে। যি সকল ছাত্ৰ-ছাত্ৰীয়ে আজিৰ কাৰ্যসূচীত দক্ষতাৰ প্ৰমাণ দিয়ে তেওঁলোকক পুৰস্কৃত কৰি গণিতৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰা হয়।

## সম্পাদকীয়

# সংৰক্ষিত ভূমি আৰু নিৰাপত্তাৰ সংকট

পশ্চিম কাৰ্বি আংলঙত সোমবাৰে ঘটা হিংসা, অগ্নিসংযোগ আৰু গুলীচালনাৰ ঘটনাই অসমৰ শান্তি-শৃংখলাৰ বাবে এক গুৰুতৰ সংকটৰ সৃষ্টি কৰিছে। সংৰক্ষিত চৰণীয়া ভূমি (PGR/VGR)ৰ পৰা অবৈধ বসতি উচ্ছেদৰ দাবীত দীৰ্ঘদিন ধৰি চলি থকা শান্তিপূৰ্ণ আন্দোলনটোৱে হিংসাত্মক ৰূপ ধাৰণ কৰাত কাৰ্বি আংলঙ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ বাসগৃহ জ্বলাই দিয়া হয়। ইফালে গুলীচালনাত তিনিজন প্ৰতিবাদকাৰী আৰু এজন চিআৰপিএফ জোৱান আহত হৈছে। এই ৰক্তাক্ত দৃশ্যই আমাৰ মন জোকাৰি দিছে আৰু এনে পৰিস্থিতি কিয় সৃষ্টি হ'ল, তাৰ গভীৰ বিশ্লেষণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। খেৰণি অঞ্চলত পেছাদাৰী চৰণীয়া সংৰক্ষিত ভূমি (PGR) আৰু গাঁও চৰণীয়া সংৰক্ষিত ভূমি (VGR) বুলি কোৱা ভূমিবোৰ স্থানীয় কাৰ্বি আৰু অন্যান্য আদিবাসী সম্প্ৰদায়ৰ ঐতিহ্যগত সম্পদ। এই ভূমিত বহু বছৰ ধৰি অবৈধভাৱে বসতি স্থাপন কৰি থকা বুলি অভিযোগ উত্থাপিত হৈ আহিছে। দাবী অনুসৰি, ইয়াৰ বাবে আদিবাসীসকলৰ জীৱিকা আৰু সম্পদ ক্ষতিগ্ৰস্ত হৈছে। এই ক্ষোভতেই বিভিন্ন ঠাইত অনশন, ধৰ্মঘট আৰু শান্তিপূৰ্ণ হৈছিল। অৱশ্যে, দেওবাৰে নিশা আৰক্ষীয়ে অনশনকাৰীসকলক আটক কৰি গুৱাহাটীলৈ লৈ যোৱাৰ খবৰে পৰিস্থিতি উত্তপ্ত কৰি তোলে। ইয়াৰ প্ৰতিবাদত সোমবাৰে হাজাৰ হাজাৰ লোকে খেৰণিৰ পৰা ডংকামুকামলৈ গৈ প্ৰতিবাদী কাৰ্যসূচী হাতত লয়। এই হিংসাৰ আঁৰত কেইবাটাও কাৰক আছে। প্ৰথমতে, ভূমি সংকটৰ মৌলিক সমাধান নোহোৱাকৈ দীৰ্ঘদিনলৈকে ৰৈ থকাটোৱে অসন্তোষত ইন্ধন যোগাইছে। দ্বিতীয়তে, প্ৰশাসন আৰু প্ৰতিবাদকাৰীসকলৰ মাজত স্পষ্ট তথ্য আদান-প্ৰদান আৰু বিশ্বাসৰ অভাৱ দেখা গৈছে। মুখ্য কাৰ্যবাহী সদস্যই দাবী কৰিছে যে উচ্ছেদৰ বাবে ১৫ দিনৰ জাননী জাৰি কৰা হৈছিল, কিন্তু গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা ৰাজহুৱা স্বাৰ্থৰ গোচৰ (PIL) এ এই কামত বাধা জন্মাইছিল। তেওঁ কয়, "আদালতত গোচৰ চলি থকা অৱস্থাত আমি উচ্ছেদ কৰিব নোৱাৰো।" আনহাতে, প্ৰতিবাদকাৰীসকলে পৰিষদৰ নেতৃত্বই সমস্যা সমাধানত গুৰুত্ব নিদিয়া বুলি ধৰি লৈছে। তৃতীয়তে, পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ পুলিচৰ হস্তক্ষেপ আৰু গুলীচালনাই উত্তাপ আৰু বেছি বঢ়াইছে। ৰাজ্য চৰকাৰেও স্বীকাৰ কৰিছে যে উচ্চ ন্যায়ালয়ৰ অন্তৰ্বৰ্তী আদেশ থকা হেতুকে ততাতৈয়া উচ্ছেদ সম্ভৱ নহয়। এই ঘটনাই সাধাৰণ নাগৰিকৰ মনত অসংখ্য প্ৰশ্নৰ সৃষ্টি কৰিছে। বহুদিন ধৰি চলি থকা ভূমি সমস্যাৰ সমাধানৰ বাবে দীৰ্ঘম্যাদী নীতি কিয় আগবঢ়োৱা নহ'ল? আলোচনাৰ পথ মুকলি থাকোঁতেও হিংসালৈ ৰূপান্তৰ হোৱাটো ৰোধ কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল? পৰিস্থিতি নিয়ন্ত্ৰণৰ নামত পুলিচৰ গুলীচালনা কিমানদূৰ ন্যায্য? প্ৰশাসনে ভৱিষ্যতে এনে উত্তেজনা পুনৰ আৰম্ভ হ'ব নিদিবলৈ কেনে ব্যৱস্থা গ্ৰহণ কৰিব? এই প্ৰশ্নসমূহৰ সদুত্তৰ বিচাৰি উলিওৱাটো এতিয়া অপৰিহাৰ্য। ঘটনাটোৱে আমাক কেইটামান গুৰুত্বপূৰ্ণ কথাৰ স্মৰণ কৰাই দিয়ে। প্ৰথমতে, হিংসাই কোনো সমস্যাৰ সমাধান কৰিব নোৱাৰে। ঘৰ-দুৱাৰ জ্বলাই দিয়া বা ৰাজহুৱা সম্পত্তি নষ্ট কৰাটোৱে আইনৰ শাসনক দুৰ্বল কৰে আৰু সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাবে হানিকাৰক। দ্বিতীয়তে, যোগাযোগৰ অভাৱেই সঘনাই ভ্ৰান্তি আৰু হিংসাৰ সৃষ্টি কৰে। প্ৰতিবাদকাৰীসকলৰ সৈতে নিৰ্ভৰযোগ্য আৰু নিৰৱচ্ছিন্ন সংলাপ স্থাপন কৰাটো প্ৰশাসনৰ এক গুৰুত্বপূৰ্ণ কৰ্তব্য। তৃতীয়তে, ভূমি সংকটৰ দৰে জটিল সমস্যাৰ সমাধান আইন, ন্যায় আৰু সকলো পক্ষৰ সহযোগিতাৰে বিচাৰিব লাগিব। এতিয়া প্ৰয়োজন সকলো পক্ষৰ বুদ্ধিমত্তাপূৰ্ণ আচৰণ। ভূমি সংৰক্ষণৰ আইনী প্ৰক্ৰিয়াটো স্পষ্ট আৰু দ্ৰুতগামী কৰিবলৈ চিন্তা কৰিব লাগিব। লগতে, ক্ষতিগ্ৰস্তসকলক যথোপযুক্ত পুনৰ্বাসনৰ ব্যৱস্থা কৰাটোও গুৰুত্বপূৰ্ণ। অসম এখন শান্তিপ্ৰিয় ৰাজ্য। ইয়াত বসবাস কৰা বিভিন্ন সম্প্ৰদায়ৰ মাজত সম্প্ৰীতি আৰু সহযোগিতাৰ মনোভাৱ বৰ্তি ৰাখিবলৈ আমাৰ সকলোৱে যত্নবান হোৱা উচিত। পশ্চিম কাৰ্বি আংলঙৰ এই বেদনাদায়ক ঘটনাই আমাক সোঁৱৰাই দিয়াক যে, শান্তি আৰু স্থিৰতা ৰক্ষা কৰাটো কেৱল প্ৰশাসনৰেই নহয়, সমাজৰ প্ৰতিজন সদস্যৰ দায়িত্ব। আশাকৰোঁ, বুদ্ধি আৰু সহানুভূতিৰে এই সংকটৰ পৰা ওলাই অহাৰ পথ উলিয়াব পৰা যাব।

# নতুন বছৰক আদৰণি

প্ৰাণজিৎ মজুমদাৰ

পুৰণি এটা বছৰৰ সুখ-দুখ, সফলতা-বিফলতা পিছলৈ এৰি নতুন এটা বছৰে আমাৰ জীৱনলৈ পুনৰ আশাৰ পোহৰ লৈ আহে। নতুন বছৰ মানেই কেৱল কেলেণ্ডাৰৰ তাৰিখ সলনি নহয়; ই হৈছে আত্মসমীক্ষা, সংশোধন আৰু নতুন সংকল্প গ্ৰহণৰ এক গুৰুত্বপূৰ্ণ সময়।

যোৱা বছৰটোত দেশ, ৰাজ্য তথা সমাজে বহু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। অৰ্থনৈতিক চাপ, সামাজিক বিভেদ, নৈতিক অৱক্ষয়, মূল্যবৃদ্ধি আদি সমস্যাই সাধাৰণ জনতাৰ জীৱন কঠিন কৰি তুলিছে। একে সময়তে বিজ্ঞান-প্ৰযুক্তিৰ উন্নতি, সামাজিক সচেতনতা আৰু যুৱসমাজৰ আগ্ৰহে আগন্তুক দিনৰ বাবে আশাৰ বতৰা দিছে।

নতুন বছৰৰ প্ৰাকক্ষণত আমি কেৱল উৎসৱ আৰু আনন্দতেই সীমাবদ্ধ নাথাকি, সমাজ হিচাপে আমাৰ দায়িত্বৰ কথাও ভাবিব লাগিব। ব্যক্তিগত স্বাৰ্থৰ ওপৰত দেশ আৰু সমাজৰ স্বাৰ্থক আগত ৰাখি সততা, সহনশীলতা আৰু মানৱীয় মূল্যবোধেৰে আগবাঢ়ি যোৱাই হ'ব নতুন বছৰৰ প্ৰকৃত সংকল্প।

বিশেষকৈ যুৱ সমাজে নিচা, হিংসা আৰু ভুল পথ এৰি শিক্ষা, পৰিশ্ৰম আৰু সৃষ্টিশীলতাৰ দিশে আগবাঢ়িব লাগিব। একে সময়তে শাসন ব্যৱস্থাই জনসাধাৰণৰ বিশ্বাস অটুট ৰাখি ন্যায়, উন্নয়ন আৰু স্বচ্ছতাৰ দিশে অধিক দায়িত্বশীল ভূমিকা গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়।

নতুন বছৰটো যাতে কেৱল আশা দিয়েই নাথাকে, বৰঞ্চ সেই আশা পূৰণৰ পথো মুকলি কৰে- সেয়া আমাৰ সকলোৱে সচেতন প্ৰচেষ্টাৰ ওপৰতেই নিৰ্ভৰশীল। এই নতুন বছৰে সমাজত শান্তি, সমৃদ্ধি কঢ়িয়াই আনক-এই কামনাৰে নতুন বছৰক আদৰণি জনাও।

বৰ্তমান সময়ত ইংৰাজী আৰু হিন্দী ভাষাৰ আগ্ৰাসনৰ বাবে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি আদিৰ প্ৰতি ভাবুকি সৃষ্টি হোৱা বুলি আমাৰ সকলোৱে এটা ধাৰণা হৈছে অথবা শংকিত হোৱা দেখা গৈছে। গতিকে এনে প্ৰশ্নৰ অৱতাৰণা হোৱাটো এটা স্বাভাৱিক কথা। আগৰ সময়ত ইংৰাজী মাধ্যমত পঢ়াৰ সুবিধা আমাৰ সমাজৰ একমাত্ৰ আৰ্থিকভাৱে সবল শ্ৰেণীৰ লোকৰ অৰ্থাৎ অভিজাত শ্ৰেণীৰ পৰিয়ালৰ লোকৰহে সামৰ্থ্য আছিল। যিহেতু সেই সময়ত তেনেবোৰ বিদ্যালয়ৰ সংখ্যা তেনেই সীমিত আছিল বাবে নিজৰ সন্তানক সেই বিদ্যালয়ত পঢ়ুওৱা অভিভাৱকৰ সংখ্যা তেনেই নগণ্য আছিল বুলি ক'ব পাৰি। অন্যহাতে মধ্যবিত্ত আৰু আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ আমাৰ অসমীয়া লোকসকলৰ সন্তানসকলে চৰকাৰী অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়াৰ বাহিৰে দ্বিতীয় কোনো বিকল্প ব্যৱস্থা নাছিল।

# ব্যক্তিগত খণ্ডৰ বিদ্যালয় আৰু চৰকাৰী বিদ্যালয়ত শিক্ষাগ্ৰহণ; এক তুলনামূলক অধ্যয়ন

বিমল বৰগোহাঁই

আজিকালি এটা প্ৰশ্ন সঘনে উত্থাপিত হয় যে আমাৰ সমাজৰ এচাম লোকে বিশেষকৈ, অসমৰ ভাষা-সাহিত্য, শিক্ষা, সংস্কৃতি, সমাজ, ৰাজনীতি, সাংবাদিকতা তথা প্ৰশাসনৰ সৈতে জড়িত অসমীয়া লোকে সচৰাচৰ নিজৰ সন্তানক চৰকাৰী বা মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত পঢ়ুওৱাতকৈ ব্যক্তিগত বিদ্যালয়তহে পঢ়োৱায়। ইয়াৰ ফলত চৰকাৰী বিদ্যালয়তকৈ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তুলনামূলকভাৱে বেছি। কথাটো ওপৰত উল্লেখ কৰাৰ দৰে আমাৰ সমাজৰ এচাম লোকে নিজ সন্তানক মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত পঢ়ুওৱা পৰিলক্ষিত নহয়। কাৰণ আমাৰ এটা ধাৰণা আছে যে অসমীয়া মাধ্যমৰ বিদ্যালয়ত নিজৰ সন্তানক পঢ়ুওৱালে ভৱিষ্যতে উচ্চ শিক্ষাৰ ক্ষেত্ৰত কিছু হেঙাৰ হব পাৰে। সঁচাকৈ, সাম্প্ৰতিক সময়ত এই কথাখিনি অতি গুৰুত্বপূৰ্ণ আৰু গম্ভীৰ বিষয় বুলি বিবেচনা কৰিব পৰি। এই বিষয়টোৰ ওপৰত নিশ্চয়কৈ বিভিন্নজনে বিভিন্ন ধৰণে বিশ্লেষণ দাঙি ধৰিব আৰু যুক্তিৰে এই কথাখিনি বুজাবলৈ চেষ্টা কৰিব। কিন্তু মোৰ নিজৰ দৃষ্টিকোণৰ পৰা এই বিষয়টোৰ ওপৰত যদি মতামত দিব লগা হয়, তেন্তে মই প্ৰথমেই ক'ব বিচাৰিম যে কোনো অভিভাৱকে নিজৰ সন্তানক অসমীয়া ভাষাৰ মাধ্যম অথবা ইংৰাজী ভাষাৰ মাধ্যমৰ বিদ্যালয়ত পঢ়ুওৱাইছে বা পঢ়ুওৱাব বিচাৰে, সেইয়া তেওঁলোকৰ সম্পূৰ্ণ ব্যক্তিগত কথা। বৰ্তমান সময়ত ইংৰাজী আৰু হিন্দী ভাষাৰ আগ্ৰাসনৰ বাবে অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি আদিৰ প্ৰতি ভাবুকি সৃষ্টি হোৱা বুলি আমাৰ সকলোৱে এটা ধাৰণা হৈছে অথবা শংকিত হোৱা দেখা গৈছে। গতিকে এনে প্ৰশ্নৰ অৱতাৰণা হোৱাটো এটা স্বাভাৱিক কথা। আগৰ সময়ত ইংৰাজী মাধ্যমত পঢ়াৰ সুবিধা আমাৰ সমাজৰ একমাত্ৰ আৰ্থিকভাৱে সবল শ্ৰেণীৰ লোকৰ অৰ্থাৎ অভিজাত শ্ৰেণীৰ পৰিয়ালৰ লোকৰহে সামৰ্থ্য আছিল। যিহেতু সেই সময়ত তেনেবোৰ বিদ্যালয়ৰ সংখ্যা তেনেই সীমিত আছিল বাবে নিজৰ সন্তানক সেই বিদ্যালয়ত পঢ়ুওৱা অভিভাৱকৰ সংখ্যা তেনেই নগণ্য আছিল বুলি ক'ব পাৰি। অন্যহাতে মধ্যবিত্ত আৰু আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ আমাৰ অসমীয়া লোকসকলৰ সন্তানসকলে চৰকাৰী অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়াৰ বাহিৰে দ্বিতীয় কোনো বিকল্প ব্যৱস্থা নাছিল। এটা বিশেষ গুৰুত্বপূৰ্ণ কথা যে সেই সময়ৰ শিক্ষাগুৰুসকলে প্ৰদান কৰা গুণগত আৰু নৈতিক শিক্ষাৰ প্ৰভাৱৰ বাবেই তেতিয়াৰ ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়িও নিজৰ শৈক্ষিক জীৱন সুন্দৰভাৱে অতিক্ৰম কৰি সমাজত এগৰাকী সুনাগৰিক হিচাবে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। অসমীয়া মাধ্যমত শিক্ষা গ্ৰহণ কৰিও সেই তেতিয়াৰ ছাত্ৰ-ছাত্ৰীসকলে ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্ত: ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত জিলিকিবলৈ সক্ষম হৈছিল। সেই সময়ৰ আমাৰ বহু অসমীয়া যুৱক-যুৱতীয়ে নিজৰ যোগ্যতাৰ বলত ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া, ভাৰতীয় পুলিচ সেৱাৰ বিষয়া, ভাৰতীয় বিদেশী সেৱাৰ বিষয়া আৰু অন্যান্য ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিষয়া হিচাবে নিযুক্তি পাবলৈ সক্ষম হৈছিল, সেয়া তাৰেই প্ৰমাণ। কিন্তু সাম্প্ৰতিক সময়ত দেখা গৈছে যে চৰকাৰী অসমীয়া বিদ্যালয়সমূহ প্ৰায়েই বন্ধ হ'বৰ উপক্ৰম হৈছে। আনকি গুণগত শিক্ষাৰ অভাৱ হৈছে বুলিও মাজে মাজে চৰ্চিত হৈ আহিছে। যোৱা ১৯ ফেব্ৰুৱাৰী, ২০২৪ তাৰিখে ইংৰাজী দৈনিক কাকত 'The Sentinel' ত প্ৰকাশ পোৱা এটা তথ্য অনুসৰি, প্ৰায় ৮০৬৬খন প্ৰাথমিক বিদ্যালয় বন্ধ হৈ গৈছে। ইয়াৰে ৬৩৩৫খন সম্পূৰ্ণৰূপে বন্ধ হৈ গৈছে আৰু ১৭৩১খন বিদ্যালয় আন বিদ্যালয়ৰ সৈতে চামিল হৈছে। চৰকাৰী বিদ্যালয়ৰ সন্দৰ্ভত এনেবোৰ বাতৰি সময়ে সময়ে প্ৰায়েই প্ৰকাশ পাই থাকে। যোৱা ১ জুলাই, ২০২৫ তাৰিখে 'দৈনিক জনমভূমি' ত 'আধাতে বিদ্যালয় এৰা শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি, উদ্বিগ্ন চৰকাৰ' শিৰোনামেৰে এটা বাতৰি প্ৰচাৰ হৈছিল, য'ত ৰাষ্ট্ৰীয় হাৰৰ ১২.৬১ শতাংশৰ বিপৰীতে অসমৰ হাৰ হল ২০.২৫ শতাংশ। আকৌ যোৱা ৯ জুলাই, ২০২৫ তাৰিখেও 'দৈনিক জনমভূমি' ত 'ৰাজ্যত বাঢ়িছে আধাতে এৰা শিক্ষাৰ্থী আৰু বৃদ্ধি পাইছে এজনীয়া শিক্ষক থকা বিদ্যালয়ৰ সংখ্যাও' শিৰোনামেৰে এটি বাতৰি প্ৰকাশ পাইছিল, যাৰ বাবে সমগ্ৰ শিক্ষা প্ৰকল্প অনুমোদন পৰিষদে এই বিষয়টোত গভীৰ অসন্তুষ্টি প্ৰকাশ কৰিছিল। সেইদৰে যোৱা ২৮ নৱেম্বৰ, ২০২৫ তাৰিখেও 'দৈনিক জনমভূমি' ত 'গ্ৰাম্যাঞ্চলৰ চৰকাৰী বিদ্যালয়ত নাই পৰ্যাপ্ত শিক্ষক' শিৰোনামেৰে এটি বাতৰি প্ৰকাশ পাইছিল, য'ত প্ৰকাশ পাইছিল যে চৰ আৰু গ্ৰামীণ এলেকাৰ প্ৰাথমিক বিদ্যালয়ত ৮২৫১ টা, উচ্চ প্ৰাথমিকত ৭৩০৩ টা, মুঠ ১৫৫৫৪টা আৰু মাধ্যমিক স্তৰত ১২, ৩৮২টা শিক্ষকৰ পদ খালি হৈ আছে। এই কথাখিনি বিধানসভাত এটা প্ৰশ্নোত্তৰ কালত কংগ্ৰেছ বিধায়ক ৰাজেদ আলী চৌধুৰীৰ এক প্ৰশ্নৰ উত্তৰত মাননিয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই উল্লেখ কৰে। এনেবোৰ বাতৰিৰ বাবেই হয়তো নিজৰ সন্তানৰ ভৱিষ্যতৰ শিক্ষাৰ কথা চিন্তা কৰি আমাৰ অভিভাৱকসকলে তেওঁলোকৰ সন্তানক অসমীয়া বিদ্যালয়ৰ মাধ্যমত পঢ়ুৱাবলৈ অলপ সংকোচ কৰে। অৱশ্যে চৰকাৰে এই বিষয়টো অতি গুৰুত্ব সহকাৰে লৈছে আৰু সংশ্লি-ষ্ট সকলোলৈ এই ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণৰ বাবে প্ৰয়োজনীয় নিৰ্দেশনা দিছে। অন্যহাতে আমাৰ চৌপাশে কাঠফুলাৰ দৰে গঢ়ি উঠা ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহ দিনক দিনে বাঢ়িব ধৰিছে আৰু ছাত্ৰ-ছাত্ৰীসকলো তালৈ ধাৱমান হোৱা দেখা গৈছে। এই ব্যক্তিগত বিদ্যালয়সমূহত অধিক ফিজৰ বিনিময়ত সকলো যাৱতীয় সা-সুবিধা পোৱা যায়। তেনে ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ বুনিয়াদ য'ৰ পৰা আৰম্ভ হয়, তেনেবোৰ চৰকাৰী বিদ্যালয় যদি বন্ধ হৈ যোৱাৰ উপক্ৰম হয়, তেন্তে ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকলো চিন্তিত বা শংকিত হোৱাটো এটা স্বাভাৱিক কথা। অৱশ্য ব্যক্তিগত খণ্ডৰ ভালেকেইখন অসমীয়া মাধ্যমৰ বিদ্যালয় বিশেষকৈ জাতীয় বিদ্যালয়, শঙ্কৰদেৱ শিক্ষা নিকেতন, জ্যোতি বিদ্যাপীঠ আদিয়ে প্ৰদান কৰা গুণগত শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ মানদণ্ড এক নতুন উচ্চতালৈ লৈ গৈছে, যাৰ প্ৰমাণ এই বিদ্যালয়সমূহৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ভাল ফলাফলসমূহ। গতিকে নিজৰ সন্তানৰ উজ্জ্বল ভৱিষ্যতৰ কথা চিন্তা কৰিও সন্তানৰ শিক্ষাৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ ওপৰত উল্লেখ কৰাৰ দৰে আমাৰ সমাজৰ এচাম আৰ্থিকভাৱে সচ্ছল লোকে তেওঁলোকৰ নিজ সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়ুওৱাবলৈ লোৱা সিদ্ধান্ত কোনো অযুক্তিকৰ কথা নহয় বুলি মই ব্যক্তিগত অনুভৱ কৰোঁ। যিহেতু আজিকালি কেন্দ্ৰীয় শিক্ষা ব'ৰ্ডৰ অধীনৰ বিদ্যালয়সমূহতো মাতৃভাষা বিষয় লোৱাৰ সুবিধা এটা আছে। অন্যহাতে বৰ্তমান সৰ্বভাৰতীয় পৰ্যায়ৰ বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত পাৰদৰ্শিতা দেখুওৱাবলৈ হ'লে অসমীয়াৰ লগে লগে ইংৰাজী ভাষাৰ দখল থকাটো খুবেই প্ৰয়োজনীয় কথা বুলি মই অনুভৱ কৰোঁ। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত আমাৰ সন্তানক পঢ়ালোঁ বুলিয়েই তেওঁলোকক অসমীয়া ভাষা শিকাবলৈ বা অসমীয়া সাহিত্য-সংস্কৃতি আদি চৰ্চাৰ বাবে আমি আগ্ৰহ প্ৰকাশ নকৰিম। গতিকে আমি অভিভাৱকসকলে বিশেষভাৱে গুৰুত্ব লৈ নিজৰ সন্তানসকলক নিজৰ মাতৃভাষাটোৰ চৰ্চা আৰু আয়ত্ত কৰাৰ বাবে দায়িত্ব লোৱাটো উচিত বুলি ভাবোঁ। আমি যদি সন্তানকসকলক নিজৰ ভাষাটোৰ প্ৰতি টান আৰু হাবিয়াস আনিবলৈ সফল হওঁ, তেন্তে তেওঁলোকে যি মাধ্যমৰ বিদ্যালয়ত শিক্ষা গ্ৰহণ নকৰক কিয়, নিজৰ মাতৃভাষাৰ প্ৰতি এটা দুৰ্বলতা আৰু আন্তৰিকতা আহি নিজৰ ভাষাটো যে আঁকোৱালি ল'ব সেইটো খাটাং। গতিকে মই ব্যক্তিগতভাৱে ভাবোঁ যে এজন ছাত্ৰ বা ছাত্ৰীয়ে নিজৰ মাতৃভাষা আৰু সাহিত্য-সংস্কৃতি আদিৰ চৰ্চা কৰিও শিক্ষাৰ উত্তৰণৰ ক্ষেত্ৰত আগবাঢ়ি যাব পাৰে। এনেক্ষেত্ৰত বিদ্যালয়ত গ্ৰহণ কৰা শিক্ষাৰ ভাষাৰ মাধ্যম কোনো ক্ষেত্ৰতে হেঙাৰ হব নোৱাৰে। অৱশ্যে আমাৰ সমাজত এনে এচাম পিতৃ-মাতৃও আছে, যিসকলে নিজৰ সন্তানে মাতৃভাষা ক'ব আৰু লিখিব নোৱাৰে বুলি আৰু সলসলীয়াকৈ ইংৰাজী বা হিন্দী ক'ব পাৰে বুলি কৈ গৌৰৱবোধ কৰে। ছি! কি যে লাজৰ কথা! মই তেনেকুৱা বহুলোক আমাৰ সমাজত দেখিছোঁ। তেনে এটা সৰু ঘটনাৰ বিষয়ে উল্লেখ কৰিব বিচাৰিছোঁ। যোৱা ২০ ফেব্ৰুৱাৰী, ২০২৫ তাৰিখে দিল্লীৰ 'আসাম হাউছ' ৰ ৰেষ্টোৰাঁখনত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিবলৈ মোৰ লৰাটোৰ (সি দিল্লীতে অধ্যয়ন কৰি আছে) সৈতে বহি আছিলোঁ। আমাৰ কাষতে এহাল কম বয়সীয়া অসমীয়া দম্পতী আৰু লগত চাৰি-পাঁচ বছৰীয়া এগৰাকী কন্যা সন্তান আছিল। মই ভাতৰ অৰ্ডাৰ দি লৰাটোৰ সৈতে বিভিন্ন কথা পাতি আছিলোঁ। আমি লক্ষ্য কৰিছিলোঁ, মহিলাগৰাকীয়ে একেবাৰে নিজৰ কন্যা সন্তানগৰাকীৰ সৈতে অনৰ্গল ইংৰাজীতে কথা পাতি আছিল। সৰু ছোৱালীজনীয়ে কিবা কিবি কৰি আছিল। তেতিয়া মাকে অতিষ্ঠ হৈ তাইক কৈছিল, বেটা "Please don't do that, Don't go there, please, don't disturb me. I am warning you..." ইত্যাদি ইত্যাদি। ভাত দিয়াত কিছু পলম হোৱাত ছোৱালীজনীক মাকে ৰেষ্টোৰাঁৰ বয় এজনক ক'বলৈ কৈছিল, "Ask him to give me, rice, chicken, fish etc." এনেদৰে আৰু বহুত কিবা কিবা কৈছিল, গোটেই কথাখিনি মোৰ মনত নাই। অন্যহাতে মই লক্ষ্য কৰিছিলোঁ যে ছোৱালীজনীৰ দেউতাকে কিন্তু অসমীয়াতে নিজৰ পত্নী আৰু জীয়েকৰ সৈতে সুন্দৰভাৱে কথা পাতি আছিল। মাকে এই কণমানিগৰাকীৰ সৈতে নিজৰ মাতৃভাষাত কথা পতাৰ পৰিৱৰ্তে ইমান কম বয়সতে ছোৱালীজনীৰ সৈতে এতিয়াই এনেদৰে ইংৰাজী ভাষাত কথা পতাৰ কিবা যুক্তি আছে জানো! ইংৰাজী ভাষা শিকিবলৈ বা ক'বলৈ বহুত সময় পাব, কিন্তু এই শিশু কালচোৱাতেই যদি নিজৰ মাতৃভাষাটি আয়ত্ত কৰিব নোৱাৰে, তেন্তে ডাঙৰ হৈ অহাৰ লগে লগে নিজৰ মাতৃভাষাটো আয়ত্ত কৰাত কিছু জটিলতা আহি পৰিব। কাৰণ এগৰাকী শিশুৰ মানসিক, সামাজিক আৰু বৌদ্ধিক বিকাশৰ বাবে মাতৃভাষাই শিশুৰ শিক্ষাৰ আধাৰশিলা হিচাপে কাম কৰে, লগতে মাতৃভাষাই হৈছে তেওঁলোকৰ চিন্তা-চৰ্চা, অনুভূতি আৰু সামাজিক যোগাযোগৰ এক গুৰুত্বপূৰ্ণ মাধ্যম। গতিকে মই অনুভৱ কৰোঁ যে অসমীয়া ভাষা বা মাতৃভাষা শিকোৱাৰ ক্ষেত্ৰত এগৰাকী মাতৃৰ বহুত ত্যাগ বা অৱদান থাকিব লাগে। কিন্তু এনে এগৰাকী আত্মগৌৰৱী আৰু তথাকথিত আধুনিক সমাজৰ মাতৃৰ পৰা নিজৰ সন্তানসকলে কেতিয়াও অসমীয়া ভাষা শিকিবলৈ সুযোগ নাপায়। এইসকল লোকে কেতিয়াও নিজকে প্ৰকৃত অসমীয়া হিচাবে পৰিচয় দাঙি ধৰিব নোৱাৰে। এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে নিজৰ মাতৃভাষাৰ মাধ্যমৰ বিদ্যালয়ত অধ্যয়ন নকৰিলেও কিন্তু নিজৰ ভাষাটোৰ প্ৰতি যদি আকৃষ্ট হৈ ইয়াৰ চৰ্চা অব্যাহত ৰাখিব পাৰে, তেন্তে সেই ছাত্ৰ-ছাত্ৰীসকলৰ সদায় মাতৃভাষাৰ প্ৰতি এটা হাবিয়াস জন্ম হ'ব আৰু ভাষাটো অতি সহজেই নিজৰ মন আৰু হৃদয়ত ঠাই দিবলৈ সক্ষম হব। এটা গুৰুত্বপূৰ্ণ কথা যে অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়িও বহু অসমীয়া সন্তানে ৰাষ্ট্ৰীয় আৰু আন্ত: ৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ নাম জিলিকাবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে অসমৰ বৰপেটাৰ সন্তান গৌৰাংগ লাল দাস ডাঙৰীয়া ভাৰত চৰকাৰৰ এগৰাকী ভাৰতীয় বৈদেশিক সেৱাৰ বিষয়া। তেখেতে অসমীয়া মাধ্যমত শিক্ষা গ্ৰহণ কৰিয়েই এই পৰীক্ষাৰ বাবে নিজকে প্ৰস্তুত কৰি সাফল্যতা লাভ কৰিছিল আৰু জানিব পৰা মতে বৰ্তমান তেখেতে কোৰিয়া গণৰাজ্য (দক্ষিণ কোৰিয়া) ৰ ৰাষ্ট্ৰদূত হিচাবে কৰ্মৰত। ঠিক তেনেদৰে বৰ্তমান অসমত কৰ্মৰত জ্যেষ্ঠ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া শ্ৰী নাৰায়ণ কোঁৱৰ, জ্যেষ্ঠ ভাৰতীয় পুলিচ সেৱাৰ বিষয়া শ্ৰী হীৰেন নাথ, শ্ৰী দিগন্ত বৰা আদিৰ দৰে বহু ভাৰতীয় প্ৰশাসনিক সেৱা আৰু ভাৰতীয় পুলিচ সেৱাৰ বিষয়াই অসমীয়া মাধ্যমতে শিক্ষা গ্ৰহণ কৰিয়েই সফলতা লাভ কৰি অসমৰ নাম জিলিকাই তুলিছে। ঠিক তেনেদৰে বিভিন্ন সৰ্বভাৰতীয় আন আন প্ৰতিযোগিতামূলক পৰীক্ষাতো অসমৰ বহু সন্তানে এনেদৰে সাফল্য লাভ কৰি অসমক গৌৰৱান্বিত কৰিছে। সময়ে সময়ে বিভিন্ন সাক্ষাৎকাৰৰ যোগেদি দেখা পোৱা মতে অসমীয়া ভাষাত অধ্যয়ন কৰিও তেওঁলোকে ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাৰ অথবা আন পৰীক্ষাৰ বাবে কেতিয়াও কোনো বাধাৰ সন্মুখীন হোৱা নাছিল বুলি উল্লেখ কৰে। মই ইয়াত মাত্ৰ দুটামানহে উদাহৰণ দিছোঁ। এনে বহু উদাহৰণ আছে, যিসকলে আমাৰ মাতৃভাষাটোক খুব ভাল পায় আৰু মাতৃভাষাক লৈ গৌৰৱ কৰে। অন্যহাতে অসমৰ প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান ও অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰদ্ধাৰ শ্ৰী কুলধৰ শইকীয়া মহোদয় আৰু সুলেখিকা শ্ৰদ্ধাৰ লীনা বেজবৰুৱা বাইদেউৰ সুযোগ্য পুত্ৰ আৰু নৱপ্ৰজন্মৰ এগৰাকী আদৰ্শ যুৱক আৰণ্যক শইকীয়া হৈছে ২০২০ বৰ্ষৰ এগৰাকী ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া আৰু বৰ্তমান অসম চৰকাৰ মুখ্য সচিবৰ এগৰাকী বিশেষ কৰ্তব্যৰত বিষয়া হিচাবে অসম সচিবালয়, দিছপুৰত কৰ্মৰত। তেখেতে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত (ড'ন বস্ক, গুৱাহাটীত পঢ়া বুলি জনা যায়) শিক্ষা গ্ৰহণ কৰিও বৰ্তমান অসমীয়া সাহিত্য জগতলৈ যি অৱদান আগবঢ়াই আহিছে, সেয়া আমাৰ বাবে অতি গৌৰৱৰ কথা। তেখেতৰ অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতেই সমানে দখল আছে। এয়া হৈছে পিতৃ-মাতৃয়ে নিজৰ সন্তানক মাতৃভাষা শিকোৱা আৰু প্ৰচেষ্টাৰ ফল, লগতে সন্তানৰ একান্ত আগ্ৰহ আৰু নিজৰ মাতৃভাষাৰ প্ৰতি থকা আদৰ। এইটো এটা মাত্ৰ উদাহৰণহে। ঠিক সেইদৰে তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তৰ কৈলাসপুৰৰ টঙনা ন-গাঁও নামৰ এখন ভিতৰুৱা গাঁৱত জন্মগ্ৰহণ কৰা এগৰাকী যুৱক আৰু অসমীয়া মাধ্যমৰ বিদ্যালয়তে অধ্যয়ন কৰি বৰ্তমান সুদূৰ আমেৰিকাৰ হাৰ্ভাৰ্ড মেডিকেল স্কুল আৰু বষ্টন চিলড্ৰেনছ হাস্পতালত বিজ্ঞানী ৰূপে (গৱেষক ফেলো) কাম কৰি গোটেই বিশ্বতে জিলিকি আছে ডাঃ ৰুবুল মাউত ডাঙৰীয়াই। তেখেতৰ ৰচিত 'মোৰো এটা সপোন আছে' গ্ৰন্থখনে ইতিমধ্যে ৰাইজৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ঠিক তেনেদৰে তিনিচুকীয়া জিলাৰ এখন অতি ভিতৰুৱা ঠাই পানীতোলাৰ গন্ধীয়া গাঁৱৰ ডাঃ মুকুট গোহাঁয়েও অসমীয়া ভাষাৰ মাধ্যমত শিক্ষা গ্ৰহণ কৰিয়েই বৰ্তমান সুদূৰ দক্ষিণ আফ্ৰিকাৰ প্ৰিতোৰিয়াত থকা 'Chemicals Process Technology Ltd.' ত এগৰাকী পৰিচালক তথা গৱেষণা আৰু উন্নয়ন বিভাগৰ মুৰব্বী আৰু জ্যেষ্ঠ বিজ্ঞানী হিচাবে নিজৰ নাম জিলিকাবলৈ সক্ষম হৈছে। গতিকে এনে বহু অসমীয়া আছে যিসকলে নিজৰ জ্ঞান, শিক্ষাৰ জৰিয়তে সফলতা লাভ কৰি বিদেশৰ মাটিত এগৰাকী অসমীয়া হিচাবে জিলিকিবলৈ সক্ষম হৈছে। গতিকে মই ভাবোঁ মাতৃভাষাৰ মাধ্যমত শিক্ষা গ্ৰহণ কৰিলেও আমাৰ সন্তানসকলে যদি ইংৰাজী ভাষাৰ লগতে আন আন ভাষাৰ চৰ্চা কৰি যায়, তেন্তে তেওঁলোকে নিজৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰি গোটেই বিশ্বৰ সৈতে সংযোগ স্থাপন কৰাৰ সুযোগহে লাভ কৰিব। এক কথাত ক'বলৈ গ'লে, আমাৰ অসমীয়া ভাষাটি কিমান শুৱলা আৰু আমাৰ সাহিত্য-সংস্কৃতি কিমান চহকী সেই কথা একাধাৰে কৈ বুজাব নোৱাৰি। সেয়েহে আমাৰ মাতৃভাষা, সাহিত্য, কলা, কৃষ্টি, সংস্কৃতি জীয়াই ৰাখিবলৈ হ'লে প্ৰতিখন বিদ্যালয়ৰ শিক্ষাগুৰু, অভিভাৱক আৰু সাহিত্য চৰ্চাৰ সৈতে জড়িত অগ্ৰণী অনুষ্ঠানসমূহে আগভাগ লৈ ইয়াৰ প্ৰসাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা কৰিব লাগে। এইক্ষেত্ৰত আমাৰ অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ জগতলৈ অৰিহণা আগবঢ়াই যোৱা মহান ব্যক্তিসকলৰ বিষয়ে বিশেষকৈ শ্ৰী শ্ৰী শঙ্কৰদেৱ, মাধৱদেৱ, লক্ষ্মীনাথ বেজবৰুৱাৰ লগতে আন আন বিশিষ্ট সাহিত্যিকসকল, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, ডা: ভূপেন হাজৰিকা আৰু শেহতীয়াকৈ জুবিন গাৰ্গ আদি মহান আৰু পুৰোধা ব্যক্তিসকলৰ বিষয়ে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক কিছু জ্ঞান দিয়া হয়, তেন্তে ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট পৰিমাণে উপকৃত হ'ব বুলি মোৰ বিশ্বাস। এই মহান ব্যক্তিসকলৰ সৃষ্টি আৰু সৃষ্টিশীলতাৰ বিষয়ে জ্ঞান আহৰণ কৰি, আমাৰ ছাত্ৰ-ছাত্ৰী তথা নৱ প্ৰজন্মৰ যুৱক-যুৱতীসকলৰ জ্ঞানৰ পোহৰে আমাৰ সমাজখন নিশ্চয়কৈ আলোকিত কৰিব পাৰিব। আমি সকলোৱে জানো যে মাতৃভাষা হৈছে এটা জাতিৰ পৰিচয়। মাতৃভাষাই নিজৰ শিপা আৰু ঐতিহ্যৰ সৈতে সংযোগ কৰাত সহায় কৰে। মাতৃভাষাৰ অবিহনে কোনো জাতিয়ে নিজৰ স্বাভিমানৰ কথা কব নোৱাৰে। যদি আমাৰ মাতৃভাষা কোৱা লোকৰ সংখ্যা লাহে লাহে কমি আহে, তেন্তে আমাৰ জাতিৰ ভৱিষ্যত অন্ধকাৰ হৈ পৰিব আৰু জাতিটো পৰিচয়হীন হৈ পৰিব। গতিকে সময় থাকোঁতেই আমি সকলোৱে মাতৃভাষাৰ এশ শতাংশ ক'বলৈ আৰু ব্যৱহাৰ কৰিবৰ বাবে প্ৰচেষ্টা হাতত লব লাগে। এইখিনিতে মই এটা কথা উল্লেখ কৰিব বিচাৰোঁ যে আমাৰ চৰকাৰী শিক্ষানুষ্ঠানসমূহৰ শৈক্ষিক পৰিৱেশ উন্নত কৰি যদি ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ সৈতে ফেৰ মাৰিব পৰাকৈ উন্নীত কৰিব পৰা যায় আৰু অসমীয়া ভাষাৰ লগে লগে যদি ইংৰাজী ভাষাৰ ওপৰতো সমজ্ঞান দিয়াৰ প্ৰয়াস কৰা হয়, তেন্তে আমাৰ অভিভাৱকসকলে নিশ্চয় নিজৰ সন্তানক চৰকাৰী বিদ্যালয়ত পঢ়ুৱাবলৈ আগবাঢ়ি আহিব আৰু তেতিয়া অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়সমূহত যে পুনৰ ছাত্ৰ-ছাত্ৰীৰ ভিৰ লাগিব, তাত কোনো সন্দেহ নাই। গতিকে আমি অভিভাৱকসকলে আমাৰ সন্তানসকলক এটা কথাই শিক্ষাব লাগিব যে, আমাৰ ভাষা-সংস্কৃতি হৈছে আমাৰ গৌৰৱ, জাতিৰ পৰিচয়। গতিকে সিহঁতে যি মাধ্যমৰ বিদ্যালয়তেই নপঢ়ক কিয়, সিহঁতে সদায় নিজৰ শিপা ডালৰ কথা মনত কঢ়িয়াই লৈ ফুৰিবলৈ চেষ্টা কৰিব, তেতিয়া নিশ্চিতভাৱে আমাৰ ভাষা, সাহিত্য, সংস্কৃতিৰ মান আৰু পৰিচয় চিৰদিনলৈ অটুট থাকিব। এইক্ষেত্ৰত মই মাজে-সময়ে অসম সাহিত্য সভায়ো আমাৰ ভাষা, সাহিত্য, সংস্কৃতি আদিৰ উত্তৰণৰ বাবে আৰু কিছু কাম কৰিব লগা আছে বুলি পৰামৰ্শ আগবঢ়াও। অৱশ্যে অসম সাহিত্য সভাৰ বৰ্তমানৰ সভাপতি শ্ৰদ্ধাৰ ড° বসন্ত কুমাৰ গোস্বামী ডাঙৰীয়াই এই ক্ষেত্ৰত কিছু পদক্ষেপ গ্ৰহণ কৰা যেন অনুমান হয়। মুঠতে আমি যিদিনা নিজৰ মাতৃভাষাটো কোৱা, লিখা আৰু পঢ়িবলৈ এৰি দিম সেইদিনাৰ পৰাই আমাৰ জাতিটোৰ অস্তিত্ব শেষ হোৱাৰ পথ আৰম্ভ হ'ব। গতিকে আমি সকলোৱে মিলি নিজৰ মাতৃভাষাৰ বীজ অনাগত প্ৰজন্মৰ বাবে ৰোপণ কৰি থৈ যোৱাটো খুবেই জৰুৰী। শেষত মই এটা কথাই ক'ব বিচাৰোঁ যে যিসকল পিতৃ-মাতৃ তথা অভিভাৱকে নিজৰ জন্মভূমিৰ লগতে নিজৰ মাতৃভাষাক ভাল পাবলৈ বিচাৰে আৰু নিজৰ সন্তানসকলকো এই বিষয়ে জ্ঞান দিব বিচাৰে তেন্তে আপোনালোকৰ সন্তানক অসমৰ জাতীয় সংগীত "অ' মোৰ আপোনাৰ দেশ" গীতটি বাৰে বাৰে শুনাবলৈ চেষ্টা কৰক। তেতিয়া তেওঁলোকে উপলব্ধি কৰিব পাৰিব যে সঁচাকৈ এই গীতটিৰ প্ৰকৃত অৰ্থ আৰু অনুভৱে নিজৰ জন্মভূমি, ওপজা গাঁওখন আৰু মাতৃভাষাৰ প্ৰতি ক'ব নোৱাৰাকৈ যে তেওঁলোকৰ হৃদয়ত এক আবেগিক ঝংকাৰ সৃষ্টি হ'ব সেইটো খাটাং। শেষত এটা কথা মই পুনৰ কব বিচাৰোঁ যে মাতৃভাষাৰ মাধ্যম শিক্ষাৰ কোনো হেঙাৰ হব নোৱাৰে। অৱশ্য মাতৃভাষাৰ লগে লগে যদি আমাৰ ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী আৰু আন আন ভাষাও শিকিবলৈ চেষ্টা কৰে, তেন্তে তেওঁলোকৰ যোগাযোগ দক্ষতা যথেষ্ট বৃদ্ধি পাব, যিটোৱে নেকি তেওঁলোকক অনাগত দিনত উচ্চ শিক্ষাৰ ক্ষেত্ৰত বহুতখিনি সহায় কৰিব। মই ভাবোঁ, আমাৰ অভিভাৱকসকলে এইক্ষেত্ৰত এক বিশেষ ভূমিকা কৈ তেওঁলোকৰ সন্তানসকলৰ ভৱিষ্যতৰ উচ্চ শিক্ষাৰ উত্তৰণ ঘটাবলৈ নিশ্চয় সক্ষম হ'ব।



*লেখকৰ ঠিকনা ঃ*
*২ নং বৰবিল, ডিগবৈ, তিনিচুকীয়া*

### মুকুট বৰুৱা সম্পাদিত স্মৰণিকা টঙলা উন্মোচন

# পুৰণি পেন্সন ব্যৱস্থা বাহালৰ দাবীত ২৪ ডিচেম্বৰৰ পৰা কৰ্মচাৰী পৰিষদৰ আন্দোলন

## ওদালগুৰি জিলা কৰ্মচাৰী পৰিষদৰ ১৮ সংখ্যক দ্বি-বাৰ্ষিক টংলা অধিৱেশন সম্পন্ন



**অসম বাৰ্তা, টংলা, ২২ ডিচেম্বৰ** ঃ অ'পিএচ অৰ্থাৎ পুৰণি পেন্সন ব্যৱস্থাইহে কৰ্মচাৰীক নিৰাপত্তা নিশ্চিত কৰিব। এই পুৰণি পেন্সন ব্যৱস্থা বাহাল ৰখাৰ দাবীত সদৌ অমম কৰ্মচাৰী পৰিষদে অহা ২৪ ডিচেম্বৰৰ পৰা আন্দোলন আৰম্ভ কৰিব। চৰকাৰৰ পৰা ইতিবাচক সঁহাৰি নোপোৱালৈকে এই আন্দোলন অব্যাহত থাকিব। সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান পংকজ বৰ্মনে ওদালগুৰি জিলা সমিতিৰ ১৮ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰি এইদৰে কয়। তেখেতে আৰু কয় যে অষ্টম দৰমহা আয়োগ এতিয়াও চৰকাৰে গঠন কৰা নাই যদিও শীঘ্ৰে আয়োগ গঠন কৰি ২০২৬ৰ ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ সংশোধনীৰ দাবী কৰে। সম্পাদক প্ৰধান গৰাকীয়ে বিদ্যালয়সমূহত বৰ্তমান কৰ্মৰত ৰান্ধনীসকলকো দৰমহা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনাইছে। আনহাতে সভাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণত কয় সদৌ অসম কৰ্মচাৰী পৰিষদে চৰকাৰক ইতিমধ্যে দাখিল কৰা দাবী চনদৰ কেইটামান দাবীক সমাধান কৰা বাবে চৰকাৰক ধন্যবাদ জনায়। তেওঁ ঠিকাভিত্তিক শিক্ষক-কৰ্মচাৰীসকলক বেতনৰ সুৰক্ষাৰ নিশ্চিত দি চাকৰি নিয়মীয়াকৰণ কৰিবলৈ দাবী জনায়। বৰ্তমান সমগ্ৰ অসমৰ ৭০ শতাংশ বিদ্যালয়ত প্ৰধান শিক্ষক নাই। এই পদসমূহ শীঘ্ৰে পুৰণৰ দাবী জনাব। শিক্ষাগুৰুসকলক মানসিকভাৱে আঘাত কৰাৰ প্ৰৱণতা ৰোধ কৰিবলৈকো চৰকাৰক আহ্বান জনায়। ওদালগুৰি জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি শান্তিৰাম শৰ্মাই সভাপতিত্ব কৰা মুকলি সভাত অসম সাহিত্য সভাৰ আমন্ত্ৰিত সদস্য গৌৰী শংকৰ দাসে স্মৰণিকা সম্পাদনা সমিতিৰ সভাপতি পঞ্চানন দেৱ শৰ্মা আৰু সম্পাদক মুকুট বৰুৱা সম্পাদিত স্মৰণিকা টঙলা উন্মোচন কৰে। ওদালগুৰি জিলা কৰ্মচাৰী পৰিষদৰ সাধাৰণ সম্পাদক জ্যোতি শিখৰ শৰ্মাই আঁত ধৰা সভাত জিলাৰ প্ৰাক্তন বিষয়ববীয়া প্ৰতাপ চন্দ্ৰ ভট্টাচাৰ্য, চন্দ্ৰ প্ৰভা দত্ত, আদিত্য ৰাভা, বিবেক দাস আৰু নগেন চন্দ্ৰ ডেকাক বিপুলভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ উপসভাপতি কুমুদ কুমাৰ কটকী, সাংগঠনিক সম্পাদক ৰাজেন্দ্ৰ নাথ হাজৰিকা, সদৌ অসম বিদ্যালয় কাৰ্যালয় সহায়ক সন্থাৰ সম্পাদক ভৱেশ নাথ, প্ৰাক্তন ৰাজ্যিক সাংগঠনিক সম্পাদক দণ্ডি বড়ো প্ৰমুখ্য জিলাখনৰ বিভিন্ন বিষয় ববীয়া উপস্থিত থাকে। ওদালগুৰি জিলা কৰ্মচাৰী পৰিষদৰ ১৮ সংখ্যক দ্বি-বাৰ্ষিক টংলা অধিৱেশনখনি টংলা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ আতিথ্যত ২০ ডিচেম্বৰত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্বহীদ সুজিত নাৰ্জাৰী প্ৰেক্ষাগৃহত অনুষ্ঠিত কাৰ্যসূচী অনুসৰি পুৱা ৮ বজাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ পতাকা উত্তোলনেৰে ওদালগুৰি জিলা সমিতিৰ সভাপতি শান্তিৰাম শৰ্মাই শুভাৰম্ভ কৰে। শ্বহীদ তৰ্পণ আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী ওদালগুৰি জিলা কৰ্মচাৰী পৰিষদৰ সাধাৰণ সম্পাদক জ্যোতি শিখৰ শৰ্মা আৰু উপসভাপতি বসন্ত কুমাৰ বড়াই ৰূপায়ণ কৰে। স্মৃতি ৰোমন্থন কাৰ্যসূচী ওদালগুৰি জিলা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি তাৰানাথ কলিতাই ৰূপায়ণ কৰা পিছতে টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড° দিলীপ বৰুৱাই প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ছাটগাড়ী চৰকাৰী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক নৱ কুমাৰ চহৰীয়া, টংলা সামূহিক স্বাস্থ্য কেন্দ্ৰৰ এ এনএম মীৰা বড়ো আৰু ৰেচম নিৰ্দেশক নয়নজ্যোতি ৰাভাই নাহৰ পুলি ৰোপণ কৰে। ১০ বজাত প্ৰতিনিধিৰ নাম পঞ্জীয়ন, প্ৰতিনিধিৰ সভাগৃহত প্ৰৱেশৰ পিছতে ওদালগুৰি জলসিঞ্চন বিভাগৰ কাৰ্যবাহী অভিযন্তা ধনেশ্বৰ বড়োৱে প্ৰতিনিধি সভা উদ্বোধন কৰে। টংলা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি শ্যামল কুমাৰ দাসে আদৰণী সম্ভাষণ জনোৱা অনুষ্ঠানটো সম্পাদক বিকাশ বৰুৱাই পৰিচালনা কৰে। কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক ৰাজেন্দ্ৰ নাথ হাজৰিকাই পৰ্যবেক্ষক হিচাপে উপস্থিত থকা প্ৰতিনিধি সভাত২০২৫-২০২৭ বৰ্ষৰ বাবে বসন্ত কুমাৰ বড়াক সভাপতি, গীতিকা শইকীয়া, বাবু ৰাম ব্ৰহ্ম, কেশৰী ভূঞা আৰু কাৰ্তিক চন্দ্ৰ বিশ্বাসক উপ সভাপতি আৰু জ্যোতি শিখৰ শৰ্মাক সাধাৰণ সম্পাদক হিচাপে লৈ ওদালগুৰি জিলাৰ নতুন সমিতিখন গঠন কৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি কেশৰী ভূঞা আৰু সাধাৰণ সম্পাদক ধ্ৰুৱ জ্যোতি ডেকাই অধিৱেশনখনি সফল ৰূপায়ণ কৰাত অৰিহণা যোগোৱা সকলোকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# ডিব্ৰুগড়ৰ চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ "অসমৰ বুৰঞ্জীত মুছলমানসকল" শীৰ্ষক আলোচনা চক্ৰত অংশগ্ৰহণ ড° দেৱব্ৰত শৰ্মাৰ




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২২ ডিচেম্বৰ** ঃ ডিব্ৰুগড়ৰ অন্যতম সামাজিক অনুষ্ঠান চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ বাৰ্ষিক সাধাৰণ সভাৰ সৈতে সংগতি ৰাখি এখনি আলোচনা চক্ৰ অনুষ্ঠিত হয় ২১ ডিচেম্বৰত ডিব্ৰুগড় ঈদগাহ প্ৰেক্ষাগৃহত। "অসমৰ বুৰঞ্জীত মুছলমানসকল"- শীৰ্ষক আলোচনা চক্ৰত অংগ্ৰহণ কৰি মুখ্য বক্তা হিচাপে উপস্থিত থাকে যোৰহাট মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ড° দেৱব্ৰত শৰ্মা। ভাষণত তেওঁ বিষয় বস্তুৰ ওপৰত বিস্তাৰিত ভাৱে আলোচনা কৰি কয় যে ইতিহাস এতিয়া সম্পূৰ্ণ ওলট -পালট; ভাৰতবৰ্ষ এখন ধৰ্মনিৰপেক্ষ দেশ বুলি কোৱা হয় যদিও প্ৰকৃত ইতিহাসক নস্যাৎ কৰি নিজাকৈ বৰ্ত্তমানে ইতিহাস সৃষ্টি কৰা হৈছে। বাঘ হাজৰিকাৰ কথা উল্লেখ কৰি শৰ্মাই কয় যে এই বীৰগৰাকীক বাদ দিলে অসমৰ বুৰঞ্জী আধৰুৱা হৈ ৰ'ব। তেওঁ আৰু কয় যে মৌখিক ইতিহাসক অস্বীকাৰ কৰিব নোৱাৰি। বাঘ হাজৰিকা অবিহনে লাচিত বৰফুকনৰ চৰিত্ৰও আধৰুৱা হৈ ৰয়। এই অনুষ্ঠানতে উদ্যোক্তা সংগঠনৰ মুখপত্ৰ "অনুভূতি" উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা তথা বিশ্ববিদ্যালয়খনৰ নাৰী অধ্যায়ন কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত সঞ্চালিকা ড° নাছমিম ফাৰহিন আখতাৰে। আলোচনা চক্ৰৰ সঞ্চালক হিচাপে উপস্থিত থাকি লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা বিশিষ্ট লেখক ছাজ্জাদ হুছেইনে কয় যে বিদেশত বিভিন্ন বিশ্ববিদ্যালয়ত ইছলামিক চেণ্টাৰ আছে। ডিব্ৰুগড়তো এই অনুষ্ঠানটিয়ে যথেষ্ট সামাজিক কাম কৰি আছে বুলি তেওঁ উল্লেখ কৰে। ভাষণ প্ৰসংগত তেওঁ কয় যে দ্বাদশ শতিকাৰ পৰা অসমত ইছলামৰ আবিৰ্ভাৱ হৈছে আৰু বিগত ত্ৰয়োদশ শতিকাৰ আলি মেচৰ পৰা বিংশ শতিকাৰ শেষলৈ মুছলমানৰ আগমন ঘটিছে। আজান ফকীৰ চাহেবৰ বহু বছৰ পূৰ্বে অসমত মুছলমানৰ আগমন ঘটিছিল। ত্ৰয়োদশ শতিকাতে হাজোত অসমৰ প্ৰথম মছজিদ স্থাপন কৰাৰ কথা জনা যায়। মত বিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰে যোৰহাটৰ বিশিষ্ট সমাজ সেৱী নুৰুল আমিন, লক্ষ্মীমপুৰৰ চুটি চলচ্চিত্ৰ নিৰ্মাতা তথা সাংবাদিক ফাৰহানা আহমেদ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° বৰুণ দে, কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা সুদক্ষিণা দাস, মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপিকা জ্যোতিমনি বৰদলৈ আৰু উদ্যোক্তা অনুষ্ঠানৰ সদস্য ইমৰান হুছেইন, মুহিবুল হুছেইন আৰু আব্দুল মজিদে। ইয়াৰ পূৰ্বে পুৱা অনুষ্ঠানৰ পতাকা উত্তোলন কৰে চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ জ্যেষ্ঠতম সদস্য নবৈ বছৰীয়া আব্দুল হকে। পতাকা উত্তোলন কৰি দিয়া ভাষণত হকে কয় যে আজিৰ পৰা ২৬ বছৰ পূৰ্বে এই অনুষ্ঠানটি বিশিষ্ট চিন্তাবিদ, লেখক ডাঃ মছউদুল হকৰ লগতে আন কেইবাগৰাকীও ডিব্ৰুগড়ৰ গুণী-জ্ঞানী লোকৰ নেতৃত্বত গঢ় লৈ উঠিছিল। কাৰ্য্যসূচীৰ আৰম্ভণিতে উদ্যোক্তা অনুষ্ঠানৰ সভাপতি চেহিৰ আহমদে আদৰণি বক্তব্যত ইছলাম ধৰ্মৰ শান্তি দায়িনী ৰূপটো দাঙি ধৰি বিভিন্ন সম্প্ৰদায়ৰ মাজত সম্প্ৰীতি গঢ়াৰ মানসেৰে গঢ় লৈ উঠা এই অনুষ্ঠানটিলৈ অনাগত দিনতো সহায়-সহযোগিতা আগবঢ়াই যাবলৈ ৰাইজলৈ বিনম্ৰ অনুৰোধ জনায়। চেণ্টাৰৰ উপ সভাপতি আব্দুল খলেকে আঁত ধৰা অনুষ্ঠানটিত শলাগৰ শৰাই আগবঢ়ায় সম্পাদক এম হাছিম আলীয়ে।

# কচুৱাত শতাধিক লোকে যোগদান কৰিলে অসম গণ পৰিষদত



**অসম বাৰ্তা, কচুৱা, ২১ ডিচেম্বৰ** ঃ আজি ৰহা বিধানসভা সমষ্টি সমিতিৰ উদ্যোগত আৰু গেৰজাইপাম আঞ্চলিকৰ সহযোগত কচুৱাৰ গেৰজাই পাম কালিবাৰী প্ৰেক্ষাগৃহত অসম গণ পৰিষদ দলৰ এখনি যোগদান কাৰ্যসূচী সভা অনুষ্ঠিত হৈ যায়। অগপৰ কেন্দ্ৰীয় কমিটিৰ উপ-সভাপতি বিষ্ণু দাসৰ উপস্থিতিত প্ৰায় শতাধিক লোকে বিভিন্ন ৰাজনৈতিক দলৰ পৰা আহি অসম গণ পৰিষদত আনুষ্ঠানিকভাৱে যোগদান কৰে। অগপৰ জ্যেষ্ঠ কৰ্মী গোবিন্দ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা যোগদান সভাত উপস্থিত থাকে অগপৰ জ্যেষ্ঠ কৰ্মী অপূৰ্ব বৰা, নৰুত্তম নাথ, মাধৱপাৰা মণ্ডলৰ অগপৰ সভাপতি আব্দুল কালাম আজাদ, ৰবিন বৰুৱা, ৰহা সমষ্টিৰ সংখ্যালঘু মৰ্চাৰ সভাপতি ইমৰাণ হুছেইন সম্পাদক জেহেৰুল ইছলাম, মুজিবুৰ ৰহমান, আব্দুল হামিদ, ফৰিদুল ইছলাম সহ অগপৰ বহু জ্যেষ্ঠ কৰ্মী। অগপ দলৰ নীতি আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ যুৱচাম ওলাই আহি অগপ দলত যোগদান কৰিছে, আৰু যুৱচামেই হ'ল আমাৰ ভৱিষ্যত, যুৱচামক লৈ আগবাঢ়িব লাগিব বুলি মন্তব্য কৰাৰ লগতে ৰহা সমষ্টিত কংগ্ৰেছৰ অস্তিত্ব নাই বুলি মন্তব্য কৰে অগপৰ কেন্দ্ৰীয় কমিটিৰ উপ-সভাপতি বিষ্ণু দাসে।

# আইতাৰ নতুন ঠিকনা অভয়াপুৰীৰ বয়োজ্যেষ্ঠ আশ্ৰম

**অসম বাৰ্তা, লেংটিছিঙা, ২২ ডিচেম্বৰ** ঃশুকুৰবাৰে ডুমেৰগুৰীৰ জগদীশ দাস নামৰ ব্যক্তিজনৰ ঘৰৰ সন্মুখত কোনো অচিনাক্ত ব্যক্তিয়ে এখন ই-ৰিস্কাৰে থৈ যায় এগৰাকী বৃদ্ধাক। এই ঘটনাৰ খবৰ লেংটিছিঙা থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ পৰা পোৱাৰ পিছত বাতৰিৰ বাবে ঘটনাস্থলীত উপস্থিত হৈ বৃদ্ধাগৰাকীক লগ কৰে সাংবাদিক ইনামুল আহমেদ আৰু নাছিৰ উদ্দিনে। সহায়ৰ হাত আগবঢ়ায় শিক্ষক ড° ছিৰখাত হুছেইনে। সোধ-পোচৰ পাছত জনা গ'ল বৃদ্ধাগৰাকীৰ নাম শান্তি বালা গোস্বামী। তেওঁৰ কোনো আত্মীয়-স্বজন নাই বুলি প্ৰকাশ কৰে আইতা গৰাকী। এই অৱস্থাত মানবীয় দৃষ্টিকোণৰ পৰা অভয়াপুৰীৰ বয়োজ্যেষ্ঠ আশ্ৰমৰ সৈতে যোগাযোগ কৰা হয়। আশ্ৰম কৰ্তৃপক্ষৰ হৈ সাংবাদিক বিনোদ বিহাৰী নাথৰ সঁহাৰি পোৱাৰ পিছত শান্তি বালা গোস্বামীক সুৰক্ষিতভাৱে অভয়াপুৰীৰ বয়োজ্যেষ্ঠ আশ্ৰমলৈ উদ্ধাৰ কৰি লৈ যোৱা হয়। আশ্ৰমত বৃদ্ধাগৰাকীৰ থকাৰ উপযুক্ত ব্যৱস্থা কৰা হয়। এই ঘটনাই পুনৰ এবাৰ প্ৰমাণ কৰিলে- মানৱতা সকলো ধৰ্মৰ উৰ্ধত। সমাজৰ এই ধৰণৰ সহযোগিতাই অসহায় লোকসকলৰ জীৱনলৈ কঢ়িয়াই আনে নতুন আশাৰ পোহৰ। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বেও সাংবাদিক ইনামুল আহমেদ, বিনোদ বিহাৰী নাথ সকলৰ সহযোগত শিক্ষক ড° ছিৰখাত হুছেইনে পথৰ দাঁতিৰ পৰা পৰিত্যক্ত অৱস্থাত এগৰাকী আইতাক উদ্ধাৰ কৰি অভয়াপুৰীৰ বয়োজ্যেষ্ঠ আশ্ৰমত ৰাখি পিছলৈ সামাজিক মাধ্যমৰ সহায়ত নিজৰ পৰিয়ালৰ হাতত চমজাই দিছিল।

# চিৰাঙৰ চিদলীত ৰাষ্ট্ৰীয় কৃষক দিৱস উদ্‌যাপন

**অসমবাৰ্তা, বিজনী, ২২ ডিচেম্বৰ** ঃ চিৰাং জিলাৰ চিদলীৰ নমলপুৰ ভি, চি, ডি, চি কাৰ্যালয় প্ৰেক্ষাগৃহত সোমবাৰে দিনযোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰিজ'নিয়া লিমিটেড আৰু প্ৰেৰণা বে-চৰকাৰী সংস্থাৰ সহযোগত অনুষ্ঠিত কৰে ৰাষ্ট্ৰীয় কৃষক দিৱস। কৃষক দিৱসৰ লগত সংগতি ৰাখি চিৰাং জিলাৰ কৃষক সকলক কৃষি বিভাগৰ বিভিন্ন অভিলাষী আঁচনি সম্পৰ্কে অৱগত কৰাৰ উদ্দেশ্যে ৰিজ'নিয়া লিমিটেড আৰু প্ৰেৰণা বেচৰকাৰী সংস্থাই আয়োজন কৰা সভাত উপস্থিত থাকে ৰেজনিয়া লিমিটেডৰ প্ৰজেক্টৰ প্ৰধান চিত্ত ৰঞ্জন মিশ্ৰ, সহকাৰী চি, এছ, আৰ পৰিচালক সুপৰিয়া কাকতি, ROW মেনেজাৰ হৃষিকেশ গোহাঁই, মুখ্য পৰিচালক বিশ্বজিত তামোলি, উপদেষ্টা প্ৰাক্তন DSP কমল ৰাজবংশী, পদ্মশ্ৰী বঁটাপ্ৰাপ্ত খেতিয়ক সৰ্বেশ্বৰ বসুমতাৰী, ১৩ নং চিৰাং সমষ্টিৰ পাৰিষদ শুকুৰ সিং মুছাহাৰী, অৱসৰপ্ৰাপ্ত কৃষি পৰিদৰ্শক বিজয় সূত্ৰধৰ, ছিদলী ৰাজহ চক্ৰ বিষয়া, ভিচিডিচিৰ চেয়াৰপাৰ্ছনৰ লগতে অঞ্চল খনৰ কৃষক সকল। অনুষ্ঠানত উপস্থিত থাকি ১৩ নং চিৰাং সমষ্টিৰ পাৰিষদ শুকুৰ সিং মুছাহাৰীয়ে দেশত কৃষক থাকিলেহে দেশ থাকিব বুলি মন্তব্য প্ৰকাশ কৰে। সভাত "কৃষক দিৱস"ৰ এই শুভক্ষণত প্ৰতিগৰাকী কৃষকলৈ প্ৰেৰণা বেচৰকাৰী সংস্থাই মানপত্ৰ, গামোছা, গছপুলি আৰু বিভিন্ন শষ্যৰ বীজ প্ৰদান কৰি আন্তৰিক শুভেচ্ছা আৰু দীৰ্ঘায়ু কামনা কৰে।

# বৰক্ষেত্ৰীত নতুন সাহিত্য পৰিষদৰ ৰাজ্যিক অভিৱৰ্তনৰ বিশাল আয়োজন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২২ ডিচেম্বৰ** ঃ নতুন সাহিত্য পৰিষদৰ ৰাজ্যিক অভিৱৰ্তন এইবেলি এদিনীয়া কাৰ্যসূচীৰে বৰক্ষেত্ৰীৰ মুকালমুৱাত অনুষ্ঠিত হ'ব। নলবাৰী জিলা কমিটিৰ আহ্বান মৰ্মে বৰক্ষেত্ৰী শাখাৰ উদ্যোগত অহা ১ ফেব্ৰুৱাৰী ২০২৬ বৰ্ষত মুকালমুৱাত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক অভিৱৰ্তন সফল কৰাৰ বাবে এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। মুকালমুৱাৰ বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক দীনেশ কলিতাক সভাপতি, প্ৰগতিশীল লেখক পৰীক্ষিত বৈশ্যক কাৰ্যকৰী সভাপতি নিৰন্ধকাৰ নগেন দাসক সম্পাদক হিচাবে লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হয়। নগেন দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত বক্তব্য ৰাখে অসমৰ বিশিষ্ট কবি তথা নতুন সাহিত্য পৰিষদৰ সভাপতি সমীন্দ্ৰ হুজুৰি, সম্পাদক চোহৰা আহমেদ, উৎপল হালৈ, নলবাৰী জিলা কমিটিৰ প্ৰাক্তন সভাপতি খগেন বৰ্মন, বৰক্ষেত্ৰী অঞ্চলৰ সাহিত্যানুৰাগী দীনেশ কলিতা, ভুৱনেশ্বৰ বৰ্মন, আলতাফ হুছেইন, চামচুদ্দিন আহমেদ, সোণালী আহমেদ, কৈলাস নাথ আৰু বিশিষ্ট শিক্ষাসেৱক পিয়াৰ আলীয়ে। সভাই এই সন্মিলন সফল কৰাৰ বাবে বৰক্ষেত্ৰী অঞ্চলৰ সৰ্বস্তৰৰ জনতাৰ সহযোগিতা কামনা কৰিছে।

# ধিঙৰ ধূপগুৰিত এ আই ইউ ডি এফৰ প্ৰতিবাদী কাৰ্যসূচী




**অসম বাৰ্তা, বটদ্ৰৱা, ২২ ডিচেম্বৰ** ঃ নগাঁও জিলাৰ ধিং সমষ্টিৰ অন্তৰ্গত ধূপগুৰিত যোৱা ২১ ডিচেম্বৰৰ নিশা এ আই ইউ ডি এফৰ এক প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। জানিব পৰা মতে, বাংলাদেশত মৌলবাদী সন্ত্ৰাসবাদীৰ দ্বাৰা সংখ্যালঘু (হিন্দু) দীপ চন্দ্ৰ দাসৰ ওপৰত হোৱা অমানৱিক অত্যাচাৰ আৰু বিদেশীক নামত স্বদেশী ভাৰতীয়ক বহিষ্কাৰৰ বিৰুদ্ধে এ আই ইউ ডি এফৰ এই প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হয়। এ আই ইউ ডি এফৰ শতাধিক কৰ্মীয়ে হাতত প্লে' কাৰ্ড লৈ স্বদেশী মুছলমানক বিদেশী সজোৱা বন্ধ কৰক, বিদেশী ন্যায়াধি কৰণৰ হঠকাৰিতা বন্ধ কৰক, স্বদেশী মুছলমানক বিদেশী সজোৱা ষড়যন্ত্ৰ বন্ধ কৰক, বিদেশীৰ নামত মুছলমানক অত্যাচাৰ বন্ধ কৰক আদি ধ্বনিৰে ধূপগুৰিৰ আকাশ বতাহ কঁপাই তোলে। আজিৰ এই প্ৰতিবাদী কাৰ্যসূচীত এ আই ইউ ডি এফৰ নগাঁও জিলা সমিতিৰ সভাপতি মতিউৰ ৰহমান, নগাঁও জিলাৰ যুৱ মৰ্চাৰ সভাপতি হবিবুৰ ৰহমান আৰু সম্পাদক ইক্ৰামূল হুছেইনকে আদি কৰি এ আই ইউ ডি এফৰ ধিং সমষ্টিৰ প্ৰায় শতাধিক কৰ্মী উপস্থিত আছিল।

### কেন্দ্ৰীয় ৰে'লমন্ত্ৰীক ব্যৱস্থা গ্ৰহণৰ দাবী

# নগাঁৱৰ কামপুৰত সাতটা বন্যহস্তীৰ মৃত্যুৰ ঘটনাত বঢ়মপুৰ সমষ্টিৰ অগপ আৰু জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ শোকপ্ৰকাশ

**অসম বাৰ্তা, পুৰণিগুদাম, ২১ ডিচেম্বৰ** ঃনগাঁও জিলাৰ কামপুৰ-যমুনামুখৰ মাজৰ চাংজুৰাইত যোৱা নিশা জনাঞ্চললৈ ওলাই অহা এটা বনৰীয়া হাতীৰ জাক ৰে'লআলি পাৰ হ'বলৈ ধৰাৰ সময়তে ৰাজধানী এক্সপ্ৰেছ ৰে'লৰ খুন্দাত মুঠ সাতটা হাতী মৃত্যু হোৱাৰ লগতে এটা পোৱালি হাতী গুৰুতৰভাৱে আহত হয়। এনে এটি শোকাৱহ ঘটনাৰ বাবে অসম গণ পৰিষদ, বঢ়মপুৰ সমষ্টিৰ সমূহ বিষয়ববীয়া আৰু কৰ্মীসকল দুখত ম্ৰিয়মাণ হৈ পৰিছে। এই অঞ্চলটোত পূৰ্বতেও ৰে'লৰ খুন্দাত বনৰীয়া হাতীৰ মৃত্যু হৈছিল যদিও একেলগে কেইটাবাটাও হাতী মৃত্যু হোৱাৰ শোকাৱহ ঘটনা এয়ে প্ৰথম। এই অঞ্চলটো বনৰীয়া হাতী পাৰ হোৱা অঞ্চল হিচাপে ৰে'ল বিভাগে ইতিমধ্যে চিনাক্ত কৰিছিল যদিও প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা নাছিল। সেয়েহে বঢ়মপুৰ সমষ্টিৰ সমূহ ৰাইজৰ লগতে অসম গণ পৰিষদ দলে পৰা ৰে'ল বিভাগক উক্ত অঞ্চলত তৎকালীনভাৱে এলিফেণ্ট কৰিডৰ নিৰ্মাণ কৰি শান্তি আৰু শক্তিৰ প্ৰতীক বন্যহস্তী সুৰক্ষাৰ স্থায়ী পদক্ষেপ গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে। লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় ৰে'ল মন্ত্ৰালয়ৰ লগত আলোচনা কৰি এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। ইফালে, কামপুৰ-যমুনামুখৰ মাজৰ চাংজুৰাইত যোৱা নিশা খাদ্যৰ সন্ধানত জনাঞ্চললৈ ওলাই অহা এটা বনৰীয়া হাতীৰ জাক ৰে'লআলি পাৰ হ'বলৈ ধৰাৰ সময়তে এখন ৰে'লৰ খুন্দাত মুঠ সাতটা বন্যহস্তীৰ মৃত্যু হোৱাৰ কৰুণ শোকাৱহ ঘটনাৰ বাবে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, পুৰণিগুদাম আঞ্চলিক সমিতিৰ সমূহ বিষয়ববীয়া আৰু কৰ্মীসকল দুখত ম্ৰিয়মাণ হৈ পৰিছে। এনেকুৱা ঘটনা যাতে পুনৰাই নহয় পৰিষদৰ ফালৰ পৰা দাবী উত্থাপন কৰিছে। নগাঁও জিলা বন বিভাগ, বঢ়মপুৰ সমষ্টিৰ বিধায়ক, নগাঁও জিলা আয়ুক্ত আৰু মুখ্যমন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় ৰে'ল মন্ত্ৰালয়ৰ লগত আলোচনা কৰি এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী উত্থাপন কৰিছে।

### গছত ওলমি থকা অৱস্থাত উদ্ধাৰ মৃতদেহটো

# আমগুৰিত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, আমগুৰি, ২২ ডিচেম্বৰ** ঃ আমগুৰি আৰক্ষী থানাৰ অন্তৰ্গত নামতি টিঙিৰিপাম অভয়পুৰীয়াত আজি পুৱা আৰক্ষীয়ে এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ কৰে। এজোপা বগৰীগছত চিপজৰী লোৱা অৱস্থাত উদ্ধাৰ হোৱা মৃতদেহটো প্ৰায় ৪০ বছৰীয়া পুৰুষৰ। পিন্ধনত এটা হাতদীঘল চেক দিয়া চোলা, জাম্পাৰ আৰু নীলা ৰঙৰ দীঘল ইনাৰ পেণ্ট। প্ৰায় ৫ ফুট চাৰি ইঞ্চি উচ্চতাৰ লোকজনৰ ডিঙিত কলা সূতাৰে বন্ধা এটা তাবিজ আছে। ক্ষীণ ব্যক্তি জনৰ গাৰ ৰং মিঠা বৰণীয়া, সামান্য দীঘল চুলি আছে। এই পৰ্যন্ত চিনাক্তকৰণ কৰিব নোৱাৰা মৃতদেহটো আৰক্ষীয়ে ৭২ ঘণ্টাৰ বাবে শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ মৰ্গত ৰখাৰ ব্যৱস্থা কৰিছে। কোনো লোকে লোকজনৰ পৰিচয় পালে আৰক্ষীৰ লগত যোগাযোগ কৰিবলৈ আমগুৰি আৰক্ষীয়ে আহ্বান জনাইছে।

# ইত্যাদিৰ দুদিনীয়া শাস্ত্ৰীয় বাঁহী সংগীতৰ কৰ্মশালাৰ সফল সামৰণি



**অসম বাৰ্তা, জাঁজী, ২২ ডিচেম্বৰ** ঃ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত গুৱাহাটীৰ উজানবজাৰস্থিত বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰত স্বেচ্ছাসেৱী অনুষ্ঠান ইত্যাদি উত্তৰ-পূৰ্বাঞ্চল সাংস্কৃতিক মঞ্চৰ উদ্যোগত আৰু আন্তৰ্ৰাষ্ট্ৰীয় বাঁহীবাদক দীপক শৰ্মাৰ সোঁৱৰণত উৎসৰ্গিত আয়োজিত দুদিনীয়া শাস্ত্ৰীয় বাঁহীৰ কৰ্মশালা "প্ৰতিধ্বনি-২০২৫"ৰ আজি সামৰণি পৰে। আন্তৰ্ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক পণ্ডিত ৰাজেন্দ্ৰ প্ৰসন্নৰ পৰিচালনাৰ কৰ্মশালাৰ আজি দ্বিতীয় আৰু অন্তিম দিনা সন্ধিয়া ৫: ৩০ বজাৰ পৰা অনুষ্ঠিত হোৱা সাংস্কৃতিক সন্ধিয়াৰ শুভ উদ্বোধন কৰে পদ্মশ্ৰী ড° সূৰ্য কান্ত হাজৰিকাই। আনহাতে বন্তি প্ৰজ্বলন কৰে ইত্যাদি মঞ্চৰ ৰাজ্যিক অধ্যক্ষা ড° শিখামনি বেজবৰুৱা গোস্বামী, পদ্মশ্ৰী ড.সূৰ্য কান্ত হাজৰিকা, বাঁহীবাদক প্ৰয়াত দীপক শৰ্মাৰ সহধৰ্মিনী জীনা শৰ্মা, সমাজকৰ্মী মঃ ইক্ৰামূল মজিদ, ৰাজবীৰ সিংহ আৰু ভাস্কৰ হাজৰিকাই। অনুষ্ঠানৰ আঁত ৰেডিও জকি ধৰে ৰীতু গগৈ আৰু তিতিক্ষা তনুশ্ৰী শিৰাই। ইয়াৰোপৰি বন্তি প্ৰজলনৰ পিছতেই ভাৰত ৰত্ন ভূপেন হাজৰিকা, জুবিন গাৰ্গ, বাঁহীবাদক প্ৰভাত শৰ্মা, দীপক শৰ্মা আৰু অভিনেতা পংকজ গোস্বামীৰ প্ৰতিচছবিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰে অভ্যাগত অতিথি আৰু ইত্যাদি মঞ্চৰ সদস্য-বিষয়ববীয়াসকলে। বাঁহীবাদক নিবিড় দেব শৰ্মাৰ নেতৃত্বত দলীয় এটি বাঁহীবাদনৰ সুৰীয়া কাৰ্যসূচীৰে ভাৰতৰত্ন ড°ভূপেন হাজৰিকাৰ আৰু মায়াবিনী সংগীতৰ সুৰৰ ধ্বনিৰে হাৰ্ট থ্ৰৱ জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। অনুষ্ঠানৰ আন এটি কাৰ্য্যসূচী উদীয়মান নৃত্য শিল্পী দিক্ষীতা কলিতাৰ ভাৰতনাট্যমেৰে দৰ্শকক মোহিত কৰে। মনালিছা গোস্বামীৰ সম্পাদনাৰে প্ৰকাশ পোৱা প্ৰতিধবনি-২০২৫ স্মৰণিকা "প্ৰতিধবনি"ৰ উন্মোচক মঃ ইক্ৰামূল মজিদে এটি চমু ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানত পদ্মশ্ৰী ড° সূৰ্য কান্ত হাজৰিকা, মঃ ইক্ৰামূল মজিদ, জীনা শৰ্মা আৰু ৰাজবীৰ সিংৰ উপৰিও সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱা ড°প্ৰাঞ্জল শইকীয়া, ভাস্কৰ হাজৰিকা, দেৱজিৎ শইকীয়াক ইত্যাদি মঞ্চই সম্বৰ্ধনা প্ৰদান কৰে। প্ৰতিধ্বনি-২০২৫ৰ বিশেষ আকৰ্ষণ পণ্ডিত ৰাজেন্দ্ৰ প্ৰসন্নজীক ইত্যাদি মঞ্চই অসমীয়া জাপি, পাটৰ গামোচা, গড় আৰু কামাখ্যা মন্দিৰৰ প্ৰতিকীৰে সম্বৰ্ধনা জ্ঞাপন কৰে আৰু তাৰ পিছতেই তেওঁ শাস্ত্ৰীয় বাঁহীৰ অনুষ্ঠান পৰিৱেশন কৰি সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলে। তেওঁৰ লগত তবলা আৰু বাঁহী সংগত কৰি সহযোগ কৰে দুই অসম সন্তান ক্ৰমে কৌশিক কোঁৱৰ আৰু দেৱকিশোৰ গোস্বামীয়ে। ইত্যাদিৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰতিধ্বনি-২০২৫ সফলভাৱে ৰূপায়ণ কৰি তোলাত বিশেষ ভাৱে সহযোগিতা কৰে ইত্যাদি মঞ্চৰ উদীয়মান যুৱক দেৱকিশোৰ গোস্বামী, অংকিত বৰদলৈ, ভ্ৰিজেশ দেৱ, সৌৰভ দাস, শংকৰ ৰবি দাস, হৰদীপ গোঁহাই আৰু তিতীক্ষা তনুশ্ৰী শিৰাই।

## উচ্ছেদৰ জাননী দিয়া

কৰিছে আৰু সমস্যা সমাধানৰ বাবে আলোচনাৰ পথ মুকলি আছিল বুলি দাবী কৰিছে। তুলিৰাম ৰংহাংয়ে কয় যে, অনা-কাৰ্বি লোকসকলক সংৰক্ষিত ভূমিৰ পৰা উচ্ছেদ কৰাৰ বাবে পৰিষদৰ ফালৰ পৰা সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি এক জাননী জাৰি কৰা হৈছিল। উক্ত জাননীত ১৫ দিনৰ ভিতৰত উচ্ছেদ অভিযান চলোৱাৰ কথা স্পষ্টভাৱে উল্লেখ আছিল। কিন্তু গুৱাহাটী উচ্চ ন্যায়ালয়ত এই সন্দৰ্ভত দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজৰিত গোচৰ (PIL)ৰ কাৰণে সময়মতে উচ্ছেদ কাৰ্য চলাব পৰা নগ'ল বুলি তেওঁ অভিযোগ কৰে। "আদালতত গোচৰ চলি থকা অৱস্থাত আমি উচ্ছেদ কৰিব নোৱাৰো। আমি প্ৰতিবাদকাৰীসকলক আলাপ-আলোচনাৰ জৰিয়তে সমস্যাটো সমাধান কৰিম বুলি আশ্বাস দিছিলো। কিন্তু তেওঁলোকে লিখিতভাৱে এই প্ৰতিশ্ৰুতি বিচাৰিছিল"ষ বুলি তুলিৰামে কয়। তেওঁ লগতে জনায় যে, সোমবাৰে বিয়লি ৪ বজাত প্ৰতিবাদকাৰীসকলৰ সৈতে এক আলোচনাৰ কাৰ্যসূচী নিৰ্ধাৰিত আছিল, যিটো এতিয়া অনিশ্চিত হৈ পৰিছে। আনফালে, দেওবাৰে নিশা কেইবাগৰাকীও প্ৰতিবাদকাৰীক আৰক্ষীয়ে গুৱাহাটীলৈ লৈ যোৱাৰ ঘটনাক লৈ উত্থাপিত অভিযোগৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তুলিৰামে কয় যে, আৰক্ষীয়ে তেওঁলোকক আটক কৰা নাই। "তেওঁলোকক চিকিৎসাৰ বাবেহে গুৱাহাটীলৈ লৈ যোৱা হৈছে। এই বিষয়ত এক ভুল বুজাবুজিৰ সৃষ্টি হৈছে, যাৰ ফলত পৰিস্থিতি ইমান উত্তপ্ত হৈ পৰিল, "বুলি CEM গৰাকীয়ে মন্তব্য কৰে। উল্লেখযোগ্য যে, বিগত কেইদিন ধৰি খেৰণিৰ ফিয়ালগপি আদি অঞ্চলত অনশন ধৰ্মঘটকে ধৰি বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী চলি আছিল। দেওবাৰে নিশা আৰক্ষীৰ হস্তক্ষেপৰ পাছত পৰিস্থিতি অধিক জটিল হৈ পৰে আৰু সোমবাৰে দিনৰ ভাগতে হাজাৰ হাজাৰ প্ৰতিবাদকাৰীয়ে তুলিৰাম ৰংহাংৰ ডংকামুকামস্থিত বাসগৃহত অগ্নিসংযোগ কৰে। এই ঘটনাৰ পাছতো জিলাখনত উত্তেজনা বিৰাজ কৰি আছে আৰু নিৰাপত্তা বাহিনীৰ মোতায়েন অব্যাহত আছে। পৰিষদৰ নেতৃত্বই এতিয়াও শান্তি পুনৰুদ্ধাৰৰ বাবে আলোচনাৰ দুৱাৰ মুকলি ৰখাৰ কথা কৈছে যদিও প্ৰতিবাদকাৰীসকলৰ ফালৰ পৰা তাৎক্ষণিকভাৱে কোনো প্ৰতিক্ৰিয়া লাভ হোৱা নাই। ৰাজ্য চৰকাৰেও এই পৰিস্থিতিৰ ওপৰত চকু ৰাখিছে আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জানিব পৰা গৈছে।

## বটদ্ৰৱা প্ৰকল্পত উপস্থিত হৈ

প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য প্ৰায় সম্পূৰ্ণ হৈছে। এই প্ৰকল্পটো আগন্তুক ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব বুলি জানিব পৰা গৈছে। উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতিৰ অংশ হিচাপে সোমবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বটদ্ৰৱাত উপস্থিত হৈ প্ৰকল্পটোৰ চূড়ান্ত পৰ্যায়ৰ কাম-কাজৰ লগতে জনসভাৰ স্থলী পৰিদৰ্শন কৰে আৰু সংশ্লিষ্ট বিষয়াসকলক প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰে। এই প্ৰকল্পৰ জৰিয়তে শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানক এক বিশেষ ধৰ্মীয় আৰু সাংস্কৃতিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ সংকল্প লৈ অসম চৰকাৰে বেদখলমুক্ত কৰা প্ৰায় ১৬২ বিঘা ভূমিত ২০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে বিভিন্ন নিৰ্মাণকাৰ্য সম্পন্ন কৰিছে। প্ৰকল্পটোত বিশ্বৰ উচ্চতম গুৰু আসন, সত্ৰীয়া সংস্কৃতিৰ কাৰুকাৰ্য খচিত অতিথিগৃহ, দেৱবাদ্য তালৰ সাজত সজ্জিত কলাকেন্দ্ৰ, খোলৰ সাজত গৱেষণা কেন্দ্ৰ, নাৱৰ সাজত মাস্ক বিকাশ কেন্দ্ৰ, জাপিৰ সাজত নাটঘৰকে ধৰি অসংখ্য আকৰ্ষণীয় উপাদান সন্নিৱিষ্ট কৰা হৈছে। এই সকলোবোৰে প্ৰকল্পটোক এক আটকধুনীয়া আৰু বিশ্বমানৰ ৰূপ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে পৰিদৰ্শনৰ সময়ত জিলা প্ৰশাসন, লোকনিৰ্মাণ বিভাগকে ধৰি বিভিন্ন বিভাগৰ বিষয়ববীয়াসকলক প্ৰকল্পৰ কাম দ্ৰুততাৰে সমাপ্ত কৰাৰ লগতে উদ্বোধনী অনুষ্ঠানৰ সকলো আয়োজন নিখুঁতভাৱে সম্পন্ন কৰাৰ নিৰ্দেশ দিয়ে। উদ্বোধনী অনুষ্ঠানটো মাংগলিক পৰিৱেশত সম্পন্ন কৰাৰ বাবে প্ৰায় দুহাজাৰ গায়ন-বায়ন আৰু আয়তীৰ নামকীৰ্তনৰ জৰিয়তে কেন্দ্ৰীয় গৃহমন্ত্ৰীক আদৰণি জনোৱাৰ প্ৰস্তুতি চলি আছে। পৰিদৰ্শনকালত ৰাজ্য চৰকাৰৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকা, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, ৰমাকান্ত দেউৰী আৰু শশীকান্ত দাসকে ধৰি কেইবাগৰাকীও মন্ত্ৰী-বিধায়ক উপস্থিত আছিল। ইয়াৰ উপৰি নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ তথা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি অম্লানজ্যোতি দেৱ গোস্বামীসহ সমিতিৰ অন্যান্য বিষয়ববীয়া, জিলা আয়ুক্ত দেৱাশিস শৰ্মাকে ধৰি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল আৰু স্থানীয় ৰাইজো উপস্থিত থাকে। এই প্ৰকল্পই অসমৰ সাংস্কৃতিক ঐতিহ্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ লগতে পৰ্যটন খণ্ডক নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্ম আৰু সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰতো এই কেন্দ্ৰই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

## 'A for Assam'নহয়,

'A for Assam' বুলি মন্তব্য কৰি অহাৰ প্ৰত্যুত্তৰত অসম জাতীয় পৰিষদৰ (অজাপ) সভাপতি লুৰীণজ্যোতি গগৈয়ে শাসকীয় বিজেপিক কটাক্ষ কৰি কয় যে এতিয়া বিজেপিৰ বাবে 'A for Assam' নহয়, বৰঞ্চ 'A for Adani আৰু Ambani' হৈছে। সোমবাৰে নগাঁৱৰ খগেন মহন্ত প্ৰেক্ষাগৃহত অনুষ্ঠিত অজাপৰ কেন্দ্ৰীয় বৰ্ধিত প্ৰতিনিধি সভাৰ অন্তত এই তীক্ষ্ণ সমালোচনা কৰে গগৈয়ে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰত্যক্ষভাৱে আক্ৰমণ কৰি লুৰীণজ্যোতি গগৈয়ে কয়, "বিজেপি চৰকাৰে এতিয়া ৫০ হাজাৰ বিঘা মাটি আদানিক দিবলৈ ওলাইছে। এতিয়া বিজেপিৰ মূল লক্ষ্য ভয়-ভাবুকি আৰু প্ৰলোভনৰ ৰাজনীতি। ২০১৬ চনত মুখ্যমন্ত্ৰীয়ে বিজেপিলৈ যোৱাৰ পিছত অসমত সাম্প্ৰদায়িক ৰাজনীতিৰ পৰিৱেশ সৃষ্টি হৈছে। আগতে বিজেপিক গুণগত ৰাজনীতিৰ বাবে মানুহে চিনি পাইছিল, কিন্তু তেওঁ অহাৰ পিছত সেই পৰিৱেশ নাইকিয়া হৈছে। তেওঁৰ আগমনৰ পৰাই অচিনাকি লোকৰ দপদপনি বৃদ্ধি পাইছে আৰু চিণ্ডিকেটৰাজ চলিছে— শিল, বালি, চুপাৰি আদি সকলোতে। আমি এইবোৰৰ বিৰুদ্ধে নিস্তাৰ নিদিওঁ, আমি যুঁজিম।" অজাপৰ কাৰণে মন্ত্ৰিত্বৰ লালসা মূল বিষয় নহয় বুলি স্পষ্ট কৰি গগৈয়ে কয়, "বিজেপিয়ে ব্লেকমেইলিঙৰ ৰাজনীতি কৰে। আমাৰ বাবে মন্ত্ৰিত্বৰ প্ৰলোভন গুৰুত্বপূৰ্ণ নহয়। বিজেপিৰ বিৰুদ্ধে আমি সকলোৰে মিত্ৰতা বিচাৰিছোঁ আৰু এই সন্দৰ্ভত মই মোৰ পৰামৰ্শ দিছোঁ।" আনহাতে, জনপ্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় সন্দৰ্ভত গগৈয়ে মুখ্যমন্ত্ৰীক সমালোচনা কৰি কয়, "জুবিনদাৰ মৃত্যুৰ পিছত মুখ্যমন্ত্ৰীয়ে কি কৰিলে আৰু কি নকৰিলে, আমি সকলোৰে ক'ম। মৃতদেহ অনিবলৈ লৈ যোৱা চাৰ্টাৰ্ড বিমানখন লৈ তেওঁ ক'ত পূজা কৰিবলৈ গৈছিল, মৃতদেহ অনিবলৈ গৈছিল নে পূজা কৰিবলৈ গৈছিল — সেয়াও আমি ৰাজহুৱা কৰিম। শেষকৃত্যত ৰাষ্ট্ৰীয় মৰ্যাদা দিয়াৰ কথা কৈছিল, কিন্তু দিয়া নাই। বিজেপিয়ে জুবিনদাক ন্যায় দিয়া নাই। দুদিনৰ বাবে অসমলৈ আহি এবাৰো জুবিনদাৰ নাম লোৱা নাই প্ৰধানমন্ত্ৰীয়ে।" সভাত চাৰিটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। প্ৰথম প্ৰস্তাৱঃ সভাই শেহতীয়া অসম ভ্ৰমণত প্ৰধানমন্ত্ৰীয়ে জাতিৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সমাধিস্থলীলৈ নোযোৱা আৰু ভাষণত তেওঁৰ নাম উল্লেখ নকৰাটো দুৰ্ভাগ্যজনক বুলি গৰিহণা দিয়ে। লগতে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ালয়ৰ তত্ত্বাৱধানত চি বি আই তদন্তৰ দাবী জনাই প্ৰতিবাদ অব্যাহত ৰখাৰ সংকল্প লয়। দ্বিতীয় প্ৰস্তাৱঃ অজাপে ৰাজ্যৰ গণবিৰোধী ভাৰতীয় জনতা পাৰ্টী চৰকাৰক ক্ষমতাৰ পৰা অপসাৰণ কৰি এখন গণমুখী চৰকাৰ গঠনৰ আহ্বান জনায়। দুৰ্নীতি, চিণ্ডিকেটৰাজ আৰু দমনমূলক নীতিৰ গৰিহণা দিয়ে। তৃতীয় প্ৰস্তাৱঃ তেজপুৰ বিশ্ববিদ্যালয়ৰ অচলাৱস্থাৰ প্ৰতি উদ্বেগ প্ৰকাশ কৰি বিতৰ্কিত উপাচাৰ্য শম্ভুনাথ সিঙৰ অপসাৰণৰ দাবী জনায়। লগতে উপাচাৰ্য নিযুক্তিত যোগ্যতা আৰু শৈক্ষিক মৰ্যাদাক অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনায়। চতুৰ্থ প্ৰস্তাৱঃ বাংলাদেশৰ ৰাজনৈতিক অস্থিৰতা আৰু ধৰ্মীয় সংখ্যালঘু নিৰ্যাতনৰ ঘটনাক গৰিহণা দিয়ে। কেন্দ্ৰীয় চৰকাৰক কূটনৈতিক হস্তক্ষেপৰ দাবী জনোৱাৰ লগতে অসমলৈ অবৈধ অনুপ্ৰৱেশ ৰোধত ৰাইজক সজাগ হ'বলৈ আহ্বান জনায়। এই সভাই অজাপৰ সাংগঠনিক শক্তি বৃদ্ধিৰ লগতে ৰাজ্যিক ৰাজনীতিত নতুন মিত্ৰতা গঠনৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি বিশে-ষকসকলে মন্তব্য কৰিছে।

## কাছাৰত খহনীয়া প্ৰতিৰোধী

ৰকাৰৰ দীৰ্ঘম্যাদী খহনীয়া আৰু বানপানী প্ৰতিৰোধী প্ৰচেষ্টাৰ কথা উল্লেখ কৰে। প্ৰথমে লক্ষ্মীপুৰত অনুষ্ঠিত কাৰ্যসূচীত মন্ত্ৰী কৌশিক ৰায়ৰ উপস্থিতিত হাজৰীকাই 'বৰাক নৈৰ বাঁওফালৰ খহনীয়াৰ পৰা লক্ষ্মীপুৰ (বিন্নাকান্দি অংশ-২) অঞ্চলক সুৰক্ষিত কৰাৰ খহনীয়া প্ৰতিৰোধী আঁচনি'ৰ আধাৰশিলা স্থাপন কৰে। প্ৰায় ৪ কোটি টকাৰ এই প্ৰকল্পত অত্যাধুনিক সামগ্ৰী যেনে এ-টাইপ জিঅ' বেগ, পাৰ্কুপাইন আৰু জিঅ'ছিন্থেটিক ফেব্ৰিক শ্বীট ব্যৱহাৰ কৰি লক্ষ্মীপুৰ বিধানসভা সমষ্টিৰ এক বৃহৎ অংশক নৈৰ খহনীয়াৰ পৰা সুৰক্ষা প্ৰদান কৰা হ'ব। আধাৰশিলা স্থাপন কৰি স্থানীয় লোকক উদ্দেশ্যি দিয়া ভাষণত মন্ত্ৰী হাজৰীকাই কয় যে, স্বাধীনতাৰ পাছৰ সাত দশকত পূৰ্বৰ চৰকাৰসমূহে মুঠ প্ৰায় ৪, ৫০০ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰাৰ বিপৰীতে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বৰ্তমান চৰকাৰে মাত্ৰ চাৰি বছৰত প্ৰায় ১ হাজাৰ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰিবলৈ সক্ষম হৈছে। পূৰ্বতে প্ৰতি বছৰে বানপানীত ৪০ৰ পৰা ৬০টা, কেতিয়াবা শতাধিক মথাউৰি ছিগি যোৱাৰ বিপৰীতে বৰ্তমান চৰকাৰৰ সদিচ্ছা, জলসম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ অহোপুৰুষাৰ্থ আৰু অত্যাধুনিক পদ্ধতিৰ ব্যৱহাৰেৰে এতিয়া এই সংখ্যা মাত্ৰ ২ৰ পৰা ৫টালৈ হ্ৰাস পাইছে। চৰকাৰখন বান আৰু খহনীয়াৰ সমস্যাৰ চূড়ান্ত সমাধানৰ লগতে ৰাজ্যৰ জীৱন, জীৱিকা আৰু ভূমিৰ দীৰ্ঘম্যাদী সুৰক্ষা নিশ্চিত কৰাৰ বাবে সংকল্পবদ্ধ বুলিও তেওঁ উল্লেখ কৰে। তাৰ পাছত মন্ত্ৰীগৰাকীয়ে সোনাই বিধানসভা সমষ্টিৰ অন্তৰ্গত কচুদৰম আৰু সোনাই আৰক্ষী থানাৰ নতুন ভৱন নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। কেন্দ্ৰীয় চৰকাৰৰ মৈত্ৰী আঁচনিৰ অধীনত এই দুয়োখন থানাৰ আধুনিক গৃহ নিৰ্মাণ কৰা হ'ব। এই কাৰ্যসূচীত হাজৰীকাই কয় যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত অসম আৰক্ষীয়ে ব্যাপক পৰিৱৰ্তনৰ সাক্ষী হৈছে আৰু আৰক্ষী বাহিনীক আধুনিকীকৰণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। লগতে তেওঁ উল্লেখ কৰে যে, বিগত চাৰি বছৰত সম্পূৰ্ণ মেধাৰ ভিত্তিত প্ৰায় ডেৰ লাখ চৰকাৰী নিযুক্তি প্ৰদান, নতুন মেডিকেল কলেজ আৰু বিশ্ববিদ্যালয় স্থাপন, বিস্তৃত পথ নিৰ্মাণকে ধৰি বহুতো উন্নয়নমূলক কামেৰে বৰ্তমান চৰকাৰখন ৰাইজৰ অতি আপোন হৈ পৰিছে। সন্ধিয়া সোনাই সমষ্টিৰ উত্তৰ কৃষ্ণপুৰ অঞ্চলত মন্ত্ৰীগৰাকীয়ে ২.২০ কোটি টকাৰ এটা জলসম্পদ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। AMRUT আঁচনিৰ অধীনত গ্ৰহণ কৰা এই জল যোগান প্ৰকল্পটোৱে খহনীয়াৰোধতো উল্লেখযোগ্য ভূমিকা পালন কৰিব। এই কাৰ্যসূচীসমূহত স্থানীয় বিধায়ক, জিলা প্ৰশাসনৰ বিষয়া আৰু বৃহৎ সংখ্যক ৰাইজে অংশগ্ৰহণ কৰে। মন্ত্ৰী হাজৰীকাৰ এই সফৰে কাছাৰ জিলাৰ উন্নয়নৰ গতি আৰু ত্বৰান্বিত কৰিব বুলি স্থানীয় লোকে আশা প্ৰকাশ কৰিছে।

## ৩,৪২০ গৰাকী যুৱক-

৩, ৪২০গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে দাবী কৰে যে তেওঁৰ নেতৃত্বাধীন চৰকাৰে প্ৰতিশ্ৰুতি দিয়া ২ লাখ নিযুক্তিৰ লক্ষ্যৰ ফালে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে আৰু এতিয়ালৈকে ১, ৪৫, ৪৪৯টা পদত নিযুক্তি প্ৰদান কৰা হৈছে। নিযুক্তি পত্ৰ বিতৰণী অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে বিগত পাঁচ বছৰত অসম চৰকাৰে স্বচ্ছ আৰু মেধাৰ ভিত্তিত নিযুক্তি প্ৰক্ৰিয়াত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। এইবাৰ নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে স্বাস্থ্য বিভাগ, ডাইৰেক্টৰেট অৱ হেল্‌থ চাৰ্ভিচেছ (ডি এইচ এছ) আৰু ডাইৰেক্টৰেট অৱ মেডিকেল এডুকেচন (ডি এম ই)ৰ অন্তৰ্গত তৃতীয় বৰ্গৰ বিভিন্ন কাৰিকৰী আৰু অ-কাৰিকৰী পদসমূহৰ বাবে। মুখ্যমন্ত্ৰীয়ে লগতে আগন্তুক ঔদ্যোগিক প্ৰকল্পসমূহৰ পৰা উদ্ভৱ হ'বলগীয়া বৃহৎ পৰিমাণৰ কৰ্মসংস্থানৰ সুযোগৰ বিষয়ে আলোকপাত কৰে। তেওঁ উল্লেখ কৰে যে অৰ্ধপৰিবাহী (চেমিকণ্ডাক্টৰ) উদ্যোগকে ধৰি নামৰূপৰ ইউৰিয়া উদ্যোগৰ দৰে প্ৰকল্পসমূহে হাজাৰ হাজাৰ যুৱক-যুৱতীৰ বাবে নতুন কৰ্মসংস্থানৰ দুৱাৰ মুকলি কৰিব। বিশেষকৈ ধুবুৰীৰ চৰ অঞ্চলত প্ৰস্তাৱিত ৩, ০০০ মেগাৱাটৰ তাপ বিদ্যুৎ প্ৰকল্পই ১০ হাজাৰৰো অধিক লোকৰ বাবে পোনপটীয়া আৰু পৰোক্ষ কৰ্মসংস্থানৰ সৃষ্টি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ইফালে, চৰকাৰী কৰ্মচাৰীসকলৰ বদলি প্ৰক্ৰিয়াৰ কথা উল্লেখ কৰি শৰ্মাই কয় যে এতিয়াৰ পৰা বদলিৰ সিদ্ধান্ত পৰ্টেলৰ জৰিয়তে স্বয়ংক্ৰিয়ভাৱে লোৱা হ'ব। কৰ্মচাৰীসকলৰ মাজত মিউচুৱেল এক্সচেঞ্জৰ সুবিধাকে ধৰি খালী পদৰ ওপৰত ভিত্তি কৰিয়েই বদলিৰ অনুমতি প্ৰদান কৰা হ'ব বুলি তেওঁ স্পষ্ট কৰে। অনুষ্ঠানৰ পিছত মুখ্যমন্ত্ৰীয়ে নিজৰ সামাজিক মাধ্যমৰ এটা পোষ্টত লিখে, "খানাপাৰাত অনুষ্ঠিত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ জৰিয়তে ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ বিভিন্ন কাৰিকৰী আৰু অ-কাৰিকৰী পদৰ ৩, ৪২০গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰিবলৈ পোৱাটো মোৰ বাবে দিনটোৰ এক ভাললগা অভিজ্ঞতা। নিযুক্তি পত্ৰ লাভ কৰা প্ৰতিগৰাকীলৈ মই আন্তৰিক অভিনন্দন জনালোঁ।" চৰকাৰৰ কাৰ্যকাল শেষ হ'বলৈ মাত্ৰ কেইটামান মাহ বাকী থকাৰ মাজতে এনে ধাৰাবাহিক নিযুক্তি প্ৰক্ৰিয়াই ৰাজ্যৰ যুৱ সমাজত নতুন আশাৰ সঞ্চাৰ কৰিছে বুলি বিশে-ষকসকলে মন্তব্য কৰিছে।

## বাংলাদেশত নতুন অশান্তিৰ

সীমান্ত অঞ্চলত সতৰ্কতা বৃদ্ধি কৰাৰ লগতে সম্ভাব্য অনুপ্ৰৱেশ আৰু আইন-শৃংখলাৰ ভাবুকি ৰোধৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনাইছে। সোমবাৰে সাংবাদিকৰ সৈতে হোৱা এক কথা-বতৰাত মুখ্যমন্ত্ৰী শৰ্মাই কয় যে, বাংলাদেশত হিন্দু সম্প্ৰদায়ৰ লোকক লক্ষ্য কৰি চলোৱা অত্যাচাৰৰ খবৰে ৰাজ্য চৰকাৰক গভীৰ উদ্বেগত পেলাইছে। "বাংলাদেশত হিন্দুসকলক জীৱন্তে জ্বলাই দিয়াৰ দৰে নিৰ্মম ঘটনা সংঘটিত হৈছে। লগতে যিসকল বৰ্তমান তাত ক্ষমতাত আছে, তেওঁলোকে উত্তৰ-পূব ভাৰতক নিজৰ দেশৰ অংশ কৰাৰ কথা বাৰে বাৰে কৈ আহিছে, "বুলি শৰ্মাই অভিযোগ উত্থাপন কৰে। তেওঁ লগতে কয় যে, বিভিন্ন সময়ত বাংলাদেশৰ পৰা অহা অনুপ্ৰৱেশকাৰীৰ বাবে অসমৰ জনগাঁঠনিত ব্যাপক পৰিৱৰ্তন ঘটিছে আৰু এই পৰিস্থিতিৰ ওপৰত সকলোৱে সজাগ হ'ব লাগিব। সামাজিক মাধ্যমতো মুখ্যমন্ত্ৰীয়ে এক পোষ্টত লিখিছে, "বাংলাদেশত যি হৈছে তাক আমি গভীৰ উদ্বেগেৰে লক্ষ্য কৰি আছোঁ। আমি সকলোৱে জানো যে, বিভিন্ন সময়ত বাংলাদেশৰ পৰা অহা লোকেৰে অসম ভৰি আছে। আমি এই বিষয়টোৰ ওপৰত চোকা দৃষ্টি ৰাখিছোঁ আৰু প্ৰত্যেকে সচেতন হ'ব লাগিব।" যোৱা সপ্তাহতো শৰ্মাই একেধৰণৰ মন্তব্য কৰি কৈছিল যে, বাংলাদেশৰ একাংশ নেতাই উত্তৰ-পূবক পৃথক কৰি নিজৰ দেশৰ সৈতে একত্ৰিত কৰাৰ কথা বাৰে বাৰে উত্থাপন কৰি আহিছে। তেওঁ সকীয়াই দি কৈছিল যে, ভাৰত এখন পাৰমাণৱিক শক্তিসম্পন্ন আৰু বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতিৰ দেশ হিচাপে এনে ধৰণৰ কথাৰ প্ৰতি মৌন হৈ নাথাকিব। ইপিনে, অসমৰ কাছাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তত অবৈধ চলাচল আৰু সম্ভাব্য আইন-শৃংখলাৰ সমস্যা ৰোধ কৰিবলৈ নিষেধাজ্ঞা জাৰি কৰা হৈছে। জিলা প্ৰশাসনে এই ব্যৱস্থা গ্ৰহণ কৰি সীমান্তৰ পাঁচ কিলোমিটাৰৰ ভিতৰত ৰাতিৰ সময়ত চলাচল আৰু কিছুমান অত্যাৱশ্যকীয় সামগ্ৰীৰ পৰিবহণ নিয়ন্ত্ৰণ কৰিছে। উল্লেখযোগ্য যে, বাংলাদেশত শেহতীয়া অশান্তিৰ মূল কাৰণ হৈছে ছাত্ৰ নেতা শ্বৰীফ ওছমান হাদীৰ মৃত্যু। গত ১২ ডিচেম্বৰত ঢাকাত মছজিদৰ পৰা ওলাই অহাৰ সময়ত মুখাৱৰণধাৰী আক্ৰমণকাৰীয়ে তেওঁক গুলীয়াই আহত কৰে আৰু সিংগাপুৰত চিকিৎসাধীন অৱস্থাত ১৮ ডিচেম্বৰত তেওঁৰ মৃত্যু হয়। হাদী গত বৰ্ষৰ ছাত্ৰ আন্দোলনৰ অন্যতম নেতা আছিল আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাচিনাৰ চৰকাৰৰ পতনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁৰ মৃত্যুৰ পাছত ঢাকাকে ধৰি দেশৰ বিভিন্ন ঠাইত তীব্ৰ প্ৰতিবাদ আৰু হিংসাত্মক ঘটনা সংঘটিত হৈছে, য'ত সংবাদ মাধ্যমৰ কাৰ্যালয়ত আক্ৰমণকে ধৰি বিভিন্ন ঘটনা সংঘটিত হৈছে। এই পৰিস্থিতিৰ প্ৰভাৱ অসমৰ সীমান্ত অঞ্চলতো পৰিব পাৰে বুলি আশংকা কৰি চৰকাৰে সজাগতা বৃদ্ধি কৰিছে। ৰাজ্যিক নিৰাপত্তা বাহিনীকো সতৰ্ক অৱস্থাত ৰখা হৈছে যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা ৰোধ কৰিব পৰা যায়।

## জুবিন গাৰ্গৰ মৃত্যু গোচৰত

জুবিন গাৰ্গৰ ভনীয়েক পামী বৰঠাকুৰে সংবাদ মাধ্যমক জনোৱা অনুসৰি, তেওঁ ব্যক্তিগতভাৱে শুনানিত উপস্থিত আছিল আৰু সমগ্ৰ কাৰ্যবিধি নিবিড়ভাৱে অনুসৰণ কৰিছিল। আদালতত হাজিৰ হোৱাৰ পিছত পামী বৰঠাকুৰে সংবাদ মাধ্যমক সম্বোধি কয় যে অভিযুক্তসকলৰ ভিতৰত এগৰাকী অমৃতপ্ৰভা মহন্তই স্বতন্ত্ৰভাৱে আইনী প্ৰতিনিধি নিয়োগ কৰিছে। সূত্ৰৰ পৰা জানিব পৰা মতে, মহন্তই অধিবক্তা গেব্ৰিয়েল সাহুক নিযুক্তি দিছে, যিয়ে আনুষ্ঠানিক আইনী প্ৰস্তুতিৰ ইংগিত দিয়ে। ন্যায়িক প্ৰক্ৰিয়াৰ প্ৰতি পূৰ্ণ আস্থা প্ৰকাশ কৰি বৰঠাকুৰে কয় যে ন্যায়ৰ প্ৰাধান্য থাকিব আৰু যথাযথ আইনী প্ৰক্ৰিয়াৰ জৰিয়তে জুবিন গাৰ্গে ন্যায় পাব বুলি পৰিয়ালটো আশাবাদী। তেওঁ লগতে উল্লেখ কৰে যে পৰিয়ালটোৱে এতিয়ালৈকে চাৰ্জশ্বীটৰ কপি লাভ কৰা নাই। অভিযোগনামাৰ ছীলকৃত কপি লাভ কৰাৰ পিছতহে অভিযুক্তসকলৰ বিৰুদ্ধে কি নিৰ্দিষ্ট অভিযোগ ফ্ৰেম কৰা হৈছে, সেয়া স্পষ্ট হ'ব। ভাৰ্চুৱেল শুনানিৰ সময়ত অভিযুক্তসকলৰ আচৰণৰ বিষয়ে মন্তব্য কৰি পামী বৰঠাকুৰে অভিযোগ উত্থাপন কৰে যে সমগ্ৰ কাৰ্যবিধিৰ সময়ছোৱাত তেওঁলোকৰ কোনোৱেই অনুশোচনাৰ কোনো লক্ষণ প্ৰদৰ্শন কৰা নাছিল। উল্লেখ্য যে, যোৱা ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত নৰ্থইষ্ট ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ গৈ থকাৰ সময়ত সাগৰত সাঁতুৰি থকাৰ সময়তে জুবিন গাৰ্গৰ মৃত্যু হয়। তেওঁৰ মৃত্যুক লৈ উদ্ভৱ হোৱা বিতৰ্কৰ পিছত অসম চৰকাৰে এক বিশেষ তদন্তকাৰী দল (এছ আই টি) গঠন কৰে। প্ৰায় তিনিমাহৰ তদন্তৰ অন্তত এছ আই টিয়ে অভিযোগনামা দাখিল কৰে, য'ত নৰ্থইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত, জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, সহশিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামীকে ধৰি কেইবাগৰাকীও অভিযুক্তৰ বিৰুদ্ধে হত্যাৰ অভিযোগ উত্থাপন কৰা হৈছে। ইফালে ছিংগাপুৰ আৰক্ষীয়ে এতিয়ালৈকে কোনো অপৰাধমূলক ষড়যন্ত্ৰৰ সন্দেহ নকৰিলেও অসমৰ তদন্তই গোচৰটোক নতুন মোৰ দিছে। পৰিয়ালটোৱে ন্যায়িক প্ৰক্ৰিয়াৰ ওপৰত ভৰসা ৰাখি অপেক্ষা কৰি আছে যে সত্য উদঘাটিত হ'ব আৰু দোষীসকলক শাস্তি প্ৰদান কৰা হ'ব। জুবিন গাৰ্গৰ মৃত্যুৱে অসমৰ সংগীত জগতত এক অপূৰণীয় ক্ষতি কৰিছে আৰু এই গোচৰে ৰাজ্যজুৰি ব্যাপক চৰ্চা লাভ কৰিছে।

## ধেমাজিত গৌৰৱ গগৈৰ

মাজি জিলাত এক বিশাল ধৰ্ণা আৰু প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত হয়। এই প্ৰতিবাদৰ জৰিয়তে কংগ্ৰেছে শীঘ্ৰে চিবিআই তদন্তৰ দাবী উত্থাপন কৰে। ধেমাজি জিলা কংগ্ৰেছ সমিতিৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত প্ৰায় এক হাজাৰৰো অধিক কংগ্ৰেছ কৰ্মীয়ে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে হাতত বেনাৰ, পোষ্টাৰ আৰু পে-কাৰ্ড লৈ জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা ধেমাজি আৰক্ষী থানাৰ সন্মুখলৈকে এক বিশাল মিছিলৰ ৰূপত আগবাঢ়ি যায়। মিছিলটোত তীব্ৰ শ্ল'গানেৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰক লক্ষ্য কৰি কোৱা হয় — "হিমন্ত বিশ্ব শৰ্মা গ'বেক", "জয়ন্ত মল্ল বৰুৱা কাম নাই", "জনস্বাস্থ্য কাৰিকৰী বিভাগত দুৰ্নীতিৰ শীঘ্ৰে চিবিআই তদন্ত কৰক" আদি। প্ৰতিবাদী সভাত ভাষণ দি গৌৰৱ গগৈয়ে কয় যে, জলজীৱন মিছন আঁচনিৰ নামত ৰাজ্যত হাজাৰ হাজাৰ কোটি টকাৰ দুৰ্নীতি হৈছে, কিন্তু গ্ৰাম্য অঞ্চলত এতিয়াও লাখ লাখ পৰিয়ালে বিশুদ্ধ খোৱাপানীৰ সুবিধা লাভ কৰা নাই। "নল আছে, জল নাই" - এই শ্ল'গানেৰে চৰকাৰৰ বিফলতাক উদঙাই দিয়া হয়। গগৈয়ে অভিযোগ উত্থাপন কৰে যে, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ নেতৃত্বত এই বিভাগটো দুৰ্নীতিৰ আঁতুৰা হৈ পৰিছে আৰু ঠিকাদাৰসকলৰ মাজতো বিলৰ ধন নিদি আহুকাল সৃষ্টি কৰা হৈছে। এই কাৰ্যসূচীত ধেমাজি জিলা কংগ্ৰেছৰ সভাপতি, সচিবকে ধৰি বিভিন্ন নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে চৰকাৰক সতৰ্ক কৰি দিয়ে যে, যদি শীঘ্ৰে চিবিআই তদন্তৰ ব্যৱস্থা নলয় তেন্তে কংগ্ৰেছে ৰাজ্যজুৰি অধিক তীব্ৰ আন্দোলন গঢ়ি তুলিব। উল্লেখযোগ্য যে, অসমত জলজীৱন মিছনৰ কামৰ অনিয়মিততাৰ বাবে ৰাজ্যখনে দেশত দ্বিতীয় স্থান দখল কৰাৰ অভিযোগ উঠিছে, যাৰ ফলত কংগ্ৰেছে এই বিষয়টোক লৈ ৰাজ্যিক পৰ্যায়ত ধাৰাবাহিক প্ৰতিবাদ চলাই আহিছে। ধেমাজিৰ এই ধৰ্ণা কাৰ্যসূচীয়ে সেই আন্দোলনৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে পৰিলক্ষিত হয়।

## NHPCত আৰম্ভ হ'ল

এই ইউনিটৰ পৰা ২৩ ডিচেম্বৰৰ মাজনিশাৰ পৰা (০০: ০০ বজাৰ পৰা) বাণিজ্যিক উৎপাদন আৰম্ভ হ'ব বুলি NHPCয়ে ষ্টক এক্সচেঞ্জত দাখিল কৰা নথিপত্ৰত উল্লেখ কৰিছে। যোৱা ২ ডিচেম্বৰত এই দ্বিতীয় ইউনিটটোৰ সফল পৰীক্ষণ সম্পন্ন হোৱাৰ পিছত ইয়াক ৰাষ্ট্ৰীয় পাৱাৰ গ্ৰীডৰ সৈতে সংযোগ কৰা হৈছিল। পৰীক্ষণৰ ফলাফল সন্তোষজনক হোৱাৰ পিছতহে বাণিজ্যিক উৎপাদনৰ অনুমোদন দিয়া হয়। মুঠ ২০০০ মেগাৱাট ক্ষমতাসম্পন্ন এই প্ৰকল্পটোত মুঠ আঠটা ইউনিট আছে, প্ৰতিটোৰ ক্ষমতা ২৫০ মেগাৱাটকৈ। প্ৰকল্পটো সম্পূৰ্ণৰূপে কাৰ্যক্ষম হ'লে ই দেশৰ সৰ্ববৃহৎ জলবিদ্যুৎ কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব। এই প্ৰকল্পটো এটা 'ৰান অৱ দ্য ৰিভাৰ' আঁচনিৰ, যাৰ ফলত পৰিৱেশৰ ওপৰত প্ৰভাৱ কম হয় আৰুনদীৰ স্বাভাৱিক প্ৰবাহৰ সুবিধা লৈ বিজুলী উৎপাদন কৰা হয়। প্ৰকল্পটোৰ অনুমানিক ব্যয় প্ৰায় ২৭, ০০০ কোটি টকা। ইপিনে, আজি পুৱা ১০ বজাত এই বৃহৎ প্ৰকল্পটোৰ কাৰ্যক্ষমতাৰ শুভ উদ্বোধন কৰিব কেন্দ্ৰীয় শক্তি মন্ত্ৰীয়ে ভাৰ্চুৱেলী। এই অনুষ্ঠানৰ জৰিয়তে প্ৰকল্পটোৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে চিহ্নিত কৰা হ'ব। প্ৰকল্পটোৰ বাকী ইউনিটসমূহৰ বাণিজ্যিক উৎপাদনৰ তাৰিখ পিছত জনোৱা হ'ব বুলি NHPCয়ে প্ৰকাশ কৰিছে। এই প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলৰ লগতে গোটেই দেশৰ বিজুলীৰ চাহিদা পূৰণত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰা হৈছে।

## আন্দোলনকাৰীৰ কালৰূপ; তুলিৰাম ৰংহাঙৰ পুৰণি

মুখ্য কাৰ্যবাহী সদস্য (CEM) তুলিৰাম ৰংহাংৰ ডংকামুকামস্থিত বাসগৃহত দিনৰ ভাগতে অগ্নিসংযোগ কৰে। এই ঘটনাই জিলাখনৰ পৰিৱেশক আৰু অধিক অৱনতিৰ দিশে ঠেলি দিছে। উল্লেখযোগ্য যে, বিগত কেইদিন ধৰি খেৰণিৰ ফিয়ালগপি অঞ্চলত বিভিন্ন সংগঠনৰ নেতৃত্বত অনশন ধৰ্মঘট চলি আছিল। দেওবাৰে নিশা আৰক্ষীয়ে অনশনকাৰী কেইজনমানক আটক কৰাৰ পাছতে পৰিস্থিতি উত্তপ্ত হৈ উঠে। সোমবাৰে হাজাৰ হাজাৰ স্থানীয় লোকে খেৰণিৰ পৰা ডংকামুকামলৈ মিছিলৰ ৰূপত আগবাঢ়ি যায় আৰু আটককৃতসকলৰ মুক্তিৰ দাবী উত্থাপন কৰে। প্ৰতিবাদকাৰীসকলে পথত টায়াৰ জ্বলাই বাধা দিয়ে আৰু কেইবাঠাইতো অগ্নিসংযোগৰ ঘটনা সংঘটিত কৰে। পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলক বাধা দিলে সংঘৰ্ষৰ সৃষ্টি হয়। এই সংঘৰ্ষত আৰক্ষীয়ে গুলীচালনা কৰে যাৰ ফলত কমেও তিনিজন প্ৰতিবাদকাৰী আহত হয়। আহতসকলক ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰা হয়। লগতে একাংশ সূত্ৰই জনোৱা অনুসৰি, এজন চিআৰপিএফ জোৱানো আহত হৈছে। ইপিনে, কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য পৱন কুমাৰৰ বাসগৃহও প্ৰতিবাদকাৰীসকলে লণ্ডভণ্ড কৰাৰ খবৰ লাভ হৈছে। খেৰণি আৰু ডংকামুকামকে ধৰি জিলাৰ বিভিন্ন ঠাইত উত্তেজনা বিৰাজ কৰি আছে আৰু নিৰাপত্তা বাহিনীৰ ব্যাপক মোতায়েন কৰা হৈছে। এই আন্দোলনৰ মূল দাবী হৈছে ষষ্ঠ অনুসূচীৰ অধীনত সংৰক্ষিত ভূমিসমূহত অবৈধ বসতি উচ্ছেদ কৰা। প্ৰতিবাদকাৰীসকলে অভিযোগ উত্থাপন কৰিছে যে, পৰিষদৰ নেতৃত্বই এই বিষয়ত যথোচিত ব্যৱস্থা গ্ৰহণ কৰা নাই। ফলত স্থানীয় কাৰ্বি আৰু অন্যান্য আদিবাসী সম্প্ৰদায়ৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। ৰাজ্য চৰকাৰৰ ফালৰ পৰা শিক্ষামন্ত্ৰী ৰণোজ পেগুক পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ঘটনাস্থলীলৈ পঠোৱা হৈছে। জিলাখনত শান্তি পুনৰুদ্ধাৰৰ প্ৰচেষ্টা অব্যাহত আছে যদিও উত্তেজনা এতিয়াও পূৰ্ণৰূপে নিয়ন্ত্ৰণলৈ অহা নাই।

## খ্ৰীষ্টমাৰ্চৰ আগে-আগে

তথা দক্ষিণপাট আশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী আৰু হিন্দু ৰাষ্ট্ৰ দাবী সমিতিৰ সম্পাদক তথা ৰাষ্ট্ৰীয় হিন্দু ফ্ৰণ্টৰ সম্পাদক বলেন বৈশ্যই। মাজুলীৰ বাবে ২০০৬ চনতে অনুমুদিত হৈ থকা মাজুলী সংস্কৃতিক দৃশ্যপট ক্ষেত্ৰ আইনখন আজিও কিছু গৃহীত কৰিব পৰা নাই। মাজুলীলৈ পঞ্জীয়ন বা অনুমতি হীন ভাৱে পৰ্যটকসকলক প্ৰবেশ প্ৰস্থান কৰিবলৈ দিয়া কাৰ্যকো সমালোচনা কৰি, এনে কাৰ্যইও খ্ৰীষ্ট ধৰ্মপ্ৰচাৰৰ উদ্দেশ্য অহা লোকক পৰ্যটক হিচাপে বিনা বাধাই অহা যোৱাৰ সুযোগ দিছে বুলি মন্তব্য কৰে। মাজুলীত ৩৬খন সত্ৰৰ বিপৰীতে ৬৪টা গীৰ্জা থকাৰ লগতে মুদৈবিল অঞ্চলত স্থায়ী পকী গীৰ্জা নিৰ্মাণ কৰিলে। একেদৰে দ্ৰুত গতিত মুছলমানৰ সংখ্যাও বৃদ্ধি পোৱাৰ লগতে মাজুলীত চাৰিটাকৈ মছজিদ পতাৰ বাবে প্ৰস্তুতি চলাই বৰ্তমান ৪১ কোটি টকাৰ বায়েৰে মজজিদ বনাবলৈ স্থান নিৰূপণ হৈছে বুলিও গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপিত কৰিছে। এনে ক্ষেত্ৰত বৈষ্ণৱ পীঠ স্থান মাজুলীত সত্ৰীয়া সংস্কৃতি বিপন্ন কৰাৰ অপচেষ্টা নিত্য নৈমিত্তিক ভাৱে মাজুলীত সম্পাদন হৈ আছে বুলিও সমিতিয়ে সদৰি কৰিছে। চৰকাৰে এই ক্ষেত্ৰত মাজুলীক সুৰক্ষা দিয়াৰ তৎকালীন ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায়ছে সমিতিখনে। সমান্তৰালভাৱে এই প্ৰসংগত মাজুলীৰ সত্ৰ সমূহৰ মাজত সংহতিৰো আৱশ্যক বুলি মত ব্যক্ত কৰে। সকলোৱে কোৱা আৰু কৰাৰ মাজত পাৰ্থক্য নাৰাখি সকলোকে একে দৃষ্টিৰে লৈ এঁক ভাৱে আগবাঢ়িব পাৰিলেহে মাজুলীক বৈষ্ণৱ পীঠ কৰি ৰাখিব পাৰিব বুলিও মাজুলী বাসীলৈ অনুৰোধ বাৰ্তা উল্লেখ কৰে। মাজুলীত বৰ্তমান God Lindly Zight in The Eyes of Jem যীশুৰ চোখে), নামৰ সৰু পুস্তিকাৰ জৰিয়তে খ্ৰীষ্টানসকলে এক চক্ৰান্ত মূলক আঁচনিৰ জৰিয়তে মাজুলীৰ প্ৰান্তে প্ৰান্তে বিনামূলীয়াকৈ বিতৰণ কৰি ধৰ্ম প্ৰচাৰৰ অভিসন্ধি ৰচনা কৰিছে। বিশেষ ভাৱে দুখীয়া পৰিয়ালসকলক অৰ্থৰ লালসাৰে খ্ৰীষ্টমাছৰ আগত জোৰদাৰ ধৰ্মান্তৰিত কাৰ্য চলাই আছে। সেয়ে অসম চৰকাৰে তৎকালীন কাৰ্যকৰী ব্যৱস্থাৰে মাজুলীক সুৰক্ষা প্ৰদানৰ দাবী তোলে সম্পাদক বলেন বৈশ্যই। উল্লেখযোগ্য যে পৰ্যটকৰ বেশত ধৰ্ম প্ৰচাৰৰ অৰ্থে মাজুলীৰ বিভিন্ন ঠাইত ঘূৰি পকি ফুৰা বহুতো সন্দেহজনক লোক লগ পোৱা গৈছে বুলিও মাজুলীৰ বিভিন্ন ঠাইত বু বু বা বা শুনিবলৈ পোৱা গৈছে।

## সমাগত নিৰ্বাচন; বিধায়ক

পথৰ আধাৰশিলা স্থাপন কৰে বিধায়ক শশীকান্ত দাসে। উক্ত পথকেইটা হৈছে ক্ৰমে- কুৱেৰিয়াটিৰ পৰা ধেমাজিগাঁও পথৰ কাষ চাপিছে কে এছ বি পথ, বাংলা বস্তি হৈ মাধৱপাৰা বৰপানী নদীলৈ, মাধবপাৰা জুৰিৰপাৰ পথৰ সুৰক্ষাৰ কামকে ধৰি। আজি আধাৰশিলা স্থাপন হোৱা পথ কেইটা হ'ল ক্ৰমে-মাধৱপাৰা ঘিলানী পি ডব্লিউ ডি পথৰ পৰা গৰঙাআটি আৰ চি চি দলংলৈ, ছিমালুগুৰিৰ পৰা প্ৰমিলাবস্তী পি ডব্লিউ ডি পথৰ পৰা চিমুলুগুৰি হাইস্কুল হৈ মৰিসুতিলৈ যোৱা পথ, নিজনাৰিকলি এডব্লিউচিৰ পৰা নিজনাৰিকলি নামঘৰলৈ, হৰিয়া নদীৰ কাষেৰে ৪ নং নগাঁও দক্ষিণপাট কামপুৰ ৰোড, (বৰকুলাৰ হৰিয়া আৰ চি চি ব্ৰীজ এপ্ৰ'চৰ পৰা দক্ষিণপাট অভিমুখে), ডাকৰঘাট হাইস্কুলৰ পৰা ফ'ৰলেনলৈ যোৱা পথ। দীৰ্ঘদিনৰ পৰা প্ৰায় জৰাজীৰ্ণ অৱস্থাত থকা পথ কেইটাৰ আধাৰশিলা স্থাপন কৰে নৱগঠিত ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে। আধাৰশিলা স্থাপন কৰি বিধায়ক শশীকান্ত দাসে কয় - বৰ্তমানৰ কৰ্মোদ্যমী তথা জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি চৰকাৰৰ দিনত সকলো প্ৰকাৰৰ উন্নয়ন সম্ভৱ হৈছে। গ্ৰামাঞ্চলৰ বাট পথকে ধৰি দলং আদি নিৰ্মাণ তৰান্বিত হৈছে। যাৰ ফলত গ্ৰামাঞ্চলৰ সৰ্বসাধাৰণ লোকৰ যাতায়াতৰ পথ সুচল হৈছে। এই পথসমূহৰ নিৰ্মাণে অঞ্চল সমূহৰ ৰাইজৰ দীৰ্ঘকালীন সমস্যাৰ ওৰ পেলোৱাৰ লগতে আগন্তুক দিনত আটাইকে আৰ্থ-সামাজিক দিশত উপকৃত কৰিব বুলি উল্লেখ কৰে। লগতে তেওঁ কয় যে, ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই প্ৰতিটো সমষ্টিৰ বাট-পথবোৰ সুচল আৰু সুদৃঢ় কৰি তোলাৰ ক্ষেত্ৰত নিৰালস্যভাৱে প্ৰয়াস কৰিছে। ৰহা সমষ্টিৰ বাটপথৰ ক্ষেত্ৰতো মুখ্যমন্ত্ৰী গৰাকীয়ে যথেষ্টখিনি সহায় সহযোগ কৰিছে বাবে আজি ৰহা সমষ্টিৰ বহু কেঁচা পথে নতুন ৰূপ পাবলৈ সক্ষম হৈছে। কৰ্মোদ্যমী তথা জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ পদক্ষেপত ৰহা সমষ্টিৰ ৰাইজে আজি উন্নয়নৰ বাট দেখা পাইছে। আজিৰ এই আধাৰশিলা অনুষ্ঠানত পাখিমৰীয়া জামুগুৰি জিলা পৰিষদৰ সদস্য অৰ্ণৱ দাস, পাখিমৰীয়া আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী সংগীতা ভূএগ্ৰা, বিজেপি কাৰ্যকৰ্তা জনাৰ্দন শইকীয়া, লোকনিৰ্মাণ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা আব্দুল ৰৌফ, বিভিন্ন গাঁও পঞ্চায়তৰ সভাপতিসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## ভাৰত এখন হিন্দু ৰাষ্ট্ৰ,

অনুমোদনৰ প্ৰয়োজন নাই। '১০০ ব্যাখ্যান মালা' কাৰ্যসূচীত অংশগ্ৰহণ কৰি তেওঁ কয়, "ভাৰত এখন হিন্দু ৰাষ্ট্ৰ আৰু ইয়াৰ বাবে কোনো সাংবিধানিক অনুমোদনৰ প্ৰয়োজন নাই, কাৰণ ই সত্য।" RSSৰ শতবৰ্ষ উপলক্ষে আয়োজিত বিশেষ কাৰ্যসূচীত RSS প্ৰধান ভাগৱতে ভাৰতীয় সংস্কৃতিৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে যিমান দিনলৈকে দেশৰ জনতাই হিন্দু সাংস্কৃতিক ঐতিহ্য আৰু তেওঁলোকৰ পূৰ্বপুৰুষৰ গৌৰৱ উদ্‌যাপন কৰিব, তেতিয়ালৈকে দেশখন হিন্দু ৰাষ্ট্ৰ হৈয়ে থাকিব। তেওঁ কয়, 'সূৰ্য পূবত উদয় হয়, কিন্তু আমি নাজানো যে এই পৰিঘটনা কেতিয়াৰ পৰা সংঘটিত হৈছে। তেন্তে ইয়াৰ বাবেও কি আমাক সাংবিধানিক অনুমোদনৰ প্ৰয়োজন ? হিন্দুস্তান এখন হিন্দু ৰাষ্ট্ৰ। পূৰ্বপুৰুষৰ সনাতন গৌৰৱত বিশ্বাসী আৰু তাক পালন কৰি এজন ব্যক্তি যেতিয়ালৈকে হিন্দুস্তানৰ মাটিত জীয়াই থাকিব, তেতিয়ালৈকে ভাৰত এখন হিন্দু ৰাষ্ট্ৰ হৈয়ে থাকিব। সংবিধানৰ ধৰ্মনিৰপেক্ষতাৰ কথা প্ৰত্যক্ষভাৱে উল্লেখ নকৰাকৈ ভাগৱতে ভাৰতক হিন্দু ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ সংসদে আইন সংশোধন কৰিব পাৰে নে নোৱাৰে সেই বিষয়ে তেওঁলোকে চিন্তাৰ কৰাৰ প্ৰয়োজন অনুভৱ নকৰে বুলি স্পষ্ট কৰি দিয়ে। তেওঁ কয় যে RSS-এ হিন্দুত্ববাদৰ আদৰ্শত বিশ্বাস কৰে। যদি সংসদে সংবিধান সংশোধন কৰি এই শব্দটো অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লয়, তেন্তে তেওঁলোকে সেয়া কৰিব পাৰে। কিন্তু সংসদে কৰক বা নকৰক, আমি এই শব্দটোক লৈ মূৰ গৰম নকৰো, কাৰণ আমি হিন্দু আৰু আমাৰ দেশ হিন্দু। জন্মৰ ওপৰত ভিত্তি কৰি কৰা বৰ্ণবাদ হিন্দুত্বৰ বৈশিষ্ট্য নহয়। তেওঁ লগতে বিদেশী ভাষাৰ পৰিৱৰ্তে মাতৃভাষাৰ ব্যৱহাৰৰ ওপৰত জোৰ দিয়াৰ পৰামৰ্শ দিয়ে। ভাগৱতে ৰাইজক সংগঠনটোৰ কাৰ্যালয় আৰু 'শখাসমূহ' ভ্ৰমণ কৰি ইয়াৰ কাম-কাজৰ বুজ ল'বলৈ আহ্বান জনায়, যাতে সংগঠনটোক "মুছলমান বিৰোধী" বুলি ভবা ভুৱা ধাৰণা দূৰ কৰিব পৰা যায়।

## ২৪ ডিচেম্বৰত সমাজসেৱিকা অঞ্জলি দত্ত সোঁৱৰণি বক্তৃতানুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২২ ডিচেম্বৰ ঃ** শিৱসাগৰ প্ৰেছ ক্লাবৰ উদ্যোগত আৰু দ্য অঞ্জন দত্ত ফাউণ্ডেশ্যনৰ সহযোগত অহা ২৪ ডিচেম্বৰৰ পুৱা দিনৰ ১০-৩০ বজাত শিৱসাগৰ যুৱদলত অনুষ্ঠিত হ'ব সমাজসেৱিকা অঞ্জলি দত্ত সোঁৱৰণি ২১ সংখ্যক বক্তৃতানুষ্ঠান। অঞ্জলি দত্ত সোঁৱৰণি বক্তৃতানুষ্ঠানটিত ' গছ থাকিলেহে মানুহ থাকিব" শীৰ্ষক বিষয়ৰ ওপৰত মুখ্য বক্তা হিচাপে ভাষণ প্ৰদান কৰিব অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েঙে। এই অনুষ্ঠানত দ্য অঞ্জন দত্ত ফাউণ্ডেশ্যনৰ তৰফৰ পৰা মেধাৱী ছাত্ৰ ছাত্ৰী সকলক জনপানি প্ৰদান কৰা হ'ব। শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি ড° সব্যসাচী মহন্তৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানত শিৱসাগৰ জিলা আয়ুক্ত, জিলাৰ উন্নয়ন আয়ুক্ত, শিৱসাগৰ জিলাৰ জেষ্ঠ আৰক্ষী অধীক্ষককে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। অহা ২৪ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানত শিৱসাগৰবাসী ৰাইজৰ উপস্থিতি শিৱসাগৰ প্ৰেছ ক্লাবৰ সম্পাদক হিমাংশু নেওগে কামনা কৰিছে। ।

### ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ, ৰাইজৰ অভাৱ অভিযোগৰ ভিত্তিত হ'ব কংগ্ৰেছৰ বিধানসভা নিৰ্বাচন ইস্তাহাৰ

# চিৰাঙত অসম বিধানসভাৰ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া, প্ৰাক্তন সাংসদ আব্দুল খালেক

**অসমবাৰ্তা, বিজনী, ২২ ডিচেম্বৰ** ঃ বিধানসভা নিৰ্বাচন সমাগত। কংগ্ৰেছ দলে এইবাৰজন ইস্তাহাৰ প্ৰকাশ কৰিব বিধান সভা নিৰ্বাচনত। অসমৰ প্ৰতিখন জিলাত বিভিন্ন গৈ বিভিন্ন দল-সংগঠনৰ নেতৃত্বৰে আলোচনা কৰি তেওঁলোকৰ অভাৱ অভিযোগৰ ভিত্তিতজন ইস্তাহাৰ প্ৰকাশ কৰিব। দেওবাৰে সন্ধিয়া অসম বিধান সভাৰ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া, বৰপেটা লোকসভাৰ প্ৰাক্তন সাংসদ আব্দুল খালেক আৰু প্ৰদেশ কংগ্ৰেছৰ ইস্তাহাৰ কমিটীৰ সান্তনু চক্ৰবৰ্তী, ৰঞ্জণ ৰাভা, নাহিদা পাৰবিন, চিৰাং আৰু বঙাইগাঁও জিলা কংগ্ৰেছৰ সভাপতি সহ কেবাজনো নেতাৰ দল এটিয়ে দেওবাৰে সন্ধিয়া চিৰাং জিলাৰ কুকুৰমাৰীৰ হাইৱে কিটচেন নামৰ হোটেলত বাহৰপাতি চিৰাঙৰ ২২ টাকৈ বিভিন্ন দল সংগঠনৰ নেতৃত্বৰ লগতে সাংবাদিকৰে পৃথকে পৃথকে আলোচনাত মিলিত হয়। ৰাইজৰ মতামতৰ ওপৰত ভিত্তি কৰি ইস্তাহাৰ প্ৰকাশ কৰাৰ প্ৰচেষ্টা কৰা বুলি জনায় কংগ্ৰেছ নেতা তথা প্ৰাক্তন সাংসদ আব্দুল খালেকে। দেৱব্ৰত শইকীয়াই সংবাদমেল সম্বোধন কৰি কয় যে কালিৰ পৰাই "ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ" শীৰ্ষক অভিযান লৈ আলোচনা আৰম্ভ হৈছে। যোৱা ৬ ডিচেম্বৰ ডিব্ৰুগড়ৰ পৰা প্ৰথম আৰম্ভ হৈছিল এই কাৰ্যসূচীৰ। আজি আমি চিৰাঙত উপস্থিত হৈ বিভিন্ন দল সংগঠনৰ নেতৃত্বৰে আলোচনা কৰি আছো। ইয়াৰ বাবে আমি কিআৰ কোড দিছো আৰু বক্স দিয়া হৈছে যত ৰাইজে প্ৰত্যক্ষ ভাৱে দিব পাৰে। যি সকলে বিচাৰে যে তেওঁলোকৰ অভাৱ অভিযোগ তথা দাবী কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰত প্ৰকাশ পাব লাগে তেওঁলোকে ইয়াত দিব পাৰিব বুলি কয় দেৱব্ৰত শইকীয়াই। বিজেপি দলৰ অমিত সাহে কোৱাৰ দৰে নিৰ্বাচনী ইস্তাৱবোৰ নিৰ্বাচনী জুমলা। ইয়াৰ অৰ্থহল নিৰ্বাচনত ভোটাৰক প্ৰলোভিত কৰিবলৈ কোৱা বিভিন্ন মনে সজা কথা। কিন্তু কংগ্ৰেছ দলে ইস্তাহাৰৰ বিষয়টো তেনেকৈ নাভাৱে। বহুত গুৰুত্ব সহকাৰে লও আমি। সেই অনুসৰি আমাৰ যেতিয়া ৫ বছৰ মূৰে মূৰে নিৰ্বাচন কৰাৰ ব্যৱস্থা হ'ল আৰু তেনেকৈয়ে জৱাহৰলাল নেহৰুৰ দিনতে পঞ্চবাৰ্ষিক পৰিকল্পনা আৰম্ভ হৈছিল যাতে ইস্তাহাৰৰ কথাবোৰ বাৰ্ষিক পৰিকল্পনা বা পঞ্চবাৰ্ষিক পৰিকল্পনাৰে চৰকাৰে পূৰণৰ চেষ্টা কৰে। এতিয়া এই বিষয়টোৰে আঁতৰাই দি পৰিকল্পনা আয়োগ নাই, নীতি আয়োগ হ'ল। আজি ভাৰতৰ মাত্ৰ কেইখনমান ৰাজ্যত বলবৎ হৈ থকা মহাত্মাগান্ধী নিশ্চিত গ্ৰাম্য স্বনিয়োজন আঁচনি আঁতৰাই দিয়া হ'ল। এইটো এটা আইন আছিল। এতিয়া অসমকে আদিকৰি বিভিন্ন ৰাজ্যত বল্ডুজাৰ লগাই মানুহৰ ঘৰ ভাঙি দিয়া হৈছে বুলি কয় দেৱব্ৰত শইকীয়াই। এই একে দৰে মাজনিশা ৰাইজক অন্ধকাৰত ৰাখি মহাত্মাগান্ধী নিশ্চিত গ্ৰাম্য স্বনিয়োজন আঁচনি আইনখন আঁতৰাই দিয়া হ'ল। সেয়ে ৰাইজৰ অভাৱ অভিযোগ আলোচনা তথা গ্ৰহণ কৰি আছো আমি। আচৰিত ধৰণৰ কথা যে অসমত দেৱনাগৰি-ৰোমান আদি বহুত মাধ্যমৰ স্ক্ৰিপ্ট চলে। ইয়াতে শিক্ষক নিদিয়াকৈ চাউতালী সকলক চাউতাল ভাষাৰ স্ক্ৰিপ্ট দিয়া হৈছে। পাঠ্যপুথি নিদিয়াকৈ নৱম আৰু দশম শ্ৰেণীত দিয়া বুলি আজি গম পাইছো বুলি সংবাদমেলত কয় দেৱব্ৰত শইকীয়াই কয়। একেদৰে বহুত সমস্যা আছে, মাটীপট্টাৰ সমস্যা আছে। আঁচনিৰ পৰা বঞ্চিত কৰি ৰখাৰ সমস্যা। বিটিচি বা বিটিচিৰ বাহিৰৰ বিভিন্ন সমস্যাৰ বিষয় আমাৰ মাজলৈ আহিছে। আমি আশা কৰো আমাৰ চৰকাৰ আহিলে আমি ৰাইজৰ এই সমস্যাসমূহ সমাধান কৰাৰ চেষ্টা কৰিম বুলি কয় শইকীয়াই। বিভিন্ন আঞ্চলিক দলৰ সৈতে আলোচনা কৰি বিধানসভা নিৰ্বাচনত প্ৰতিদন্দিতাৰ চেষ্টা কৰা হৈছে যদিও বিটিচিত বিপিএফ-ইউপিপিএল দুয়োটা দলেই বিজেপিৰ সৈতে আছে। আগন্তুক সময়ত তেওঁলোকৰ স্থিতিৰ ওপৰত আমাৰ সিদ্ধান্ত নিৰ্ভৰ কৰিব। বিভিন্ন ৰাজনৈতিক দলৰ বাবে আমাৰ দুৱাৰ খোলা আছে বুলি কয় দেৱব্ৰত শইকীয়াই। আমি সদায় ৰাইজৰ হৈ বিৰোধিত থাকি বিভিন্ন বিষয়ত মাত মাতি আহিছো। আমি কোনো সাম্প্ৰদায়িকতা নহয় সকলোকে একগোট কৰি নিৰ্বাচন খেলিম আৰু এক হৈ থকাৰ চেষ্টা কৰিম। এতিয়া বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত বিজ্ঞাপন প্ৰকাশ পায় কিন্তু কংগ্ৰেছৰ বাতৰীয়ে স্থান নাপায় বুলি কয় দেৱব্ৰত শইকীয়াই। কংগ্ৰেছৰ প্ৰচাৰ কম হোৱা বুলি স্বিকাৰ কৰে দেৱব্ৰত শইকীয়াই। কংগ্ৰেছৰ দলটো আজি চিৰাঙত থাকি কাইলৈ বৰপেটালৈ যাব বুলি সদৰি কৰে।

# শদিয়াৰ অমৰপুৰ চৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত মাতৃ আৰু শিশু স্বাস্থ্যৰ ওপৰত প্ৰশিক্ষণ আৰু সজাগতা শিবিৰ অনুষ্ঠিত



**অসম বাৰ্তা, ছৈখোৱা, ২২ ডিচেম্বৰ** ঃ আজি শদিয়াৰ অমৰপুৰ চৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত মাতৃ আৰু শিশুৰ যত্নৰ ওপৰত এক প্ৰশিক্ষণ আৰু সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত আশাকৰ্মী আৰু আশা তত্ত্বাৱধায়ক, এ এন এম, জি এন এম, ফাৰ্মাচিষ্ট, অমৰপুৰ অঞ্চলৰ সংশ্লিষ্ট বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু শদিয়া সমজিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে। অধিৱেশনৰ সময়ছোৱাত গৰ্ভৱতী মহিলাৰ আগতীয়া চিনাক্তকৰণৰ বাবে নিয়মীয়াকৈ ঘৰে ঘৰে জৰীপ চলোৱা, যোগ্য দম্পতী পঞ্জীয়ন (ইচিআৰ) সময়মতে উন্নীত কৰা, আৰু নিজ নিজ অধিকাৰক্ষেত্ৰৰ ভিতৰত নিয়মীয়া আৰু সঠিক এইচএমআইএছ আপডেট নিশ্চিত কৰাত গুৰুত্ব দিয়া হয়। অংশীদাৰসকলক প্ৰসৱৰ পূৰ্বে পৰীক্ষা (এএনচি), চনোগ্ৰাফী আৰু প্ৰতিষ্ঠানিক প্ৰসৱক প্ৰসাৰিত কৰাৰ বাবে গৰ্ভৱতী মাতৃসকলক সংগঠিত কৰিবলৈ আহ্বান জনোৱা হয়। অংশগ্ৰহণকাৰীসকলক নিৰ্ধাৰিত সময়সূচী অনুসৰি শিশুৰ সম্পূৰ্ণ প্ৰতিষেধক প্ৰদানৰ গুৰুত্বৰ বিষয়ে অভিভাৱক আৰু যত্ন লোৱাসকলক সংবেদনশীল কৰিবলৈও পৰামৰ্শ দিয়া হয়। শিবিৰত উপযুক্ত স্বাস্থ্যসেৱা সুনিশ্চিত কৰা লগতে দুৰ্বল আৰু চিনাক্তকৃত যক্ষ্মা (টিবি) ৰোগীক চিনাক্তকৰণ, পৰামৰ্শ, অনুসৰণ আৰু সময়মতে ৰেফাৰ কৰা সন্দৰ্ভতো বিশেষ গুৰুত্ব দিয়া হয়। আশাকৰ্মী আৰু আশা তত্ত্বাৱধায়কসকলক মাতৃ আৰু শিশুৰ স্বাস্থ্যৰ সূচকসমূহৰ ফলপ্ৰসূ নিৰীক্ষণৰ বাবে নবীকৃত অভিলেখ আৰু বাস্তৱ সময়ৰ তথ্য নথিভুক্ত কৰাৰ লগতে নিজ দায়িত্ব পালনৰ সময়ত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ সকলো নীতি-নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈও নিৰ্দেশ দিয়া হয়। সভাত পিতৃ-মাতৃৰ স্থায়ী পৰামৰ্শ আৰু বিবাহৰ পূৰ্বে সজাগতাৰ পদক্ষেপৰ জৰিয়তে কিশোৰী গৰ্ভধাৰণক নিৰুৎসাহিত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো আলোকপাত কৰা হয়। উক্ত কাৰ্যসূচীয়ে নদীৰ সিপাৰ আৰু দুৰ্গম অঞ্চলসমূহত মাতৃ আৰু শিশু স্বাস্থ্যসেৱা শক্তিশালী কৰাৰ বাবে ফ্ৰণ্টলাইন স্বাস্থ্য কৰ্মী, জনগোষ্ঠীয় নেতা আৰু স্বাস্থ্য বিষয়াসকলৰ মাজত সমন্বিত প্ৰচেষ্টাৰ গুৰুত্বক আৰু অধিক শক্তিশালী কৰি তোলাৰ লগতে মাতৃ আৰু শিশুৰ বাবে সেৱা প্ৰদান আৰু স্বাস্থ্যৰ ফলাফল উন্নত কৰাৰ বাবে সামূহিক প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰে। উল্লেখ্য যে, অমৰপুৰ আৰ পি এইচ চিৰ চিকিৎসা বিষয়া ডাঃ হৰি গৌডেল আৰু হান্স ফাউণ্ডেচনে নিযুক্তি দিয়া চিকিৎসা বিষয়া ডাঃ মহম্মদ থইবাই অমৰপুৰ চৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত গ্ৰাম্য জনসাধাৰণক স্বাস্থ্যসেৱাৰ সহায় আগবঢ়োৱাত সক্ৰিয়ভাৱে জড়িত হৈ আছে। আজিৰ কাৰ্যসূচীত সহকাৰী আয়ুক্তদ্বয় পৰ্চিয়া খনিকৰ, অংকিত মিত্ৰ, শদিয়াৰ এছ ডি আই পি আৰ অ' হিমাদ্ৰী চুতীয়া, তিনিচুকীয়া অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ মৃদুল গগৈ, জিলা কমিউনিটি মবিলাইজাৰ বলেন পাঠক আৰু শদিয়াৰ ব্লক প্ৰগ্ৰেম মেনেজাৰ মেহতাব উদ্দিন আহমেদৰ লগতে সংশ্লিষ্ট বিভাগৰ অন্যান্য বিষয়া আৰু প্ৰতিনিধিসকল উপস্থিত থাকে।

# শিৱসাগৰ জিলা মৃদংগীয়া গায়ন-বায়ন সংস্থাৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন



**অসম বাৰ্তা, আমগুৰি, ২২ ডিচেম্বৰ** ঃ মৃদংগীয়া গায়ন বায়ন সংস্থা, অসমৰ শিৱসাগৰ জিলা শাখাৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিবেশনখনি যোৱা ২১ ডিচেম্বৰ তাৰিখে দিকচু মাউৎ গাঁৱৰ নামঘৰত সফলতাৰে অনুষ্ঠিত হৈ যায়। অধিবেশনৰ আৰম্ভণিতে সংস্থাৰ জিলা সভাপতি পদ্ম কাকতিয়ে পতাকা উত্তোলন কৰে। ইয়াৰ পিছতে কেন্দ্ৰীয় সমিতিৰ পৰ্যবেক্ষক তথা কোষাধ্যক্ষ ক্ষিৰুদ কোঁৱৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন আৰু প্ৰতিনিধি সভাৰ শুভ উদ্বোধন কৰে। জিলা সভাপতি পদ্ম কাকতিৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভাত সম্পাদকীয় প্ৰতিবেদন উত্থাপন আৰু গ্ৰহণৰ লগতে অন্যান্য কাৰ্য্যসূচী পালন কৰা হয়। সভাতেই পৰৱৰ্তী কাৰ্যকালৰ বাবে ২০ যোৱা গায়ন বায়নৰ প্ৰতিনিধিৰ উপস্থিতিত তৰুণ গগৈক সভাপতি আৰু চিত্ৰজিৎ গোহাঁইক সাধাৰণ সম্পাদক হিচাপে লৈ ২৫ জনীয়া নতুন জিলা সমিতি গঠন কৰে। সভাত কেন্দ্ৰীয় সদস্য শশাঙ্ক গগৈয়ে বক্তব্য প্ৰদান কৰে। অধিবেশনৰ অন্তত দিকচু মাউৎ গাঁও গায়নীয়া দলৰ গায়ন-বায়ন প্ৰদৰ্শনে উপস্থিত ৰাইজক মুগ্ধ কৰে। ইফালে, বিয়লি ২ বজাৰ পৰা ন-শিকাৰু চেমনীয়া একক শৈলীৰ গায়ন বায়ন প্ৰদৰ্শন কাৰ্যসূচী অনুষ্ঠিত হয়। উক্ত কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে কেন্দ্ৰীয় পৰ্যবেক্ষক ক্ষিৰুদ কোঁৱৰে। কেন্দ্ৰীয় সহকাৰী প্ৰশিক্ষক ৰাজু দত্ত আৰু মৃদুপৱন চেতিয়াই পৰিচালনা কৰা এই একক শৈলী গায়ন বায়ন প্ৰদৰ্শন কাৰ্যসূচীত জিলাখনৰ প্ৰায় ৭০ জন চেমনীয়া গায়ন-বায়ন শিল্পীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত কেন্দ্ৰীয় সমিতিৰ সাংগাঁথনিক সম্পাদক ৰবিন দত্ত উপস্থিত থাকে।

# যোৰহাটৰ সৰ্বাইবন্ধা হাইস্কুলত ড্ৰাগছ বিৰোধী সজাগতা সভা

**অসম বাৰ্তা, যোৰহাট, ২২ ডিচেম্বৰ** ঃ এণ্টিকৰাপচন ফাউণ্ডেশ্যনৰ অৱ ইণ্ডিয়া ৰ উদ্যোগত যোৰহাট সৰ্বাইবন্ধা কৃষ্ণ নগৰ যুৱ শক্তিৰ সহযোগত সবাইবন্ধা হাইস্কুলত ড্ৰাগছ বিৰোধী এক সজাগতা সভা ২০ ডিচেম্বৰত অনুষ্ঠিত হয়। যোৰহাট সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হৃষীকেশ হাজৰিকাই বৰ্তমান যোৰহাট জিলাৰ পূৰ্বৰ শৈক্ষিক নগৰৰ গৰিমা ড্ৰাগছ আসক্ত যুৱক যুৱতীৰ পৰিৱেশে বহুতো ম্লান কৰিছে বুলি অনুভৱ প্ৰকাশ কৰে। আৰক্ষী বিষয়া গৰাকীয়ে ৰাইজৰ সহযোগ পালে আৰক্ষী বিভাগে যোৰহাট জিলা খনক ড্ৰাগছ মুক্ত কৰিবলৈ বদ্ধপৰিকৰ বুলি উল্লেখ কৰে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নিৰেন কলিতাৰ সভাপতিত্ব আৰু যুৱ সমাজকৰ্মী দীপক হাজৰিকাৰ প্ৰদক্ষেপত অনুষ্ঠিত সভাখনত যোৰহাট জিলা কৃষি বিষয়া দেৱজিৎ দত্ত, ভোগদৈ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আকাশ গগৈ, অধিবক্তা বিজয় শংকৰ বৰবৰা, প্ৰকৃতি গোটৰ সদস্য প্ৰশান্ত কলিতা সমাজকৰ্মী জগন্নাথ অগ্নিবৰাই ড্ৰাগছ, ধঁপাত জাতীয় সামগ্ৰীৰ অপকাৰিতা, প্ৰতিৰোধৰ উপায় সম্পৰ্কত ভিন্ন ভিন্ন ভাৱে ব্যাখ্যা আগবঢ়ায়। বিদ্যালয়ৰ প্ৰধান শিক্ষক গজেন বৰা, স্থানীয় গাঁও প্ৰধান বহু কেইগৰাকী প্ৰথম শ্ৰেণীৰ নাগৰিক আৰু ছাত্ৰ ছাত্ৰী উপস্থিত থকা সভাত কৃষ্ণনগৰ যুৱ শক্তিৰ তৰফৰ দীপক হাজৰিকাক সমাজৰ এনে সেৱা আগবঢ়ায় থকা বাবে সম্বৰ্ধনা পত্ৰ প্ৰদানেৰে উৎসাহিত কৰে।

# নগাঁৱৰ ৰিঙ্কুমণি দাসক ড° বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা প্ৰদান




**অসম বাৰ্তা, বেবেজীয়া, ২২ ডিচেম্বৰ** ঃ গ্ল'বেল হিউমেন ৰাইটছ প্ৰটেকচন ফ'ৰামৰ তৰফৰ পৰা নতুন দিল্লীত নগাঁও জিলাৰ ৰহা বিধানসভা সমষ্টিৰ অন্তৰ্গত দেউধৰ গাঁও পঞ্চায়তৰ পশ্চিম জলাহ গাঁৱৰ বিশিষ্ট সমাজ সেৱক ৰিঙ্কুমণি দাসক ড° বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰা হয়। ৰিঙ্কুমণি দাসে সমাজৰ সকলো শ্ৰেণীৰ মানুহক সমভাৱে সেৱা আগবঢ়াই অহাৰ লগতে হিউমেন ৰাইটছ প্ৰটেকচন ফ'ৰামৰ লগত বহু দিনৰ পৰা বিশেষভাৱে জড়িত আছিল আৰু সামাজিক, সাংস্কৃতিক দিশত নিজ গাঁও তথা জিলাখনত তেখেতৰ অৱদান প্ৰতিষ্ঠিত। দুখীয়াৰ দুখ অনুভৱ কৰিব পৰা দুখীয়াৰ বিপদৰ সময়ত ঠিয় দিয়া বানপীড়িত সময়ত আৰু মহামাৰী কৰুণাৰ সময়ত সকলোকে ব্যক্তিগত ভাৱেও সেৱা আগবঢ়ায় আহিছিল দাসে। তেখেত অনুসূচিত জাতি মানচিত্ৰৰ এগৰাকী সক্ৰিয় সদস্য হোৱাৰ উপৰিও ৰিঙ্কুমণি দাসে বিভিন্ন উন্নয়নমূলক কামত জড়িত হৈ আছে। ৰিংকুমণি দাসে ৰাষ্ট্ৰীয় বঁটা পোৱাৰ খবৰে স্থানীয় অঞ্চলৰ লগতে ৰহা সমষ্টিৰ ৰাইজক আনন্দিত কৰাৰ লগতে এক গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

### চামগুৰিত মিঞা সম্প্ৰদায়ক প্ৰাৰ্থী দিয়াৰ দাবী

# চামগুৰিত ফাট মেলিছে কংগ্ৰেছত

**অসম বাৰ্তা, ৰূপহীহাট, ২২ ডিচেম্বৰ** ঃ আগন্তুক বিধানসভা নিৰ্বাচনৰ মাজত মাত্ৰ কেইটামান মাহ বাকী থকাৰ সময়তে নৱগঠিত চামগুৰি সমষ্টিত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ তনয় তাঞ্জিল হুছেইনৰ প্ৰাৰ্থীত্বৰ বিৰুদ্ধে ক্ষোভৰ জোৱাৰ উঠিছে। বিগত উপ নিৰ্বাচনত কংগ্ৰেছ দলৰ প্ৰাৰ্থী হৈ বিজেপিৰ যুৱ নেতা দিপ্লুৰঞ্জন শৰ্মাৰ ওচৰত সাংসদ পুত্ৰ তাঞ্জিল হুছেইন ধৰাশায়ী হৈ পৰে। আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত চামগুৰি সমষ্টিত তাঞ্জিল হুছেইনৰ প্ৰাৰ্থীত্ব দিয়াৰ বিৰোধিতাৰে যোৱা নিশা ৰূপহীস্থিত জ্ঞান বিকাশ বিদ্যাপীঠত একাংশ কংগ্ৰেছীয়ে এক গোপন বৈঠক অনুষ্ঠিত কৰে। সাংসদ ৰকিবুল হুছেইনৰ দূৰ্গ বুলি পৰিচিত আছিল পুৰণা চামগুৰি সমষ্টিখন কিন্তু নতুনকৈ কেইবাটাও গাঁও পঞ্চায়ত অন্তৰ্ভুক্ত হোৱাৰ পিছতে ৰাজনৈতিক সমীকৰণ সলনি হৈ পৰিছে। তাঞ্জিল হুছেইনৰ প্ৰাৰ্থীত্ব দিয়াটো নিবিচৰাৰ উদ্দেশ্য নিশা ৰূপহীস্থিত জ্ঞান বিকাশ বিদ্যাপীঠৰত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত চামগুৰিৰ কেইবা গৰাকী অধ্যাপক, শিক্ষাবিদ, ব্যৱসায়ী, চিকিৎসক, সমাজ কৰ্মী আদিয়ে ৰণকৌশল প্ৰস্তুতত নামি পৰাত নৱগঠিত চামগুৰিত কংগ্ৰেছ দলটো দুই ভাগত বিভক্ত হৈ পৰিছে। সংবাদ মাধ্যমৰ আগত একাংশ যুৱকে কয় যে গাধ এজন বিধানসভাত পঠিয়াই দিয়াটো সমষ্টিবাসীয়ে গাধক সমৰ্থন দিয়া মানে নিজকেও গাধ বুলি মানি লোৱা হ'ব। ৰকিবুল হুছেইনে তেখেতৰ পুত্ৰৰ কিমান যোগ্যতা আছে নিজেই বিবেচনা কৰিবলৈ আহ্বান জনায়। চামগুৰি সমষ্টিত যোগ্য আৰু মিঞা সম্প্ৰদায়ৰ প্ৰাৰ্থীৰ দাবী যুৱ চামৰ যদি সাংসদ পৰিয়ালত হাই কামাণ্ডে প্ৰাৰ্থী দিয়ে তেন্তে হাই কামাণ্ডে আহি নিৰ্বাচনত জিকাব লাগিব বুলি মুকলি প্ৰত্যাহ্বান। মিঞা কমিউনিটিৰ পৰা প্ৰাৰ্থী দিয়ক তাঞ্জিলক কোনো পধ্যেই মানি নলও, ৰকিবুলে আগতে কৰা দুৰ্নীতিৰ বাবেই আজি মিঞা জনগোষ্ঠীটোৱে হাৰাশাস্তি ভুগি আছে বুলিও মন্তব্য কৰে। ৰূপহীহাটত সাংসদ গৰাকীক আক্ৰমণ কৰাৰ সময়ত তাৰ পৰা বচাই অনা জনোকো আজি কংগ্ৰেছ দলৰ পদবীৰ পৰা আঁতৰাই ৰাখিছে। চামগুৰিত তাঞ্জিলৰ পৰিৱৰ্তে স্থানীয় লোকক প্ৰাৰ্থী দিবলৈ কোৱা অপৰাধ হ'ল। গণতান্ত্ৰিক দেশত ৰাজতন্ত্ৰ নিপাত যোৱাটো বিচাৰি ওলাই আহিল সহস্ৰাধিক যুৱ সমাজ। ৰকিবুলৰ পৰিয়ালৰ বিৰুদ্ধে মাত মাতিলে দায়িত্বৰ পৰা আঁতৰাই দিয়াৰ অভিযোগ। তাঞ্জিল হুছেইন আৰু ৰকিবুল হুছেইনক সমৰ্থন কৰা সকল হৈ ব্লক কংগ্ৰেছ, মণ্ডল কংগ্ৰেছ ইত্যাদি বিষয়ত আছে। আগন্তুক দিনত চামগুৰিত কংগ্ৰেছৰ বেয়া দিন আহিব। ৰূপহীৰ জ্ঞান বিকাশ বিদ্যাপীঠত আইটি চেলৰ প্ৰশিক্ষণত এইদৰে তীব্ৰ বিৰোধিতাৰে সাংসদ গৰাকীৰ বিৰুদ্ধে ক্ষোভ উজাৰে। যি সময়ত বিধানসভা নিৰ্বাচনৰ বাবে সাজু হ'ব লাগিছিল তেনে সময়তে কংগ্ৰেছ দলৰ ভিতৰ চৰাত দুভাগত বিভক্ত হোৱাত চামগুৰিত কংগ্ৰেছ দলৰ ভৱিষ্যত কোন দিশে গতি কৰিব সেয়া হ'ব পৰৱৰ্তী সময়ত হ'ব লক্ষণীয়।

# উত্তৰ গুৱাহাটীস্থিত শিশুগ্ৰামৰ সোণালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠান

**অসম বাৰ্তা, কমলপুৰ, ২২ ডিচেম্বৰ** ঃ দেওবাৰে উত্তৰ গুৱাহাটীস্থিত শিশুগ্ৰামৰ সোণালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠানত উপস্থিত হৈ এই মন্তব্য কৰে বিশিষ্ট কথা সাহিত্যিক অৰূপা পটংগীয়া কলিতাই। সমাজৰ অনাথ আৰু গৃহহীণ শিশু সকলৰ পটভূমিত গ্ৰন্থ প্ৰকাশ কৰাৰো ইচ্ছা প্ৰকাশ কৰে সাহিত্যিক গৰাকীয়ে। উল্লেখ্য যে ১৯৭৫ চনত অসম ৰাজ্যিক বান সাহায্য সমিতিৰ উদ্যোগত স্থাপন কৰা হৈছিল অনাথ আৰু গৃহহীন শিশু সকলৰ বাবে উত্তৰ গুৱাহাটী শিশু গ্ৰাম। প্ৰাক্তন ৰাজ্যিক মন্ত্ৰী তথা অসমৰ প্ৰথম গৰাকী মহিলা সাংসদ ৰেনুকা দেৱী বৰকটকীয়ে গুৰি ধৰিছিল এই শিশুগ্ৰাম স্থাপন কৰাত। প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎচন্দ্ৰ সিংহৰ অনাথ শিশুসকলৰ সুৰক্ষা আৰু উজ্জ্বল ভৱিষ্যতৰ সপোন বাস্তবায়িত কৰিছিল এই গৰাকী প্ৰাক্তন সাংসদ, ৰাজ্যিক মন্ত্ৰী তথা বিশিষ্ট সমাজ সেৱিকা ৰেণুকা দেৱী বৰকটকীয়ে। বৰ্তমানেও সগৌৰৱে অনাথ শিশুসকলৰ ভৱিষ্যত গঢ়াৰ সংকল্পৰে অধ্যক্ষৰ দায়িত্বত পদ্মশ্ৰী সন্মান প্ৰাপক অজয় দত্তৰ লগতে আছে মিনাক্ষী বৰকটকী, পাৰ্থ প্ৰতিম বৰকাকতী, ড° মালসী চৌধুৰী আদিৰ দৰে বিশিষ্ট ব্যক্তি সকল। বিগত পঞ্চাছ বছৰৰ শিশুগ্ৰামৰ ইতিহাস সামৰি প্ৰকাশ কৰিছে "শিশু গ্ৰাম" নামেৰে স্মৃতি গ্ৰন্থ। স্মৃতিগ্ৰন্থ উন্মোচন কৰিবলৈ উপস্থিত হৈছিল সাহিত্যিক অৰূপা পটংগীয়া কলিতাৰ লগতে IIT গুৱাহাটীৰ সঞ্চালক দেৱেন্দ্ৰ জলিহাল, কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ লগতে আন কেইবাগৰাকী বিশিষ্ট ব্যক্তি।

# ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ত চাৰিবছৰীয়া সমন্বিত শিক্ষক শিক্ষা কাৰ্যসূচী সন্দৰ্ভত সজাগতা সম্পন্ন

**অসম বাৰ্তা, মোৰাঝাৰ, ২২ ডিচেম্বৰ** ঃ অসমৰ হোজাইস্থিত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষ (IQAC)ৰ উদ্যোগত আজি পুৱা ১১ বজাত চাৰিবছৰীয়া সমন্বিত শিক্ষক শিক্ষা কাৰ্যসূচী সন্দৰ্ভত এক সজাগতা কাৰ্যসূচী সফলভাৱে অনুষ্ঠিত হয়। কাৰ্যসূচীটো বিশ্ববিদ্যালয়ৰ ছাৰ জে চিবসু চৌহদৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সন্মিলন কক্ষত অনুষ্ঠিত হয়। জাতীয় শিক্ষক শিক্ষা পৰিষদ (NCTE)ৰ অধ্যক্ষ তথা পূৰ্বাঞ্চল সমন্বয়ক ড° দিব্যজ্যোতি মহন্ত মুখ্য বক্তা হিচাপে অনুষ্ঠানটোত উপস্থিত থাকি চাৰি বছৰীয়া সমন্বিত শিক্ষক শিক্ষা কাৰ্যসূচীৰ উদ্দেশ্য, গঠন আৰু গুৰুত্ব সন্দৰ্ভত বিশদভাৱে আলোকপাত কৰে। অনুষ্ঠানটো এক সজীৱ আন্তঃসংবাদমূলক অধিবেশন হিচাপে পৰিচালিত হয়, যাৰ ফলত বক্তা আৰু অংশগ্ৰহণকাৰীসকলৰ মাজত অৰ্থবহ যোগাযোগ স্থাপন হয়। কাৰ্যসূচীৰ আৰম্ভণিতে বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ (কাৰ্যবাহী) তথা একাডেমিক ৰেজিষ্ট্ৰাৰ ড° সন্দীপ ৰত্নই আদৰণি ভাষণ প্ৰদান কৰে। মুখ্য ভাষণ প্ৰদান কৰে ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক মানবেন্দ্ৰ দত্ত চৌধুৰীয়ে। তেওঁ শিক্ষক শিক্ষাৰ ক্ষেত্ৰত সমন্বিত শিক্ষক শিক্ষা আঁচনিৰ গুৰুত্ব আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ সৈতে ইয়াৰ সামঞ্জস্য সম্পৰ্কে আলোকপাত কৰে। এই কাৰ্যসূচীত বিজ্ঞান শাখাৰ ডীন, গৱেষণা আৰু উন্নয়ন কোষৰ ডীন, লগতে মানৱ আৰু সমাজ বিজ্ঞান বিভাগৰ ডীন উপস্থিত থাকে। ইয়াৰ উপৰিও আভ্যন্তৰীণ মান নিৰূপন কোষৰ সঞ্চালক আৰু অন্যান্য বিষয়াবলী, সকলো বিভাগৰ মুৰব্বী, শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। অনুষ্ঠানৰ শেষত এক আন্তঃসংবাদমূলক আলোচনা অনুষ্ঠিত হয়, য'ত অংশগ্ৰহণকাৰীসকলৰ সক্ৰিয় অংশগ্ৰহণ আৰু আগ্ৰহ পৰিলক্ষিত হয়। অনুষ্ঠানটো সঞ্চালনা কৰে ড° নবাণীতা ভূঞাই আৰু ধন্যবাদ জ্ঞাপন কৰে ITEP ৰ আহ্বায়ক ড° জয়ন্ত শৰ্মাই। এই কথা এক বিবৃতিযোগে সদৰি কৰে ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ ITEP B.Ed কাৰ্যসূচীৰ সমন্বয়ক ড° এন. আই. বৰভূঞাই।

# বাংলাদেশত হিন্দু যুৱক দীপু চন্দ্ৰ দাসৰ হত্যাৰ বিৰোধিতাৰে বিজনীত ভিন্ন দল-সংগঠনৰ প্ৰতিবাদ

**অসম বাৰ্তা, বিজনী, ২২ ডিচেম্বৰ** ঃ বাংলাদেশত ধৰ্মীয় উন্মাদনাই চূড়ান্ত ৰূপ ধাৰণ কৰি দীপু চন্দ্ৰ দাস নামৰ এজন যুৱকক নিৰ্মমভাৱে আক্ৰমণ কৰি জ্বলাই দিয়া কাৰ্যৰ বিৰোধিতাৰে আৰু হিন্দু লোকৰ ওপৰত চলি থকা নিৰন্তৰ অত্যাচাৰৰ বিৰুদ্ধে চিৰাং জিলাৰ বিজনী ভিন্ন দল সংগঠনৰ প্ৰতিবাদ। চিৰাং জিলাৰ বিজনী চহৰৰ বজাৰ চাৰিআলিত দেওবাৰে সন্ধিয়া সদৌ বিটিচি বাঙালী যুৱ ছাত্ৰ ফেডাৰেচন উদ্যোগত প্ৰতিমূৰ্তি দাহ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ প্ৰধান উপদেষ্টা মহম্মদ ইউনুছৰ প্ৰতিমূৰ্তি দাহ কৰি প্ৰতিবাদকাৰী সকলে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰী সকলে বাংলাদেশ চৰকাৰ হায় হায়, বাংলাদেশী মৌলবাদী নিপাত যাওক, মহম্মদ ইউনুছ মূৰ্দাবাদ, মহম্মদ ইউনুছ গো-বেক আদি শ্লোগানে প্ৰতিবাদকাৰী সকলে প্ৰতিবাদস্থলী উত্তাল কৰি তোলে। ঠিক একে দৰে বিজনী জিলা আমছুৰ উদ্যোগত বিজনী পৌৰসভাৰ কাৰ্যালয়ৰ সন্মুখত দেওবাৰে বাংলাদেশৰ প্ৰধান উপদেষ্টা মহম্মদ ইউনিছৰ প্ৰতিকৃতি দাহন কৰি প্ৰতিবাদ সাব্যস্ত কৰে। যদি আগন্তুক দিনত বাংলাদেশত হিন্দু ওপৰত নিৰ্যাতন আৰু হিন্দু হত্যা চলি থাকে আমছুৱে তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে। আনহাতে সোমবাৰে বিজনী মহকুমাধিপতিৰ কাৰ্যালয়ৰ সন্মুখত বাংলাদেশত বাঙালী পৰিষদৰ উদ্যোগত হিন্দু যুৱক দীপু চন্দ্ৰ দাসৰ নৃশংস হত্যাৰ বিৰুদ্ধে প্ৰতিবাদী ধিক্কাৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বাঙালী পৰিষদৰ চিৰাং জিলা আৰু আঞ্চলিক কমিটিৰ উদ্যোগত বাংলাদেশৰ মৌলবাদীৰ বিৰুদ্ধে বিজনী মহকুমাধিপতিৰ কাৰ্যালয়ৰ সন্মুখত ৰূপায়ণ কৰে এই প্ৰতিবাদী ধিক্কাৰ কাৰ্যসূচী। বাংলাদেশত ধৰ্মীয় উন্মাদনাই চূড়ান্ত ৰূপ ধাৰণ কৰি দীপু চন্দ্ৰ দাসক নিৰ্মমভাৱে হত্যা কৰাৰ বিৰুদ্ধে ৰাজ্যজুৰি ব্যাপক প্ৰতিবাদ হৈ আছে। ইয়াৰ মাজতে আজি বিজনীত বাঙালী পৰিষদৰ কৰ্মীয়ে প্ৰতিবাদ সাব্যস্ত কৰি বাংলাদেশৰ লগতে ভাৰতত মৌলবাদী উৎখাত কৰাৰ লগতে দীপু চন্দ্ৰ দাসৰ হত্যাকাৰীক ফাঁচীৰ দাবী উত্থাপন কৰি ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

# বাংলাদেশ চৰকাৰৰ মুখ্য উপদেষ্টা ড° ইউনুজৰ পুত্তলিকা দাহ




**অসম বাৰ্তা, গোসাঁইগাঁও, ২২ ডিচেম্বৰ** ঃ যোৱা কিছুদিন ধৰি বাংলাদেশত বঙালী সংখ্যালঘু সকলৰ ওপৰত চলা পাশবিক অত্যাচাৰ, আৰু দিপু চন্দ্ৰ দাসৰ মানৱীয় হত্যাৰ বিৰুদ্ধে সদৌ অসম বঙালী যুৱ ছাত্ৰ ফেডাৰেচন, বিটিচি বঙালী যুৱ ছাত্ৰ ফেডাৰেচন, আৰু প্ৰাক্তনজন মুক্তি বাহিনীৰ চমুকৈ (এন এল এফ বি) সমিতিয়ে গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰৰ চাৰিআলিত তীব্ৰ প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ণ কৰে। উক্ত কাৰ্য্যসূচীত ফেডাৰেচনৰ কৰ্মী সকলে বাংলাদেশ অন্তবৰ্তীকালিন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুজৰ পুত্তলিকা দাহ কৰাৰ লগতে প্ৰতিবাদকাৰী সকলে একেলগে উচ্চস্বৰে শ্লোগান দিয়ে আমাৰ দাবী ন্যায্য দাবী, বাংলাদেশ চৰকাৰ গ'বেগ, মহম্মদ ইউনুজ হায় হায়, মানৱ অধিকাৰ আয়োগ সজাগ হওক, বাংলাদেশৰ বিৰুদ্ধে ভাৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰক আদি বিভিন্ন শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে।

# বাৰেখেলীয়া বৰনামঘৰত সদৌ অসম শিশু ভাওনা প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, ধনশিৰি, ২২ ডিচেম্বৰ ঃ** প্ৰজন্মৰ পৰা প্ৰজন্মলৈ ভাওনা সংস্কৃতিক প্ৰসাৰিত কৰাৰ স্বাৰ্থত ''সমন্বয় শিশু শিল্পী সমাজ''ৰ উদ্যোগত শংকৰী সংস্কৃতিৰ সাধক আৰু প্ৰচাৰক স্বৰ্গীয় প্ৰফুল্ল চন্দ্ৰ মহন্তৰ সোঁৱৰণত সৰুপথাৰ অঞ্চলৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী বাৰেখেলীয়া বৰনামঘৰ প্ৰাঙ্গনত বাৰেখেলীয়া শ্ৰীমন্ত শংকৰদেৱ সাংস্কৃতিক কেন্দ্ৰৰ সৌজন্যত আগন্তুক ৯ পুহৰ পৰা ১৭পুহ আৰু ইংৰাজী ২৫ডিচেম্বৰ তাৰিখৰ পৰা ২জানুৱাৰী ২০২৬ তাৰিখলৈকে প্ৰথম বাৰ্ষিক হিচাপে ধনশিৰিবাসী ৰাইজৰ সহৃদয়তাত 'সদৌ অসম শিশু ভাওনা' প্ৰতিযোগিতাভাগি আয়োজন কৰিবলৈ আগবাঢ়িছে। উক্ত প্ৰতিযোগিতাখনত প্ৰথম শ্ৰেষ্ঠ দলক নগদ ৫০ হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ দলক নগদ ৪০ হাজাৰ টকা, তৃতীয় শ্ৰেষ্ঠ দলক নগদ ৩০ হাজাৰ টকা, চতুৰ্থ শ্ৰেষ্ঠ দলক নগদ ২০ হাজাৰ টকা, পঞ্চম শ্ৰেষ্ঠ দলক নগদ ১০ হাজাৰ টকা আৰু ষষ্ঠ শ্ৰেষ্ঠ দলক নগদ ৭ হাজাৰ টকা পুৰস্কাৰ আগবঢ়োৱা হ'ব। আনহাতে প্ৰতিযোগিতাখনৰ শ্ৰেষ্ঠ শৃংখলাবদ্ধ দলক নগদ তিনি হাজাৰ টকা, প্ৰথম শ্ৰেষ্ঠ গায়ন-বায়ন দলক নগদ পাঁচ হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ গায়ন-বায়ন দলক নগদ তিনি হাজাৰ টকা, প্ৰথম শ্ৰেষ্ঠ দোহাৰক নগদ পাঁচ হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ দোহাৰক নগদ তিনি হাজাৰ টকা, প্ৰথম শ্ৰেষ্ঠ গায়ন এককভাৱে নগদ তিনি হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ গায়ন এককভাৱে নগদ দুই হাজাৰ টকা, প্ৰথম শ্ৰেষ্ঠ বায়ন এককভাৱে নগদ তিনি হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ বায়ন এককভাৱে নগদ দুই হাজাৰ টকা, শ্ৰেষ্ঠ সহযোগী গায়ন নগদ দুই হাজাৰ টকা, শ্ৰেষ্ঠ সহযোগী বায়ন নগদ দুই হাজাৰ টকা, প্ৰথম শ্ৰেষ্ঠ পৰিচালক নগদ দুই হাজাৰ টকা, প্ৰথম শ্ৰেষ্ঠ সূত্ৰ নগদ দুই হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ সূত্ৰ নগদ এহেজাৰ টকা, প্ৰথম শ্ৰেষ্ঠ ভগৱান নগদ দুই হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ ভগৱান নগদ এহেজাৰ টকা, প্ৰথম শ্ৰেষ্ঠ ভাৱৰীয়া নগদ তিনি হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ ভাৱৰীয়া নগদ পোন্ধৰশ টকা, প্ৰথম শ্ৰেষ্ঠ সহঃ ভাৱৰীয়া নগদ দুই হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ সহঃ ভাৱৰীয়া নগদ এহেজাৰ টকা, প্ৰথম শ্ৰেষ্ঠ স্ত্ৰী চৰিত্ৰ নগদ তিনি হাজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ স্ত্ৰী চৰিত্ৰ নগদ পোন্ধৰশ টকা, প্ৰথম শ্ৰেষ্ঠ খলনায়ক নগদ পঁচিশশ টকা, দ্বিতীয় শ্ৰেষ্ঠ খলনায়ক নগদ এহেজাৰ টকা, শ্ৰেষ্ঠ মুখা নগদ পোন্ধৰশ টকা, শ্ৰেষ্ঠ বাঁহী বাদক নগদ এহেজাৰ টকা আৰু শ্ৰেষ্ঠ ৰূপ সজ্জাক নগদ তিনি হাজাৰ টকা পুৰস্কাৰ হিচাপে আগবঢ়োৱা হ'ব। তদুপলক্ষে উদযাপন সমিতিয়ে ভাওনা সমাৰোহৰ আটাইকেইটি দিনত সমূহ ধৰ্মীয়প্ৰাণ ৰাইজ তথা ভাওনা প্ৰেমী ৰাইজৰ আন্তৰিকতাপূৰ্ণ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

# অভয়াপুৰীত 'কুঁৱলীৰ কোমল পৰশত কবিতা আৰু গীতৰ গধূলি' অনুষ্ঠান অনুষ্ঠিত



**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ২২ ডিচেম্বৰ ঃ** অভয়াপুৰী চহৰৰ ঐতিহ্যমণ্ডিত ৰাজবাৰী পুখুৰীৰ পাৰত কালি সন্ধিয়া অভয়াপুৰী শতদল শাখা সাহিত্য সভাৰ উদ্যোগত ''কুঁৱলীৰ কোমল পৰশত কবিতা আৰু গীতৰ গধূলি'' শীৰ্ষক এক মনোজ্ঞ সাহিত্য-সংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত স্থানীয় কবি, কণ্ঠশিল্পী তথা সাহিত্যানুৰাগী ৰাইজৰ সমাগম পৰিলক্ষিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে শিল্পী জুবিন গাৰ্গ আৰু কবি মিহিৰ মৌচুম ৰয়লৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পিছতে আদৰণি ভাষণ প্ৰদান কৰে অভয়াপুৰী শাখা সাহিত্য সভাৰ সভাপতি ৰমেশ নাথে। অনুষ্ঠানত কবিতা পাঠ কৰে মৃণাল ভাগৱতী, ডাঃ নুৰুল ইছলাম, কৰবী কলিতা দাস, ড° বন্দনা কলিতা, পুলক দাস, অলক ৰায়, ইক্ৰামূল ইছলাম, সীমান্ত কুমাৰ কলিতা, ৰজত কুমাৰ ঘোষ, ফৰিদা বেগম, দিগন্ত বৰুৱা, ববিতা ৰহমান, ৰশ্মিৰেখা ৰায়, মীনা কুমাৰী মণ্ডল, তনুপ্ৰিয়া কলিতা, জেবিনা ইয়াছমিন, মনোজ দাস, উত্তম কুমাৰ ৰায়কে ধৰি দুকুৰিৰো অধিক ন-পুৰণি কবিয়ে। কবিতা পাঠৰ মাজে মাজে গীত পৰিৱেশন কৰি অনুষ্ঠানটিক অধিক জীপাল কৰি তোলে ৰেৱতী ভকত, ক্ষিতিশ দাস, তৰালি দাস, তনুপ্ৰিয়া কলিতা, দৃষ্টিশিখা দাস, উদীচী দেৱী, মাণিক মেধি, মৰমজ্যোতি দাস, ৰাণাদিত্য বৰ্মণ, অৰ্চনা কাকতি, স্নেহা দাসকে ধৰি স্থানীয় কণ্ঠশিল্পীসকলে। ইয়াৰ উপৰিও অনুষ্ঠানটিলৈ আমন্ত্ৰিত দেওহাটী লেখিকা সমাৰোহৰ সদস্যাসকলে পৰিৱেশন কৰা এক মনোগ্ৰাহী সংগীতালেখ্যই দৰ্শক-শ্ৰোতাৰ বিশেষ প্ৰশংসা বুটলিবলৈ সক্ষম হয়। সাহিত্য আৰু সংগীতৰ সমন্বয়ত আয়োজিত এই অনুষ্ঠানটিয়ে অভয়াপুৰীৰ সাংস্কৃতিক পৰিমণ্ডলত এক মনোৰম সন্ধিয়াৰ স্মৃতি ৰচনা কৰে।

অসমীয়া সাহিত্য সন্মিলনী নগাঁও জিলাৰ উদ্যোগ

# চিকিৎসক- কবি প্ৰয়াগ শইকীয়ালৈ কাব্য ৰত্ন বঁটা

**অসম বাৰ্তা, নগাঁও, ২২ ডিচেম্বৰ ঃ** বিশিষ্ট কবি নৱকান্ত বৰুৱাৰ জন্ম শতবৰ্ষ উপলক্ষে অহা ২৯ ডিচেম্বৰত নগাঁৱৰ কল্লোল সাংস্কৃতিক গোষ্ঠীৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব এটি বঁটা প্ৰদান অনুষ্ঠান। অসমীয়া সাহিত্য সন্মিলনীৰ উদ্যোগত আয়োজিত হ'বলগীয়া অনুষ্ঠানটিত বিশিষ্ট কবি নৱকান্ত বৰুৱাৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি নগাঁৱৰ বিশিষ্ট চিকিৎসক তথা কবি প্ৰয়াগ শইকীয়াক প্ৰদান কৰা হ'ব ''কাব্য ৰত্ন বঁটা''-২০২৫। উক্ত অনুষ্ঠানত সভাপতিত্ব কৰিব অসমীয়া সাহিত্য সন্মিলনীৰ নগাঁও জিলাৰ সভাপতি তথা বিশিষ্ট চিকিৎসক ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াই। বঁটা প্ৰদান অনুষ্ঠানত বক্তা হিচাপে উপস্থিত থাকিব বিশিষ্ট কবি- শিক্ষাবিদ ফণিন্দ্ৰ নাথ গায়নৰ লগতে বিশিষ্ট অতিথি সকলে। অনুষ্ঠানটিত বন্তি প্ৰজ্বলক হিচাপে উপস্থিত থাকিব কল্লোলৰ সাধাৰণ সম্পাদক নৌছাদ আখতাৰ হাজৰিকাই। ইয়াৰ পাছতে অনুষ্ঠিত হ'ব শীতৰ কবিতাৰ আবেলি অনুষ্ঠান। তদুপলক্ষে উক্ত অনুষ্ঠানটি সাফল্য মণ্ডিত কৰি তুলিবলৈ অসমীয়া সন্মিলনীৰ নগাঁও জিলাৰ সম্পাদিকা নিজৰা শইকীয়াই সকলো সাহিত্য প্ৰেমীলৈ আহ্বান জনাইছে।

পকীঘৰ ভঁৰালঘৰ, চৌহদৰ পকীবেৰ ভাঙি তচনচ; কথমপি ৰক্ষা এটা পৰিয়াল

# গভীৰ নিশা দুধনৈ চহৰত বন্যহস্তীৰ মুক্ত বিচৰণ

## বন বিভাগৰ গাফিলতিৰ বাবেই হাতী মানুহৰ সংঘাত বৃদ্ধি

**ষ্টাফ ৰিপ'টাৰ, দুধনৈ, ২২ ডিচেম্বৰ ঃ** দুধনৈ চহৰৰ মাজ মজিয়াত বন্যহস্তীৰ তাণ্ডৱ। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চললৈ ধাপলি মেলা কেইবাটাও বৃহৎ বৃহৎ হাতীৰ জাকে ভাগ ভাগ হৈ গোৱালপাৰা জিলাৰ ভিন্ন প্ৰান্তত বিশেষকৈ গ্ৰামাঞ্চলত সন্ত্ৰাস চলাই হাতী মানুহৰ মাজত সংঘাত সৃষ্টি কৰি আহিছে। এই সমস্যা দিনে দিনে বৃদ্ধি পাই অহা পৰিলক্ষিত হৈছে। দেওবাৰে নিশাৰ ভাগত হাতীৰ বৃহৎ জাকৰ পৰা ফালৰি কাটি অহা বনৰীয়া হাতীয়ে দুধনৈ চহৰৰ মাজ মজিয়াত প্ৰৱেশ কৰি কেবাঘৰ মানুহৰ পকী দেৱাল আয়ৰণ গেট ভাঙি তাণ্ডৱ চলায়। নিশাৰ ভাগত অহা হাতীয়ে উদয়পুৰ গাঁৱৰ পূৰেণ ৰাভা আৰু পবিত্ৰ ৰাভাৰ পকী ঘৰৰ দেৱাল, পাকঘৰ, ভঁৰালঘৰ ভাঙি বিস্তৰ ক্ষতি সাধন কৰে। পবিত্ৰ ৰাভাৰ পকী ঘৰৰ বেৰ আৰু পাকঘৰৰ ক্ষতি সাধন কৰি বাইক চাইকেল ভাঙি পেলায়। নিশাৰ ভাগত হোৱা হাতীৰ আকস্মিক আক্ৰমণত দিশহাৰা হোৱা পবিত্ৰ ৰাভাই পত্নী সহ সন্তানক লৈ পলায়ন কৰি কোনোমতে মৃত্যুৰ দুৱাৰডলিৰ পৰা ঘূৰি আহে। ইয়াৰ পিচতেই পুৰেণ ৰাভাৰ ভঁৰাল ঘৰ ভাঙি লণ্ডভণ্ড কৰে। ইয়াৰ পিচতে দুধনৈ অমৰাৱতী গাঁৱৰ বাসিন্দা তথা দুধনৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী শিক্ষক পুষ্পাদিত্য চৌধুৰীৰ ঘৰৰ চৌহদৰ পিচফালৰ পকী দেৱাল ভাঙি সন্মুখৰ আয়ৰন গেট আৰু পকী দেৱালৰ ক্ষতিসাধন কৰে। আনহাতে দুধনৈ চাৰিআলিৰ আৰক্ষী থানা আৰু বন বিভাগৰ বিট অফিচৰ গাতে লাগি থকা দুধনৈ উন্নয়ন কমিটিৰ মুল প্ৰৱেশদাৰৰ আইৰণ গেটখনো ভাঙি পেলায়। লগতে দৈনিক বজাৰৰো আংশিক ক্ষতি সাধন কৰে। বনৰীয়া হাতীয়ে এই অঞ্চল সমূহৰ উপৰিও আন কেবা ঠাইতো তাণ্ডৱ চলায়। বনাঞ্চলৰ পৰা গ্ৰামাঞ্চললৈ আৰু গ্ৰামাঞ্চলৰ পৰা দুধনৈ চহৰ এলেকাত বনৰীয়া হাতীয়ে প্ৰৱেশ কৰি মুক্ত বিচৰণ কৰা ঘটনাই অঞ্চলবাসী ৰাইজক শংকিত কৰি তুলিছে। দুধনৈ এলেকাত বিগত কিছুদিন ধৰি বনৰীয়া হাতীয়ে তাণ্ডৱ চলাই আহিছে। ঠায়ে ঠায়ে নিদ্ৰাবিহীন জীৱন কটাব লগা হৈছে ৰাইজে। হাতী মানুহৰ সংঘাত ৰোধ কৰাত ব্যৰ্থ হোৱা বনবিভাগে ৰাইজক নিৰাপত্তা দিব নোৱাৰাত ক্ষোভিত হৈ পৰিছে অঞ্চলবাসী ৰাইজ। গোৱালপাৰা জিলাৰ বিয়াগোম বন বিভাগ তথা ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক হস্তী মানুহৰ সংঘাত ৰোধ কৰাৰ বাবে পৰিকল্পিত আঁচনি গ্ৰহণেৰে সমস্যাসমূহ ৰাইজৰ লগত আলোচনা কৰি সমাধানৰ পথ উলিয়াই ৰাইজক সুৰক্ষা দিবৰ বাবে আহ্বান জনায়।

# পূব যোৰহাট অঞ্চলিক সমিতিৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, নকছাৰি, ২২ ডিচেম্বৰ ঃ** মৰিয়নি সমষ্টিৰ অন্তৰ্গত নকছাৰিত যোৱা ২১ ডিচেম্বৰ দেওবাৰে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ অন্তৰ্গত পূব যোৰহাট আঞ্চলিক সমিতিৰ একাদশ ত্ৰি-বাৰ্ষিক কাৰ্য্যালয়ৰ প্ৰথম বাৰ্ষিক সাধাৰণ সভাখনি গোহাইবাৰী স্থিত আঞ্চলিক সমিতিৰ স্থায়ী কাৰ্য্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। দিনযোৰা কাৰ্যসূচীৰ প্ৰথমে পৰিবেশ নিকাকৰণৰ পাছত গছপুলি ৰোপণ কাৰ্যসূচী সমাপন কৰে অঞ্চলিক সমিতিৰ উপদেষ্টা জিতেন চন্দ্ৰ গগৈয়ে। সন্থাৰ পতাকা উত্তোলন কৰে সভাপতি প্ৰশান্ত গগৈয়ে, স্মৃতি তৰ্পণৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে উপ সভাপতি থানো গগৈয়ে। প্ৰশান্ত গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক অচিন্ত গগয়ে, সভাৰ উদ্বোধন কৰে যোৰহাট জিলা সমিতিৰ সদস্য তথা উত্তৰ পূব আঞ্চলিক সমিতিৰ প্ৰাক্তন সভাপতি প্ৰদীপ গগৈয়ে। প্ৰায় দুই শতাধিক ক্ষুদ্ৰ চাহ খেতিয়কৰ উপস্থিতি থকা সভাত সম্পাদক অচিন্ত গগয়ে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে আৰু বিত্ত প্ৰতিবেদন পাঠ কৰে বিত্ত সম্পাদক চন্দ্ৰ চাঙমাইয়ে আৰু সভাই অনুমোদন জনায়। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি সুন্দৰ পৰামৰ্শ আগবঢ়াই জিলা সভাপতি জীৱন শইকীয়াই, তেওঁ গুণগত মানদণ্ডৰ কেঁচাপাত উৎপাদন কৰি যে উচিত মূল্য পায় আছে তাৰ প্ৰমাণ দাঙি ধৰিলে। আৰু সকলোকে তেনেকৈ পাবলৈ চেষ্টা কৰিবলৈ অনুৰোধ কৰিলে। বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকি যোৰহাট জিলাৰ সম্পাদক কৃষ্ণপ্ৰসাদ শৰ্মাই বৰ্ষটিত কেনেধৰণৰ কাম হৈছে, কেনেদৰে আগুৱাই গৈ ক্ষুদ্ৰ চাহ খেতিয়ক সকলক সুৰক্ষা দিব পাৰিব আৰু খেতিয়ক সকলৰ কৰণীয়ৰ ওপৰত বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাৰ পৰ্যবেক্ষণৰ দায়িত্ব লৈ উপস্থিত আছিল যোৰহাট জিলা সমিতিৰ সহ সম্পাদক উজ্জ্বল শইকীয়া। সভাত অতিথি ৰূপে উপস্থিত থাকে যোৰহাট জিলা সমিতিৰ সাংগঠনিক সম্পাদক ভোদ্ৰেশ্বৰ বুঢ়াগোহাঁই। শেষত শলাগৰ শৰাই আগবঢ়াই পূব যোৰহাট আঞ্চলিক সমিতিৰ জিলা সদস্য তথা জিলা সমিতিৰ সাংগঠনিক সম্পাদক ভূপেন গগৈয়ে।

# তিনি সহস্ৰাধিক লোকে পৰিৱেশন কৰিলে কালজয়ী গীত মায়াবিনী

# তীৰ্থনগৰী হাজোত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি



**অসম বাৰ্তা, হাজো, ২২ ডিচেম্বৰ ঃ** শনিবাৰৰ সন্ধিয়া তীৰ্থ নগৰী হাজোৰ চৌদিশে শুনা গ'ল মাথোঁ মায়াবিনীৰ সুৰ। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অনুপম সৃষ্টি মায়াবিনী গীতেৰে হাজোৰ ৰাইজে গভীৰ শ্ৰদ্ধাঞ্জলি যাচিলে শিল্পী গৰাকীলৈ। শনিবাৰে বিয়লি হাজোৰ নৱনিৰ্মিত ষ্টেডিয়ামত অনুষ্ঠিত 'মনৰ নিজানত' শীৰ্ষক এক অনুষ্ঠানত বৃহত্তৰ হাজোৰ সকলো ন পুৰণি শিল্পীৰ লগতে হাজো অঞ্চলৰ সকলো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী তথা হাজো বাসীয়ে সমবেত হৈ প্ৰাণৰ শিল্পী গৰাকীক অশ্ৰুসিক্ত নয়নেৰে শ্ৰদ্ধা যাচে। হাজো শিল্পী সমাজ আৰু হাজো কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনীৰ যৌথ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানলৈ সমগ্ৰ হাজোৰ ৰাইজ স্বতঃস্ফূৰ্তভাৱে ওলাই আহে। ইয়াৰ উপৰিও বিশিষ্ট ভাস্কৰ্য্য শিল্পী দিগন্ত মাধৱে সংগ্ৰহ কৰা জুবিন গাৰ্গৰ পদ চিহ্ন আৰু হাতৰ চিহ্ন এই অনুষ্ঠানতে ৰাইজৰ বাবে প্ৰদৰ্শন কৰা হয়। প্ৰায় তিনি সহস্ৰাধিক লোকে মায়াবিনী গীত পৰিৱেশন কৰাৰ পিছতে হাজোৰ প্ৰতিষ্ঠিত সংগীত শিল্পী সকলে প্ৰাণৰ শিল্পী গৰাকীৰ বিভিন্ন ন-পুৰণি গীত গাই শ্ৰদ্ধা নিবেদন কৰে শিল্পী গৰাকীলৈ। ইয়াৰ উপৰিও ১৫ জনীয়া এটি কণকণ শিশুৰ দলে পৰিৱেশন কৰা জুবিন গাৰ্গৰ অন্তিম ছবিৰ গীত 'ৰৈ ৰৈ বিনালে'ৰ পৰিৱেশন আছিল অতি আকৰ্ষণীয়। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কণ্ঠশিল্পী ববিতা শৰ্মা, অনুপম শইকীয়া, গীতিকাৰ বিজিত তামোলী, জুবিন গাৰ্গৰ একালৰ বাদ্যযন্ত্ৰী পাৰ্থ প্ৰতিম গোস্বামী, ৰৈ ৰৈ বিনালে ছবিৰ গ্ৰাফিক্স ডিজাইনাৰ লগতে বহু শিল্পী উপস্থিত থাকে।

# আটছা টিৰাপ-জাগুন উপশাখা সমিতিৰ পূৰ্ণ পৰ্যায়ৰ প্ৰতিনিধি সভা ও বিষয় বাচনি সভা অনুষ্ঠিত

৩১ জনীয়া পূৰ্ণাংগ সমিতি গঠন



**অসম বাৰ্তা বিশেষ, জাগুন, ২২ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত উদয়পুৰ দিহিং ভেলী জুনিয়ৰ কলেজত দেওবাৰে আটছা টিৰাপ-জাগুন উপশাখা সমিতিৰ এখন পূৰ্ণ পৰ্যায়ৰ প্ৰতিনিধি সভা ও বিষয় বাছনি সভা অনুষ্ঠিত হয়। উক্ত সভাৰ আৰম্ভণিতে সন্থাৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু সকলোৰে প্ৰাণৰ শিল্পী ঈশ্বৰ পুত্ৰ জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ পিছতেই প্ৰতিনিধি সদস্য সকলৰ উপস্থিতিত পূৰ্ণ পৰ্যায়ৰ বৈঠকত টিৰাপ-জাগুন উপশাখা সমিতিখন পুনৰ গঠন কৰা হয়। প্ৰতিনিধি সভাৰ সৰ্ব সন্মতি ক্ৰমে অজয় তিৰ্কীক সভাপতি আৰু মহেশ নায়কক সাধাৰণ সম্পাদক হিচাপে লৈ ৩১ জনীয়া এখন শক্তিশালী পূৰ্ণাংগ সমিতি গঠন কৰা হয়। আজিৰ এই সভাত উপস্থিত থাকে ক্ৰমে আটছা কেন্দ্ৰীয় সমিতিৰ সদস্য প্ৰাঞ্জল বৰাইক, তিনিচুকীয়া জিলা সমিতিৰ সহ সম্পাদক উমেশ জাল, সাংগঠনিক সম্পাদক সঞ্জয় কুৰ্মী, সদস্য মহেশ নন্দ আৰু শচীন ঘাটোৱাৰ, মাৰ্ঘেৰিটা শাখাৰ সভাপতি অনন্ত ঘাটোৱাৰ, সাধাৰণ সম্পাদক মনোজ তাঁতী।

# অভয়াপুৰী ৰাজবাড়ী পুখুৰীৰ পাৰত ''কুঁৱলীৰ কোমল পৰশত কবিতা আৰু গীতৰ গধূলি'' অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, অভয়াপুৰী, ২২ ডিচেম্বৰ ঃ** অভয়াপুৰী চহৰৰ ঐতিহ্যমণ্ডিত ৰাজবাৰী পুখুৰীৰ পাৰত অভয়াপুৰী শতদল শাখা সাহিত্য সভাৰ উদ্যোগত কালি অনুষ্ঠিত হয় ''কুঁৱলীৰ কোমল পৰশত কবিতা আৰু গীতৰ গধূলি'' শীৰ্ষক মনোজ্ঞ অনুষ্ঠানখন। য'ত স্থানীয় কবি, কণ্ঠশিল্পী তথা সাহিত্যানুৰাগী ৰাইজৰ সমাগম ঘটে। অনুষ্ঠানৰ আৰম্ভণীতে শিল্পী জুবিন গাৰ্গ আৰু কবি তথা সদ্য প্ৰয়াত মিহিৰ মৌচুম ৰয়ক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ইয়াৰ পাছত অনুষ্ঠানটিৰ আদৰণি ভাষণ প্ৰদান কৰে অভয়াপুৰী শাখা সাহিত্য সভাৰ সভাপতি ৰমেশ নাথে। সেই অনুষ্ঠানটোত কবিতা পাঠ কৰে ক্ৰমে মৃণাল ভাগৱতী, ডাঃ নুৰুল ইছলাম, কৰবী কলিতা দাস, ড° বন্দনা কলিতা, পুলক দাস, অলক ৰায়, ইক্ৰামূল ইছলাম, সীমান্ত কুমাৰ কলিতা, ৰজত কুমাৰ ঘোষ, ফৰিদা বেগম, দিগন্ত বৰুৱা, ববিতা ৰহমান, ৰশ্মিৰেখা ৰায়, মীনা কুমাৰী মণ্ডল, তনুপ্ৰিয়া কলিতা, জেবিনা ইয়াছমিন, মনোজ দাস, উত্তম কুমাৰ ৰায়কে ধৰি দুকুৰিৰো অধিক ন-পুৰণি কবিয়ে। কবিতা পাঠৰ মাজে-মাজে গীতৰ শৰাই আগবঢ়াই অনুষ্ঠানটিক জীপাল কৰি তোলে ৰেৱতী ভকত, ক্ষীতিশ দাস, তৰালি দাস, তনুপ্ৰিয়া কলিতা, দৃষ্টিশিখা দাস, উদীচী দেৱী, মাণিক মেধি, মৰমজ্যোতি দাস, ৰাণাদিত্য বৰ্মণ, অৰ্চনা কাকতি, স্নেহা দাসকে ধৰি নৱীন-প্ৰৱীণ স্থানীয় কণ্ঠশিল্পীয়ে। অনুষ্ঠানটিলৈ আমন্ত্ৰিত দেওহাটী লেখিকা সমাৰোহৰ সদস্যাসকলে পৰিৱেশন কৰা এখনি মনোগ্ৰাহী সংগীতালেখ্যই দৰ্শক-শ্ৰোতাৰ প্ৰশংসা বুটলিবলৈ সক্ষম হয়।

# বাংলাদেশৰ নাৰকীয় ঘটনাৰ তীব্ৰ বিৰোধিতা বাঙালি পৰিষদ অসমৰ লেংটিছিঙা আঞ্চলিক সমিতিৰ



**অসম বাৰ্তা, অভয়াপুৰী, ২২ ডিচেম্বৰ ঃ** আজি বাঙালি পৰিষদ অসমৰ লেংটিছিঙা আঞ্চলিক সমিতিৰ উদ্যোগত লেংটিছিঙাত বাংলাদেশত সংখ্যালঘুৰ ওপৰত হোৱা অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। ''বাংলাদেশৰ সংখ্যালঘু জনতাৰ ওপৰত অত্যাচাৰ নচলিব'', ''অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী মহাম্মদ ইউনুছ মুৰ্দাবাদ'', ''মহাম্মদ ইউনুছ গ' বেক'' আদি বিভিন্ন শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতি বাংলাদেশে যাতে চকু নিদিবলৈ বাংলাদেশক সকিয়াই দিয়ে বাঙালি পৰিষদ অসমে। ইপিনে বাঙালি পৰিষদ অসমৰ লেংটিছিঙা আঞ্চলিক সমিতিয়ে আজি দিনৰ ১১ বজাত বাংলাদেশত ধৰ্মীয় সংখ্যালঘু হিন্দু লোকৰ ওপৰত চলি থকা নিৰন্তৰ অত্যাচাৰ, নিপীড়ন আৰু গুৰুতৰ নিৰাপত্তাহীনতাৰ ঘটনাৰ তীব্ৰ নিন্দা স্বৰূপে তথা বাংলাদেশৰ একাংশ ৰাজনৈতিক নেতাই ভাৰত বিৰোধী আৰু উত্তৰ-পূৰ্বাঞ্চলবিৰোধী যি ধৰণৰ উচটনিমূলক মন্তব্য আৰু বক্তব্য আগবঢ়াইছে, তাৰ বিৰুদ্ধে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা ড° মুহাম্মদ ইউনুছৰ প্ৰতিমূৰ্তি দাহ কৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

# মোৰাঝাৰত বিধায়ক চিৰাজুদ্দিন আজমলৰ বিৰুদ্ধে ক্ষোভ বেঞ্চাৰ শিক্ষকৰ

**অসম বাৰ্তা, ডবকা, ২২ ডিচেম্বৰ ঃ** বিন্নাকান্দি সমষ্টিৰ বিধায়ক চিৰাজুদ্দিন আজমলৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছে একাংশ শিক্ষকে। সদৌ অসম বেঞ্চাৰ শিক্ষক সন্থাৰ বিন্নাকান্দি সমষ্টি কমিটিয়ে আজি মোৰাঝাৰত এক সংবাদমেল পাতি ক্ষোভ প্ৰকাশ কৰে। আজমলে শিক্ষক সকলক যোৱা বিধানসভা নিৰ্বাচনত আৰ্থিক সকাহ দিয়াৰ প্ৰতিশ্ৰুতি দি প্ৰতিশ্ৰুতি পালন নকৰাৰ প্ৰতিবাদত এই সংবাদমেল আয়োজন কৰে। আজমলে অতি শীঘ্ৰে প্ৰতিশ্ৰুতি পালন নকৰিলে পৰৱৰ্তী বৃহৎ আন্দোলন কৰিব বুলি হুংকাৰ দিয়ে। সভাপতি আব্দুল মান্নান আৰু সম্পাদক নজৰুল হকৰ লগতে বিভিন্ন বিষয়ববীয়া উপস্থিত থাকি সংবাদমেল সম্বোধন কৰে। উল্লেখ্য যে



২০২১ৰ বিধানসভা নিৰ্বাচনত বিন্নাকান্দিৰ বেঞ্চাৰ স্কুলৰ শিক্ষকক মাহেকত ১২৫০ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল আজমলে কিন্তু প্ৰতিশ্ৰুতি দি প্ৰতিশ্ৰুতি ৰক্ষা নকৰাৰ অভিযোগ বেঞ্চাৰ স্কুলৰ শিক্ষকৰ। শিক্ষকসকলে বাৰে বাৰে তাগিদা দি বিমোহ হবলগীয়া হল। সংবাদ মাধ্যমৰ জৰিয়তে ৭ দিনৰ সময়সীমা বান্ধি দিয়ে বিন্নাকান্দি সমষ্টিৰ বেঞ্চাৰ স্কুলৰ শিক্ষকে। ৭ দিনৰ ভিতৰত ন্যায় নাপালে প্ৰতিবাদৰ হুংকাৰ প্ৰদান কৰে আজমলক। এতিয়া যাৱতীয় বিষয় আজমলে কেনেদৰে লয় সময়ত লক্ষণীয় হ'ব।

# বাঙালি পৰিষদ অসমৰ লেংটিছিঙা আঞ্চলিক সমিতিৰ উদ্যোগত বাংলাদেশত সংখ্যালঘুৰ ওপৰত হোৱা অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত

**অসম বাৰ্তা, লেংটিছিঙা, ২২ ডিচেম্বৰ ঃ** বাংলাদেশৰ সংখ্যালঘু জনতাৰ ওপৰত অত্যাচাৰ নচলিব, অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী মহাম্মদ ইউনুছ মুৰ্দাবাদ, মহাম্মদ ইউনুছ গ' বেক, আদি বিভিন্ন শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। ইপিনে বাঙালি পৰিষদ অসমৰ লেংটিছিঙা আঞ্চলিক সমিতিয়ে আজি দিনৰ ১১ বজাত বাংলাদেশত ধৰ্মীয় সংখ্যালঘু হিন্দু লোকৰ ওপৰত চলি থকা নিৰন্তৰ অত্যাচাৰ, নিপীড়ন আৰু গুৰুতৰ নিৰাপত্তাহীনতাৰ ঘটনাৰ তীব্ৰ নিন্দা স্বৰূপে তথা বাংলাদেশৰ একাংশ ৰাজনৈতিক নেতাই ভাৰতবিৰোধী আৰু উত্তৰ-পূৰ্বাঞ্চলবিৰোধী যি ধৰণৰ উচটনিমূলক মন্তব্য আৰু বক্তব্য আগবঢ়াইছে, তাৰ বিৰুদ্ধে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা ড° মুহাম্মদ ইউনুছৰ প্ৰতিমূৰ্তি দাহ কৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন